


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪৪ ■ গুৱাহাটী ■ সোমবাৰ, ১৯ ছেপ্টেম্বৰ, ২০২২, ২ আহিন, ১৯৪৪ শক　RNP/GH/248/2114-2017　গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in　■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 44 Dainandin Barta ■ Guwahati, Monday ■ 19 Setpember, 2022　■ RNI REGD. NO. ASSASS/2010/39449　Total Pages =12 ■ Rs. 10.00 Only






## ইতিবাচক বাৰ্তা

■ ৰুটী বিক্ৰী কৰা বাক্সাৰ মৃদুল কলিতাই লাভ কৰিলে অসম আৰক্ষীত সফলতা ■ চাপৰ বজাৰৰ ফুটপাথত চাহ দোকান দিয়া মাতৃ-পুত্ৰ এতিয়া অসম আৰক্ষী ■ পিতৃহীন পুত্ৰ ছাহিদ আলী অসম আৰক্ষীত নিযুক্তি ■ চাপৰ কাজিপাৰাৰ ছহিদা বেগমৰ একমাত্ৰ পুত্ৰ এতিয়া অসম আৰক্ষীৰ AB কনষ্টবল ■ দিন হাজিৰা কৰা, আধিয়াৰ খেতিয়কৰ ল'ৰা, সৰুতেই পিতৃক হেৰুওৱা দৰিদ্ৰ ঘৰৰ ছোৱালীয়ে পালে কমাণ্ডোত চাকৰি ■ অসম আৰক্ষীৰ নিযুক্তিৰ পৰীক্ষাৰ ফলাফলে আশা কঢ়িয়ালে কাকজানৰ দুটা পৰিয়াললৈ ■ কলিয়াবৰত এগৰাকী টেম্পোচালক উত্তীৰ্ণ হৈছে কনিষ্টবল পদত ■ কটহগুৰিত তিনি যুৱকে লাভ কৰিলে কমাণ্ডো বেটেলিয়নৰ চাকৰি ■ কনিষ্টবলৰ প্ৰশিক্ষণ অৱস্থাতে কমাণ্ডো এছ আই পদত নিযুক্তি তাপসজ্যোতিৰ

# যি হ'ব পাৰে প্ৰেৰণা

## অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** অসম অৰক্ষীৰ উপ-পৰিদৰ্শক, কমাণ্ডো, কনিষ্টবল দলত নিযুক্তি লাভ কৰিছে বাক্সাৰ শালবাৰীৰ কেইবাজনো দৰিদ্ৰ তথা মেধা প্ৰাৰ্থীয়ে। আজি ঘোষিত ফলাফলত বাক্সাৰ আনন্দ বজাৰ হাটখোলাৰ কুশল কলিতা আৰু প্ৰণিতা কলিতাৰ পুত্ৰ মৃদুল কলিতাই আৰক্ষীত বাছনি হোৱাত স্বাভাৱিকতে পৰিয়ালৰ লগতে অঞ্চলবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে। দৰিদ্ৰতাই যে সফলতাৰ হেঙাৰ হ'ব নোৱাৰে তাৰে প্ৰমাণ কৰি দেখুৱালে বাক্সাৰ মৃদুল কলিতাই। মৃদুল কলিতাই অসম পুলিচ কনিষ্টবলত সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত উৎফুল্ল হৈছে পৰিয়াল তথা গাঁওবাসী। অতি দুখীয়া পৰিয়ালৰ মৃদুল কলিতাৰ সফলতাই অঞ্চলৰ যুৱক-যুৱতীৰ প্ৰেৰণা হৈ পৰিছে। ৰুটী বিক্ৰী কৰি পৰিয়াল পোহপালত সহায় কৰাৰ লগতে নিজেও অধ্যয়নত ব্ৰতী থকা মৃদুল কলিতাই লাভ কৰিলে ৯৩.২ শতাংশ নম্বৰ। অসম চৰকাৰ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ■ ৮ পৃষ্ঠাত

## টকা অবিহনে চাকৰি লাভ কৰাত ধন্যবাদ জ্ঞাপন অসমৰ মুখ্যমন্ত্ৰীক



শনিবাৰে ভাৰতত মেলি দিয়া চিতা বাঘ, ওপৰত কেমেৰা লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## মই আহোম মন্ত্ৰী হিচাপে জনজাতিকৰণ বিচাৰো ঃ মন্ত্ৰী যোগেন মহন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব প্ৰদান নকৰিলেও ৰাজ্যৰ ৰাজহ বিভাগৰ কেবিনেট মন্ত্ৰী যোগেন মহনে অসমৰ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাটো বিচাৰো বুলি কৈ জনজাতিকৰণৰ সপক্ষে থিয় দিলে। মন্ত্ৰীগৰাকীয়ে আজি মৰাণত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, মই নিজেই আহোম জনগোষ্ঠীৰ মন্ত্ৰী হিচাপে জনজাতিকৰণ বিচাৰো। চৰকাৰে এই ক্ষেত্ৰত কাম কৰি আছে। যিহেতু জনজাতিকৰণ প্ৰক্ৰিয়াটো কেন্দ্ৰীয় চৰকাৰৰ হাতত থাকে গতিকে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত পূৰ্ণ সহযোগিতা কৰিব বুলিও কয় মন্ত্ৰীজনে। লগতে জনজাতিকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোত মন্ত্ৰী যোগেন মহনে নিজে উদ্যোগ ল'ম বুলিও আজি সংবাদ মাধ্যমৰ আগত কয়। উল্লেখ্য যে কেন্দ্ৰীয় কেবিনেটে ৫ ৰাজ্যৰ ১২ জনগোষ্ঠীক দিয়া জনজাতিৰ তালিকাত অসমৰ ছয় জনগোষ্ঠীৰ নাম নথকাৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে দল-সংগঠনসমূহে। অসমৰ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ গুৰুত্ব নিদিয়াত ক্ষোভিত হৈ পৰিছে ৰাজ্য দল-সংগঠনসমূহ। বৃহস্পতিবাৰৰ পৰাই ৰাজ্যৰ বিভিন্ন ঠাইত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে ছয় জনগোষ্ঠীৰ নেতৃত্বই। ৰাজ্যৰ ৰাজপথত জ্বলিছে দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি।



## দুৰ্নীতি নিবাৰক শাখাৰ হাতত ঘোচ লৈ থকা সময়ত হাতে-লোটে গ্ৰেপ্তাৰ যোৰহাটৰ ঔষধ পৰিদৰ্শক

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৮ ছেপ্টম্বৰ ঃ** এইবাৰ টাৰ্গেট যোৰহাট। দুৰ্নীতি নিৰ্বাৰক আৰু তদাৰকী শাখাৰ হাতত পুনৰ হাতে-লোটে গ্ৰেপ্তাৰ হ'ল ঘোচখোৰ বিষয়া। যোৰহাটত ফাৰ্মাচীৰ লাইচেন্সৰ বাবে ঘোচ বিচাৰিছিল জাহ্নৱী কলিতা নামৰ এইগৰাকী ঔষধ পৰিদৰ্শিকা। ■ ৮ পৃষ্ঠাত

বিজেপিৰ কেন্দ্ৰীয় সংসদীয় ব'ৰ্ড আৰু নিৰ্বাচনী সমিতিত স্থান লাভৰ পিছত গৃহ জিলাত প্ৰথমবাৰলৈ উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকী

## গৃহ জিলা ডিব্ৰুগড়ত সৰ্বানন্দ সোণোৱালক বিপুল আদৰণি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী ব্যক্তি হিচাপে বিজেপিৰ কেন্দ্ৰীয় সংসদীয় ব'ৰ্ড আৰু নিৰ্বাচনী সমিতিত স্থান লাভ কৰাৰ পিছত জ্যেষ্ঠ বিজেপি নেতা, কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰথমবাৰৰ বাবে গৃহ জিলা ডিব্ৰুগড়ত উপস্থিত হয়। প্ৰিয় নেতাগৰাকীক আদৰিবলৈ দুপৰীয়াৰ পৰাই মোহনবাৰী বিমান বন্দৰৰ বাহিৰত সৰ্বস্তৰৰ জনসাধাৰণ, বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক, বিজেপিৰ বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰে। দিনৰ ২.৩০ বজাত মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱাৰ লগে লগেই জনপ্ৰিয় নেতাগৰাকীক উষ্ম আদৰণি জনায় তাত উপস্থিত থকা অসম চৰকাৰৰ মন্ত্ৰী বিমল বড়া, সঞ্জয় কিষাণ, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল- প্ৰশান্ত ফুকন, নৱ ■ ৮ পৃষ্ঠাত

দলে দিয়া প্ৰতিটো দায়িত্ব নিষ্ঠা আৰু সমৰ্পিতভাৱে পালন কৰি দেশমাতৃৰ সেৱা কৰি যাম ঃ সৰ্বানন্দ সোণোৱাল


ৰাষ্ট্ৰস্বাৰ্থৰ সংকল্প লৈ আমি সকলোৱে 'টীম ইণ্ডিয়া' মানসিকতাৰে কাম কৰি যাব লাগিব ঃ সোণোৱাল

মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত সম্ভৱ হোৱা উন্নয়নৰ নৱজাগৰণে উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মীৰ ৰূপত জিলিকাই তুলিছে আৰু স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰিছে ঃ সোণোৱাল



## চণ্ডীগড় বিশ্ববিদ্যালয়ৰ ৬০গৰাকী ছাত্ৰীৰ স্নানৰ ভিডিঅ' ভাইৰেল

চণ্ডীগড়ত উত্তপ্ত পৰিস্থিতি ঃ মানসিকভাৱে ভাগি পৰিছে ছাত্ৰী, এগৰাকী ছাত্ৰীয়েই প্ৰস্তুত কৰিছিল সেই ভিডিঅ', ছাত্ৰীৰ আত্মহত্যাৰ অপচেষ্টাৰ খবৰ অস্বীকাৰ প্ৰশাসনৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ ছেপ্টেম্বৰ ঃ** এক অনাহূত পৰিস্থিতিয়ে বিৰাজ কৰিছে চণ্ডীগড়ত। চণ্ডীগড় বিশ্ববিদ্যালয়ৰ ৬০গৰাকী ছাত্ৰীয়ে স্নান কৰি থকাৰ দৃশ্য ইণ্টাৰনেটত ভাইৰেল হোৱাৰ পিছতে সমগ্ৰ চহৰখনত উত্তেজনা বিয়পি পৰিছে। ছাত্ৰীসকল মানসিকভাৱে ভাগি পৰাৰ লগতে ঘটনাটোৰ প্ৰতিবাদত উত্তাল হৈ পৰিছে চহৰখন। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সমগ্ৰ চহৰখনতে অতিৰিক্ত আৰক্ষী মোতায়েন কৰা হৈছে। পঞ্জাবৰ শিক্ষামন্ত্ৰী হৰজ্যোৎ সিং বেইন্সে সকলোকে শান্ত হ'বলৈ আহ্বান জনাইছে। আনকি এই ভিডিঅ' ইণ্টাৰনেটত সম্প্ৰচাৰিত হোৱাৰ পিছতে চণ্ডীগড় বিশ্ববিদ্যালয় চৌহদত এক বৃহৎ প্ৰতিবাদ আৰম্ভ হৈছে। শিক্ষাৰ্থীসকলক শান্ত হৈ থাকিবলৈ আৰু সংবাদ মাধ্যমক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে কয় যে, বিষয়টো যথেষ্ট সংবেদনশীল আৰু আমাৰ ভগ্নী আৰু কন্যাসকলৰ মৰ্যাদাৰ সৈতে জড়িত হৈ আছে। ■ ৮ পৃষ্ঠাত

চণ্ডীগড় বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ ভিডিঅ' ভাইৰেল হোৱা ঘটনাৰ তদন্তৰ নিৰ্দেশ ভগৱন্ত মানৰ

## 'আমাৰ ছোৱালীবোৰ আমাৰ গৌৰৱ'

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ ছেপ্টেম্বৰ ঃ** চণ্ডীগড় বিশ্ববিদ্যালয়ৰ ৬০গৰাকী ছাত্ৰীয়ে স্নান কৰি থকাৰ দৃশ্য ইণ্টাৰনেটত ভাইৰেল হোৱাৰ পিছতে তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। এনে আচৰিত ঘটনাৰ প্ৰতিবাদত উত্তাল হৈ পৰিছে চহৰখন। ইয়াৰ মাজতে চণ্ডীগড় বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ ভিডিঅ' ভাইৰেল হোৱা ঘটনাৰ তদন্তৰ নিৰ্দেশ দিলে পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে। কেইবাগৰাকীও ছাত্ৰীৰ কিছুমান আপত্তিজনক ভিডিঅ' ৰেকৰ্ড কৰি অনলাইনত পোষ্ট কৰাৰ খবৰক লৈ লৈ পঞ্জাবৰ মোহালিৰ চৌহদত উত্তেজনা বিয়পি পৰিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰী ভগৱন্ত মানে ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিয়ে আৰু কয় যে দোষী সাব্যস্ত হোৱাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ কয়— 'চণ্ডীগড় বিশ্ববিদ্যালয়ৰ দুৰ্ভাগ্যজনক ঘটনাটোৰ বিষয়ে শুনি দুখ লাগিছে... আমাৰ ছোৱালীবোৰ আমাৰ ■ ৮ পৃষ্ঠাত



ইণ্ডো-তিবেতিয়ান পুলিচে আয়োজন কৰা ইণ্ডো-চাইনা বোৰ্ডাৰৰ পৰা আজাদী কা অমৃত মহোৎসৱৰ উপলক্ষে উলিওৱা ৭৫ দিনত ৭৫৭৫ কিলোমিটাৰ অতিক্ৰমী তেজপুৰত উপস্থিত হোৱা দলটো

## মুন্নাভাইৰূপীৰ ভুল চিকিৎসাৰ বলি হৈ মহিলাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৮ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীত মুন্নাভাই এম বি বি এছৰূপী চিকিৎসকৰ ভুল চিকিৎসাৰ বলি হৈ এগৰাকী মহিলাৰ মৃত্যু হৈছে। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, সাধাৰণ মূৰৰ বিষত আক্ৰান্ত চাউদাং পথাৰ পঞ্চায়তৰ গণকপুখুৰী ■ ৮ পৃষ্ঠাত

## ৰেছে দৰজে ঠংচিলৈ 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা'

আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা প্ৰদান কৰিব ড° ননীগোপাল মহন্তই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে চলিত বৰ্ষৰ 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা' আগবঢ়াইছে অসম-অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক ■ ৮ পৃষ্ঠাত

## নতুনকৈ নিৰ্মাণ কৰি যোৱা ৰাষ্ট্ৰীয় ঘাইপথত বৃহৎ সুৰংগ

ডিমৌত চাৰিলেনযুক্ত পথ নিৰ্মাণত সংঘটিত হৈছে চূড়ান্ত দুৰ্নীতিৰ অভিযোগ, ডিমৌত তীব্ৰ প্ৰতিক্ৰিয়া



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৮ ছেপ্টেম্বৰ ঃ** চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাই পথ নিৰ্মাণত সংঘটিত কৰা চূড়ান্ত দুৰ্নীতি-অনিয়মৰ বিষয়ে প্ৰায়ে বাতৰি কাকতৰ শিৰোনাম দখল কৰি থকাৰ মাজতে ডিমৌৰ দিহাজানত পোহৰলৈ আহিছে আন এক ভয়ানক দুৰ্নীতি। চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাই অতিকৈ নিম্নমানৰ পথ নিৰ্মাণ কৰি যোৱাৰ পিছতে পথৰ ওপৰত পুখুৰীসদৃশ গাঁত, পথৰ বহি যোৱা আদি পিছত এইবাৰ আৱিৰ্ভাৱ হৈছে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত এক বৃহৎ সুৰংগ। ঠিকাদাৰী প্ৰতিষ্ঠানে কেৱল চৰকাৰী ধন আত্মসাৎ কৰাৰ ■ ৮ পৃষ্ঠাত

■ ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো যাত্ৰা'ক উপহাস স্মৃতি ইৰাণীৰ ■

## কংগ্ৰেছ কৰ্মীসকলে সুধিছে— আমাৰ দলৰ সভাপতি কোন ?

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ সভাপতি কোন হ'ব তাকে লৈ নানান জল্পনা-কল্পনা চলি থকাৰ মাজতে আজি বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে নানান বিষয়ক লৈ কংগ্ৰেছক কটাক্ষ কৰে। উল্লেখ্য, চলিত বছৰৰ শেষৰ ফালে হিমাচল প্ৰদেশত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ কথা বিবেচনা কৰি বিজেপিয়ে ৰাজ্যখনত প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিৰ কেন্দ্ৰীয় নেতাসকলে নিয়মীয়াকৈ হিমাচল প্ৰদেশ ভ্ৰমণ কৰি আছে আৰু নিৰ্বাচনৰ বাবে পৰিৱেশ সৃষ্টি কৰি আছে। এনে সময়তে কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন দপ্তৰৰ মন্ত্ৰী স্মৃতি ইৰাণীয়ে ছিমলাৰ ৰামপুৰত 'নাৰী কো নমন' কাৰ্যসূচীত অংশগ্ৰহণ কৰে। স্মৃতি ইৰাণীয়ে এই কাৰ্যসূচীতে কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰা পৰিলক্ষিত হয়। ইৰাণীয়ে কংগ্ৰেছৰ 'ভাৰত জোড়ো যাত্ৰা' সন্দৰ্ভতো প্ৰশ্ন কৰে। ইৰাণীয়ে অভিযোগ কৰে যে কংগ্ৰেছে জনসাধাৰণক সকলো লাভালাভ আৰু আৰামৰ পৰা বঞ্চিত কৰিছে। ইৰাণীয়ে কয়— কংগ্ৰেছে আধৰুৱা কৰি ৰখা উন্নয়নমূলক ■ ৮ পৃষ্ঠাত

## গোৰেশ্বৰত ভূগৰ্ভৰ পৰা গৰম পানী ওলোৱা ঘটনা শংকিত হোৱাৰ কোনো কাৰণ নাই ঃ ভূতত্ত্ববিদ ড° ভগৱতপ্ৰাণ দুৱৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ১৮ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ ২নং গোৰেশ্বৰৰ বেঙেনাআটী সত্ৰৰ সমীপৰ এটা গ্ৰাম্য পথৰ কাষত ১২ ছেপ্টেম্বৰৰ পৰা ভূগৰ্ভৰ পৰা গৰম পানীৰ লগতে এচিদসদৃশ পদাৰ্থৰ গোন্ধ ওলাই থকা ■ ৮ পৃষ্ঠাত

# দাৰোগাখাটৰ সোণাখাটত অমৃত সৰোবৰ আঁচনিৰ অধীনত সমূহীয়া মৎস্য পালনৰ পুখুৰী খনন



## বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ দ্বাৰা শুভাৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** 'ওদালগুৰি জিলাৰ ৬৪নং পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বগপুৰি ভিচিডিচিৰ দাৰোগাখাটৰ সোণাখাটত কালি কেন্দ্ৰীয় চৰকাৰৰ অমৃত সৰোবৰ আঁচনিৰ অধীনত প্ৰায় ২৫ লাখ টকাৰে সমূহীয়া মৎস্যপালনৰ বাবে পুখুৰী খননৰ শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী সমগ্ৰ আঁচনি আৰু এমজিএনৰেগা আঁচনিৰ পুঁজি ব্যয়েৰে ওদালগুৰি জিলাৰ ৭৫টা পুখুৰী খননৰ বাবে গ্ৰহণ কৰা প্ৰকল্পৰ শুভাৰম্ভ কৰি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে 'সমূহীয়া মৎস্য পালনৰ পুখুৰী খননৰ জৰিয়তে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ উপৰি গ্ৰাম্য অৰ্থনীতিৰ সবল কৰাৰ দিশত এই অমৃত সৰোবৰ আঁচনিয়ে উপকাৰ কৰিব বুলি ব্যক্ত কৰাৰ লগতে ২৫ লাখ টকা ব্যয়ৰে খনন কৰিবলগীয়া সোণাখাট গাঁৱৰ সমূহীয়া পুখুৰী অহা ২৬ জানুৱাৰীলৈ সম্পূৰ্ণ হৈ উঠিব বুলি ব্যক্ত কৰে। আনহাতে, সমাজসেৱক প্ৰফুল্ল ৰাভাই আঁতধৰা কাৰ্যসূচীত জিলা প্ৰকল্প সঞ্চালক ভাস্কৰজ্যোতি বৰুৱা, ওদালগুৰি জিলাৰ উপায়ুক্ত ড° সাদনেক সিং, ভেৰগাঁও উন্নয়ন খণ্ড বিষয়া নিৰঞ্জয় মুছাহাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# লাহৰীঘাটৰ অমৰাগুৰিত অমৃত সৰোবৰ আঁচনি উদ্বোধন




**দৈনন্দিন বাৰ্তা সেৱা ভূৰাগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** কালি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিনৰ লগত সংগতি ৰাখি মৰিগাঁও জিলাৰ লাহৰীঘাট খণ্ড উন্নয়নৰ অধীনস্থ অমৰাগুৰি গাঁও পঞ্চায়তত অমৃত সৰোবৰ আঁচনিৰ শুভ উদ্বোধন কৰা হয়। ১৩ লাখ টকা ব্যয়েৰে ১৩ বিঘা ভূমিত খান্দিবলগীয়া পুখুৰীটিৰ ফিটা কাটি শুভ উদ্বোধন কৰে লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ লগতে খণ্ড উন্নয়ন বিষয়া মণিকা ৰাংহাঙে। উক্ত শুভ উদ্বোধনী কাৰ্যসূচীটিত বিধায়ক আৰু খণ্ড উন্নয়ন বিষয়াগৰাকীক সংগ দিয়ে গাঁও পঞ্চায়তৰ সভানেত্ৰী, অভিযন্তা ৰাতুল সোণোৱাল, নৱজ্যোতি শৰ্মা, সম্পাদক মৃদুলজ্যোতি তালুকদাৰে।

# নাগশংকৰ আঞ্চলিক শাখাত সাহিত্য-সংস্কৃতিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৮ ছেপ্টেম্বৰ ঃ** আজি নাগশংকৰ আঞ্চলিক শাখাৰ কুসুম্বৰ প্ৰাথমিক শাখাৰ কীৰ্তন গৃহত সাহিত্যৰ কৰ্মশালা অনুষ্ঠিত হয়। নাগশংকৰ আঞ্চলিক শাখাৰ স্থায়ী সভাপতি গোলাপ বৰুৱাই সভাপতিত্ব কৰা কৰ্মশালা সভাখনৰ আঁত ধৰে আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক জিন্টু বৰাই আৰু সম্বৰ্দ্ধনাৰ আঁত ধৰে সাহিত্য শাখাৰ সভাপতি দেৱজিৎ শইকীয়াই সাহিত্য কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে জামুগুৰি আঞ্চলিক শাখাৰ অনিমা শইকীয়া আৰু তেজপুৰ জিলা শাখাৰ কাৰ্যালয় সম্পাদক পংকজ হাজৰিকা। কৰ্মশালা সভাখনত উপস্থিত থাকে তেজপুৰ জিলা শাখাৰ সম্পাদক পৰেশ বৰা, কেন্দ্ৰীয় সঞ্চালন সমিতিৰ সদস্য জিতু শইকীয়া, নাগশংকৰ আঞ্চলিক শাখাৰ উপ-সভাপতি চিতেশ্বৰ ভূএগ, নাগশংকৰ আঞ্চলিক শাখাৰ সম্পাদক দিগন্ত বৰুৱা, আঞ্চলিক সেৱাবাহিনীৰ অধিনায়ক বিশ্বজিৎ সূত, আঞ্চলিক আইমাতৃ কল্যান শাখাৰ সভানেত্ৰী চিত্ৰামনি শইকীয়া, চুমি বৰা আৰু কুসুম্বৰ প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদকৰ লগতে প্ৰাথমিকৰ বাপ আই সমস্ত । সাহিত্য কৰ্মশালাত বহু শিশু-যুৱৰ উপস্থিতিত কবিতা আবৃত্তি, বক্তৃতা আৰু বিতৰ্ক প্ৰতিযোগিতাৰ ওপৰত বিযদভাৱে অনিমা শইকীয়া, পংকজ হাজৰিকা আৰু বিশ্বজিৎ সূতে অৱগত কৰে। জিলা সম্পাদক পৰেশ বৰায়ো কৰ্মশালাৰ আগমুহূৰ্তত শুভেচ্ছামূলক বক্তব্য দাঙি ধৰে। সভাপতিৰ মন্তব্যৰ পিছতেই সাহিত্য শাখাৰ সভাপতি দেৱজিৎ শইকীয়াই সকলোলৈকে শলাগ জ্ঞাপন কৰে। ১৭ অক্টোবৰত নাগশংকৰ আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ উদ্যোগত শান্তিপুৰ প্ৰাথমিক শাখাৰ কীৰ্তনগৃহত সাংস্কৃতিক কৰ্মশালা অনুষ্ঠিত হৈ যায়। আঞ্চলিক সংস্কৃতি শাখাৰ সভাপতি বিপুল বৰা আৰু সম্পাদক ৰাতুল বৰাই বৰগীতৰ প্ৰশিক্ষণভাগৰ আয়োজন কৰে। কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে তেজপুৰ আঞ্চলিক শাখাৰ ৰাতুল শইকীয়া। সাংস্কৃতিক কৰ্মশালাভাগত উপস্থিত থাকে নাগশংকৰ আঞ্চলিক শাখাৰ সভাপতি গোলাপ বৰুৱা, সম্পাদক দিগন্ত বৰুৱা, প্ৰাক্তন সম্পাদক ভৰত কলিতা, অধিনায়ক বিশ্বজিৎ সূত, জিলা সংস্কৃতি শাখাৰ সভাপতি লক্ষী বেজবৰুৱা, জিলাশাখাৰ সহ সম্পাদক পল্লৱ হাজৰিকা, শংকৰী কলাকৃষ্টিৰ সাধক দিলীপ বৰা, পদ্ম লহকৰ, খগেন ৰাজখোৱা আদিকে প্ৰমুখ্য কৰি প্ৰাথমিকৰ সভাপতি-সম্পাদক, বাপ-আইসমস্ত। নাগশংকৰ আঞ্চলিক শাখাৰ সম্পাদক দিগন্ত বৰুৱাই ২০২৬ বৰ্ষত তেজপুৰ জিলা শাখাত অনুষ্ঠিত হবলগীয়া ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতিৰ সম্পৰ্কে নাগশংকৰ আঞ্চলিক শাখাই শাখাৰ অন্তৰ্গত প্ৰতি প্ৰাথমিক শাখালৈ আঞ্চলিক প্ৰস্তুতি সমিতিৰ প্ৰতিনিধি গৈ জাগৰণ সভা অনুষ্ঠিত কৰাৰ কথা জানিবলৈ দিয়ে।



# ছিপাঝাৰত মন্ত্ৰী অজন্তা নেওগে উন্মোচন কৰিলে অমৃত সৰোবৰ আঁচনি

## পুখুৰীসমূহত জল সংৰক্ষণৰ লগতে মাছ পালন,ফল-মূলো উৎপাদন হ'ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৮ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে অসমতো উন্মোচন কৰা হ'ল অমৃত সৰোবৰ আঁচনি। এই উপলক্ষে ছিপাঝাৰত অমৃত সৰোবৰ আঁচনি মুকলি কৰে বিত্তমন্ত্ৰী অজন্তা নেওগে।ছিপাঝাৰ সমষ্টিত হ'বলগীয়া ৭৫ টা অমৃত সৰোবৰৰ প্ৰাথমিক পৰ্যায়ত মন্ত্ৰীগৰাকীয়ে আজি সমষ্টিটোত ১২টাকৈ পুখুৰী খননৰ কামৰ শুভাৰম্ভ কৰে। অমৃত সৰোবৰ পুখুৰীৰ খনন কাৰ্যৰ শুভাৰম্ভণি কৰি উপস্হিত ৰাইজৰ আগত দিয়া ভাষণত মন্ত্ৰী গৰাকীয়ে অমৃত সৰোবৰ পুখুৰীৰ মূল উদেশ্যে হ'ল জল সংৰক্ষণ ইয়াৰ লগতে মাছ পালন আৰু পাৰ সমূহত ফল-মূলৰ খেতিয়ে তিনিখলপীয়া উৎপাদন কৰিব পৰা যাব বুলি উল্লেখ কৰি এনে পুখুৰীসমূহ আত্মসহায়ক গোট সমূহে পৰিচালনা কৰিব বুলিও বক্তব্যত প্ৰকাশ কৰে।মন্ত্ৰী গৰাকীয়ে ছিপাঝাৰৰ গৰুখুঁটিৰ মুখ্যমন্ত্ৰীৰ সপোনৰ কৃষি প্ৰকল্পত উপস্থিত হয় আৰু বহুমুখী কৃষি প্ৰকল্প প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে। মন্ত্ৰী নেওগক এই সময় ছোৱাৰ সহযোগ আগবঢ়ায় স্থানীয় বিধায়ক পৰমানন্দ ৰাজবংশী, দৰং জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়া, প্ৰমুখ্যে জিলা গ্ৰামোন্নয়নৰ একাংশ বিষয়ববীয়াই।

# জাগীৰোডৰ জাগীভকতগাঁৱত সমূহীয়া যোগাভ্যাস কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ১৮ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ মৰিগাঁও জিলা সমিতিৰ সৌজন্যত মণিকাঞ্চন যোগ বিদ্যালয়ৰ সহযোগত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ভাৰতৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি একসমূহীয়া যোগাভ্যাস কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জ্যেষ্ঠ যোগ শিক্ষক মনোৰঞ্জন চৰকাৰে এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক ৰিণ্টু কুমাৰ বৰাই। অনুষ্ঠানত বক্তব্য প্ৰদান কৰে সভানেত্ৰী কল্পনা গোস্বামী আৰু মণিকাঞ্চন যোগ বিদ্যালয়ৰ সমন্বয়ক জয়ন্ত সাগৰ শইকীয়াই। অনুষ্ঠানৰ প্ৰাৰম্ভতে শিশুসকলৰ হাতেৰে এটি কে'ক কাটি প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ জন্ম দিনৰ ওলগ জনোৱাৰ লগতে তেখেতৰ দীৰ্ঘায়ু কামনা কৰা হয়। জন্ম দিন উপলক্ষে আয়োজন কৰা সমূহীয়া যোগাভ্যাস অনুষ্ঠানতিৰ মূল মন্ত্ৰ আছিল যোগৰ দ্বাৰা হৃদৰোগৰ পৰা সুৰক্ষা লাভ কৰা। অনুষ্ঠানত হৃদয় ৰোগৰ সুৰক্ষা বাবে প্ৰয়োজনীয় প্ৰাণায়াম আৰু আসন অভ্যাস কৰা হয়। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন যোগ প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উক্ত অনুষ্ঠানত অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ উপ-সভানেত্ৰী অনামিকা উপাধ্যায়, সহকাৰী সম্পাদিকা সীমা দেৱী, মণিকাঞ্চন যোগ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিৰ্মল চন্দ্ৰ বৰুৱা, সম্পাদক তথা যোগ শিক্ষক অনন্ত বৰা, উপ-সভাপতিদ্বয় পুলকেশ কৌশিক, উৎপল বৰা আৰু সহযোগী যোগ শিক্ষক নিপুমণি বৰা উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# প্ৰেমলতা শৰ্মালৈ সাৰথি পৰিয়ালৰ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৮ ছেপ্টেম্বৰ ঃ** যোৱা ১২ ছেপ্টেম্বৰত পৰলোকপ্ৰাপ্তি ঘটা চিলাপথাৰৰ বিশিষ্ট লেখিকা, কবি, অধ্যাপিকা ড° প্ৰেমলতা শৰ্মা চিলাপথাৰ অঞ্চলৰ বহু কেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হোৱাৰ সামান্তৰালকৈ চিলাপথাৰৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান সাৰথি ৰ প্ৰতিষ্ঠা কালৰ এগৰাকী অন্যতম উপদেষ্টা আছিল ।সাৰথি ৰ প্ৰতিটো কাৰ্যসূচীতে সহায় সহযোগিতা আগবঢ়োৱাৰ লগতে দিহা পৰামৰ্শৰে জীপাল কৰি ৰখাৰ স্মৃতিৰ কথা আজি সাংবাদিকৰ আগত প্ৰকাশ কৰি অনুষ্ঠানটিৰ মুখ্য সচিব মনোজ দাসে কয় - আমি সাৰথি পৰিয়ালে এগৰাকী অভিভাৱকক মাজবাটতে হেৰুৱালো। যাৰ কাৰণে সাৰথি প্ৰতিষ্ঠা কৰিবলৈ সাহস পাইছিলোঁ সেইসকলৰ ভিতৰত অন্যতম এগৰাকী আছিল প্ৰেমলতা শৰ্মা বাইদেউ। আমি সাৰথি পৰিয়ালে চিৰদিন প্ৰেমলতা বাইদেউক আমাৰ মাজত জীয়াই ৰাখিম। উল্লেখযোগ্য, ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড় মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাত যোৱা ১২ ছেপ্টেম্বৰৰ নিশা শেষ নিশ্বাস ত্যাগ কৰিছিল ড° প্ৰেমলতা শৰ্মাই। চিমেন চাপৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহাকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত প্ৰয়াত প্ৰেমলতা শৰ্মাই মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাতে সহপাঠী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ ৰেঙণি সাহিত্য চ'ৰা প্ৰতিষ্ঠা কৰি চিলাপথাৰৰ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনক সাৰুৱা কৰি ৰাখিছিল । আনহাতে চিলাপথাৰৰ লগতে চিমেন চাপৰি অঞ্চলটোত সাহিত্য- সংস্কৃতিৰ লগতে সামাজিক ক্ষেত্ৰখনৰ বহু অনুষ্ঠানৰ লগত ওতপ্ৰোত ভাৱে জড়িত আছিল সৰবৰহী মহিলাগৰাকীৰ । উল্লেখযোগ্য যে, সাৰথি পৰিয়ালৰ সমূহ বিষয়-ববীয়াই তেখেতৰ ১৪ ছেপ্টেম্বৰৰ তিলনীৰ দিনা প্ৰতিচ্ছবিত পুষ্পমাল্য অৰ্পণেৰে মমবাতি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়।

# কাছুমাৰাত পত্নী হত্যাৰ অভিযোগত স্বামীক জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ ছেপ্টেম্বৰ ঃ** অৱশেষত আৰক্ষীৰ জালত পৰিল ম'হচৰাৰ বোৱাৰী হত্যাকাৰীৰ মূল অভিযুক্ত মৃদুল হক। উল্লেখ্য যে যোৱা মঙলবাৰে বৰপেটা জিলাৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত ম'হচৰাত সংঘটিত হৈছিল এক ভয়ংকৰ বোৱাৰী হত্যাকাণ্ডৰ ঘটনা। মঙলবাৰে নিশাই মৃদুল হকে তেওঁৰ পত্নী নীলিমা খাতুনক পৰিয়ালৰ সহযোগত যৌতুকজনিত কাৰণত মৰিয়াই মৰিয়াই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিছিল। হত্যাকাণ্ড সংঘটিত কৰিয়েই আটাইকেইজন হৈ আছিল পলাতক। উক্ত ঘটনা সন্দৰ্ভত মৃত বোৱাৰীগৰাকীৰ পিতৃ পৰিয়ালে কাছুমাৰা আৰক্ষী থানাত হত্যাকাৰী মৃদুল হকৰ লগতে পৰিয়ালৰ কে'বাজনো লোকৰ বিৰুদ্ধে দাখিল কৰিছিল এজাহাৰ। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অব্যাহত ৰাখিছিল জোৰদাৰ তদন্ত। তদন্ত চলি থকাৰ মাজতে বোৱাৰী হত্যাকাণ্ডৰ মূল অভিযুক্ত স্বামী মৃদুল হকক আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত অতৰ্কিতে অভিযান চলাই গ্ৰেপ্তাৰ কৰি দেওবাৰে পুৱা বৰপেটা জে'ললৈ প্ৰেৰণ কৰে।



# নগৰবেৰা ৰাস ময়দান প্ৰাংগণত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ ছেপ্টেম্বৰ ঃ** পৰিবেশ সংৰক্ষণৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰা আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত আজি স্থানীয় ৰাস ময়দান প্ৰাংগণত এক বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতি বছৰৰ দৰে এইবাৰো নগৰবেৰাত পোন্ধৰ দিনীয়াকৈ বিস্তৃত ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হবলগীয়া আগন্তক ৯০ সংখ্যক ৰাস মহোৎসৱৰ উপলক্ষে হাতত লোৱা এই বৃক্ষৰোপণ কাৰ্যসূচীখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগৰবেৰা মৌজা কমিটিৰ সভাপতি উদয় শংকৰ মেধি। ইয়াৰ পিছত অঞ্চলটোৰ বহু কেইজন বিশিষ্ট লোক উপস্থিত থাকি বৃক্ষৰোপণ কৰে।অনুষ্ঠানটিত নগৰবেৰা মৌজা কমিটি, নগৰবেৰা আঞ্চলিক ৰাস মহোৎসৱ পৰিচালনাৰ সমিতিৰ বিষয়ববীয়াৰ লগতে অঞ্চলটোৰ কেবাজন অৱসৰপ্ৰাপ্ত শিক্ষক আৰু বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকে ।উদ্যোক্তাকলে আগন্তক ৰাস মহোৎসৱত সমূহ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।



# বড়মপুৰত '৪২ৰ চাৰি শ্বহীদক সুকীয়া সুকীয়াকৈ নিয়মমাফিক শ্ৰদ্ধাঞ্জলি অগপ-কংগ্ৰেছ-বিজেপিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বড়মপুৰত ১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চাৰি শ্বহীদলৈ আজি জনোৱা হয় নিয়মমাফিক শ্ৰদ্ধাঞ্জলি। প্ৰতি বছৰৰ ১৮ ছেপ্টেম্বৰ দিনটোতে বড়মপুৰৰ চাৰি শ্বহীদ ক্ৰমে ভোগেশ্বৰী ফুকননী, ঠগি সূত, বলো সূত আৰু লক্ষী হাজৰিকাৰ স্মৃতিত বিভিন্ন কাৰ্যসূচীৰে শ্বহীদ দিৱসটি পালন কৰা হয় যদিও এইবেলি তাৰ ব্যতিক্ৰম ঘটিল। এইবাৰ তিনিওটা দলেই কেৱল নিয়ম ৰখাৰ স্বাৰ্থতে মনত পেলালে শ্বহীদ কেইগৰাকীক। আজি পুৱা ভাগত অগপৰ নগাঁও জিলা সমিতিৰ সম্পাদক নিৰঞ্জন বৰাই লগত দুই-চাৰিজনমান লোকক লৈ শ্বহীদ বেদী আৰু শ্বহীদ উদ্যানত বন্তি প্ৰজ্বলন-পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক ৰকিবুল হুছেইন, নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰা, ভোটাই-পাঠৰী জিলা পৰিষদ সদস্য গীতাঞ্জলি হাজৰিকা প্ৰমুখ্যে কংগ্ৰেছৰ কেইগৰাকীমান কৰ্মী উপস্থিত হৈ শ্বহীদ বেদী আৰু শ্বহীদ উদ্যান একে পন্থাকে অৱলম্বন কৰে। অৱশেষত বড়মপুৰ সমষ্টি বিধায়ক জিতু গোস্বামী, তিৱা স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ প্ৰমুখ্যে বিজেপিৰ এটা দলেও নিয়মমাফিকভাৱে একেদৰে বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু দুপৰীয়া শ্বহীদ উদ্যানৰ ভৱনত নাম প্ৰসংগৰে কাৰ্যসূচী অন্ত পৰে। উল্লেখ্য যে কংগ্ৰেছ আৰু বিজেপিৰ উক্ত কাৰ্যসূচীত শ্বহীদ পৰিয়াল আৰু মুক্তিযোদ্ধা পৰিয়ালৰ কেইগৰাকীমান প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কোৱা বাহুল্য যে কংগ্ৰেছ শাসিত সময়ছোৱাত আৰু পৰৱৰ্তী সময়ত অগপ-বিজেপি মিত্ৰজোট চৰকাৰৰ দিনতো বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছিল শ্বহীদ দিৱস। কিন্তু এইবেলি এনেদৰে কিয় কৰিব লগা হ'ল বা অগপৰ হৈ প্ৰতিনিধি হিচাপে আহি নীৰৱে নিয়মমাফিক শ্ৰদ্ধাঞ্জলি জনাবলগীয়া হোৱাৰ কাৰণ স্পষ্টকৈ হ'লে নক'লে কোনোৱে।

## Name Correction

I, Ali Azgor Mondol S/O. Mokkel Ali , Vill. + P.S.- Mererchar, P.O- Kushbari, Dist. Bongaigaon ( Assam) but my name wrongly recorded Ali Azgar Mondal instead of Ali Azgor Mondol in my passport bearing No. K0160340 dated 24-07-2012. I declared Ali Azgar Mondal and Ali Azgor Mondol is one and same person through an affidavit before Notary public, North Salmara Sub Division, Abhayapuri on 31 August /2022.

# ধুবুৰীৰ বাউসমাৰীত জিলা বিজেপিৰ অ'বিচি মৰ্চাৰ কাৰ্যনিৰ্বাহক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ বাউসমাৰীত ধুবুৰী জিলা বিজেপিৰ এদিনীয়াকৈ কাৰ্যনিৰ্বাহক সভা সম্পন্ন হয়। পুৱা বিজেপিৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ধুবুৰী জিলাৰ সভাপতি উত্তম প্ৰসাদে পতাকা উত্তোলনেৰে জিলা কাৰ্যনিৰ্বাহক সভাৰ শুভাৰম্ভ কৰা হয়। পিছত বন্তি প্ৰজ্বলন, মাতৃ বন্দনাৰ পিছতে অনুষ্ঠিত হয় বিষয়ববীয়াৰ সভা। পিছত জিলা সভাপতিয়ে আদৰণী ভাষণ আগবঢ়ায়। ধুবৰী জিলা অ'বিচি মৰ্চাৰ সাধাৰণ সম্পাদিকা আই ভি লতাৰ শোক প্ৰস্তাৱ পাঠৰ লগে লগে ৰাজনৈতিক প্ৰস্তাৱ পাঠ কৰে জিলাৰ উপ-সভাপতি দেৱপ্ৰসাদ সিংহই। ৰাজনৈতিক প্ৰস্তাৱৰ সমৰ্থন আগবঢ়ায় অ'বিচি মৰ্চাৰ ৰাজ্যিক মিডিয়া চেলৰ সহঃ আহ্বায়ক গোবিন্দ অধিকাৰী আৰু জিলা বিজেপিৰ উপ-সভাপতি জগন্নাথ পালে। সভাত জিলা বিজেপিৰ সভাপতি প্ৰসেৎজিত দত্ত, সাধাৰণ সম্পাদকদ্বয় ক্ৰমে—বিশ্বজিৎ ৰায় আৰু ভাগীৰথ ওজা, প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰী, ৰাজ্যিক প্ৰভাৰী ৰমেশ চন্দ্ৰ ৰায়ৰ উপৰিও সাতটাকৈ মণ্ডলৰ সভাপতিসকল উপস্থিত থাকে।




# বঙাইগাঁৱত অসম আবকাৰী কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** অসম আৱকাৰী কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনখন দেওবাৰে এদিনীয়া কাৰ্যসূচীৰে বঙাইগাঁৱত অনুষ্ঠিত হয়। বঙাইগাঁৱৰ ড° আম্বেদকাৰ হলত অনুষ্ঠিত এই অধিবেশনত কৰ্মচাৰীসকলে ভোগ কৰি অহা বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি লগতে কেবাটাও দাবী উত্থাপন কৰে। অধিৱেশনত সংঘই আৱকাৰী বিভাগৰ স্থায়ী কাৰ্যালয় স্থাপন কৰা, ২৫-৩০ বছৰ ধৰি আৱকাৰী চিপাহীৰ কাম কৰাৰ পাছতো পদোন্নতি নোহোৱা কৰ্মচাৰীসকলৰ পদোন্নতিৰ ব্যৱস্থা গ্ৰহণ কৰা, বিভাগটোৰ গাড়ী আছে যদিও চালকৰ কোনো ব্যৱস্থা নথাৰ বাবে অতিশীঘ্ৰে বিভাগৰ এই গাড়ী সমূহৰ বিপৰীতে চালকৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে প্ৰয়োজনীয় ইন্ধন যোগান ধৰা , অতি লেহেমীয়া গতিৰ সলনি ৰাজ্য চৰকাৰৰ অইন বিভাগ সমূহৰ দৰে নিয়ম মতে আৱকাৰী বিভাগৰ সহ পৰিদৰ্শক সকলৰ পদোন্নতিৰ ব্যৱস্থা গ্ৰহণ কৰা , বিভাগটোৰ অধীনত মালখানা নিৰ্মাণ কৰা , মহিলা কৰ্মচাৰীৰ বাবে চেঞ্জিং কক্ষৰ ব্যৱস্থা কৰা , কৰ্মচাৰী সকলৰ বকেয়া এৰিয়াৰৰ ধন মোকলাই দিয়াৰ ব্যৱস্থা কৰা তথা স্থায়ী ভ্ৰমণ বোনাচ পুনৰ কাৰ্যকৰণ কৰাৰ দাবী উত্থাপন কৰে । উল্লেখ্য যে বন্তি প্ৰজ্বলনেৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হয় । বন্তি প্ৰজ্বলন কৰে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিদায়ী সভাপতি কুমুদ কুমাৰ কটকীয়ে। এই অধিৱেশনত ছাইফুদ্দিন আহমেদক সভাপতি আৰু ৰাজীৱ কাকতিক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয় ।

## ঃঃ নিবিদা ঃঃ

খৈৰাবাৰী উন্নয়ন খণ্ডত ৩ টা আঁচনিৰ বাবে নিবিদা বিচৰা হৈছে।

নিবিদা জমা দিয়াৰ শেষ তাৰিখ ঃ ২২-০৯-২০২২

তলত উল্লেখিত নথি পত্ৰ আৰু বেংক ড্ৰাফট নিবিদাৰ লগত গাঁথি দিব লাগিব।

উল্লেখ্য যে ১ শতাংশ খৈৰাবাৰী উন্নয়ন খণ্ড আৰু ০.০৩ শতাংশ প্ৰিন্সিপাল চেক্ৰেটাৰী, কোকৰাঝাৰৰ নামত ড্ৰাফ কাটিব লাগিব।

1% for ST & SC
2% for Genera!

**Name of works :**

1. Construction of Community Hall at Tomeswar Yoba Club under the 15th Finance commission United Fund for the year 2021-22.
   Estd. Amt. Rs. 14,80,500.00
2. Const. of road with E / F & S/G from Ghana Kt. House to Sareng Suba Muthura Deka house at Khoirabari Sareng under Kuhiarkuchi VCDC.
   Estd. Amt. Rs. 16,000,00.00
3. Const. of road with E/F & S/g from Kuchi's Soneswar Deka house to Hagramari Bathou Mandit via Binada Hazarikha including 1 Nos. HPC under Kuhiarkuchi VCDC.
   Estd. Amt. Rs. 16,50,000.00

খণ্ড উন্নয়ন বিষয়া
খৈৰাবাৰী উন্নয়ন খণ্ড
খৈৰাবাৰী, ওদালগুৰি

# গোসাঁইগাঁৱৰ কচুগাঁৱত আদিবাসী শান্তি চুক্তি স্বাক্ষৰকাৰীসকলক বিপুল আদৰণি




**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** অসমত বসবাস কৰা আদিবাসী সকলৰ দীৰ্ঘদিনীয়া সমস্যাৰ পথ প্ৰশস্ত লক্ষ্যৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সৈতে ১৫ ছেপ্তেম্বৰত আদিবাসীৰ পাঁচটাকৈ সশস্ত্ৰ সংগঠনৰ সৈতে নতুন দিল্লীত অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকত সম্পাদিত আদিবাসী শান্তি চুক্তিত স্বাক্ষৰকাৰী সকলক ১৬ ছেপ্টেম্বৰৰ নিশা শ্ৰীৰামপুৰত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শ্ৰীৰামপুৰ অঞ্চলত শান্তি চুক্তি স্বাক্ষৰকাৰী নেতৃবৰ্গই শ্ৰীৰামপুৰত উপস্থিত হোৱাৰ লগে লগে চুক্তি স্বাক্ষৰকাৰীসকলক আদিবাসী জনগোষ্ঠীৰ পৰম্পৰা নৃত্য-গীত প্ৰদৰ্শন কৰি ভৰি ধুৱাই, ফট্‌কা ফুটাই আনন্দ-উল্লাস কৰি আদৰণি জনায়। ১৭ ছেপ্টেম্বৰত কচুগাঁও পাব্লিক হাইস্কুল খেলপথাৰত আবেলি তিনি বজাত কচুগাঁও অঞ্চলৰ ছাত্ৰ সমাজকে ধৰি আদিবাসী পুৰুষ-মহিলা, আবাল,বৃদ্ধ-বনিতাসকলে হিল-দলভাঙি ওলাই আহি চুক্তি স্বাক্ষৰকাৰীসকলক আদিবাসী জনগোষ্ঠীৰ নিয়ম-নীতি পালন কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। অসমত বসবাস কৰা আদিবাসীসকলৰ প্ৰাপ্য অধিকাৰসমূহ আদায় কৰাৰ লক্ষ্যৰে সশস্ত্ৰ সংগ্ৰামৰ পাতনি মেলি বহু ঘাত-প্ৰতিঘাত প্ৰত্যাহ্বানৰ সন্মুখীন হৈ এজাক তেজাল যুৱকে সশস্ত্ৰ সংগ্ৰামত নামি পৰিছিল। শান্তি চুক্তি স্বাক্ষৰ কৰা আদিবাসী পাঁচটা বিদ্ৰোহী সংগঠনসমূহ ক্ৰমে আদিবাসী কোব্ৰা মিলিটাৰী অৱ আছাম, চাওতাল টাইগাৰ ফৰ্চ, বীৰছা ক'মাণ্ডো ফৰ্চ ,আদিবাসী পিপলছ আৰ্মী, অল আদিবাসী নেচনেল লিবাৰেচন আৰ্মীয়ে ২০১২ চনৰ ২৪ জানুৱাৰীত অস্ত্ৰ সম্বৰণ কৰিছিল। তেতিয়াৰ পৰাই সংগঠনৰ বিষয়ববীয়াসকলে আদিবাসীৰ শান্তি আলোচনাৰ পক্ষত থিয় দিছিল। তেতিয়াৰ পৰাই আলোচনা-ক্ৰমা গতিত আগবাঢ়ি যোৱা ১৫ ছেপ্টেম্বৰত নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আদিবাসী উগ্ৰপন্থীৰ পাঁচটাকৈ সংগঠন তিনিটা শাখা গোটৰ সৈতে এক ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰ কৰে। আদিবাসীৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ সমাধানৰ পথ প্ৰশস্ত হোৱাৰ ত্ৰিপাক্ষিক শান্তি চুক্তি হোৱাৰ খবৰ লাভ কৰাৰ লগে লগে গোসাঁইগাঁও মহকুমাৰ আদিবাসী অধ্যুষিত অঞ্চলত ফট্‌কা ,আতচবাজীয়ে ৰজন্‌জনাই উঠে আৰু সমান্তৰালভাৱে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ত্ৰিপাক্ষিক শান্তি চুক্তিৰ সুবাদত আদিবাসী অঞ্চলত চুক্তি স্বাক্ষৰকাৰীসকলে পদাৰ্পণ কৰাৰ লগে লগে ফটকা ফুটাই আনন্দ-উল্লাস কৰি আদৰণি জনোৱা পৰিলক্ষিত হৈছে। যোৱা কালি আদিবাসী বসতিপ্ৰধান অঞ্চল কচুগাঁও, কাশিয়াবাৰী, গুমনা আদি এলেকাত চুক্তি স্বাক্ষৰকাৰীসকলক বিপুলভাৱে আদৰণি জনায়। চুক্তি স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা তথা আদৰণী অনুষ্ঠানসমূহত গৃহমন্ত্ৰী অমিত শ্বাহ জিন্দাবাদ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জিন্দাবাদ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ আৰু চুক্তি স্বাক্ষৰকাৰীসকলৰ উচ্চাৰণ কৰি জিন্দাবাদ ধ্বনি দিয়ে। চুক্তি স্বাক্ষৰকাৰী আকমাৰ অধ্যক্ষ অসীম হাসদাই সংবাদ মাধ্যমৰ আগত কয় যে অসমৰ আদিবাসীসকলৰ বাবে এই ত্ৰিপাক্ষিক শান্তি চুক্তি দলিল হৈছে। এই দলিলে আদিবাসীসকলৰ উত্তৰণৰ দিশত এক ফলপ্ৰসূ সহায়ক হ'ব। শান্তি চুক্তি আদিবাসীসকলৰ মূল দাবী জনজাতিকৰণ বিষয়টো প্ৰথম দফাত সন্নিৱিষ্ট হৈছে। অসমত বসবাস কৰা আদিবাসীসকলৰ বাবে এয়া এক ঐতিহাসিক চুক্তি। দীৰ্ঘদিনৰ অন্তত আদিবাসীসকলৰ আৱেগ-অনুভূতিক মান্যতা প্ৰদান কৰি বিজেপি চৰকাৰে আদিবাসীৰ সমস্যাসমূহ সমাধানৰ পদক্ষেপ লৈ শান্তি চুক্তি কৰিলে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিআৰ চীফ প্ৰমোদ বড়ো, বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীক ধন্যবাদ জ্ঞাপন কৰে। এছটিএফৰ অধ্যক্ষ পাৰ্ছিয়াচ হেম্বৰম, আপাৰ অধ্যক্ষ মণ্ডল হাসদাই বিজেপি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

# মৈৰাবাৰীত কণ কণ ল'ৰা-ছোৱালীৰ বাবে চকলেটতকৈ প্ৰিয় হৈছে গুট্‌খা, স্বাস্থ্য বিভাগ নিৰ্বিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** যি সময়ত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে শিশুসকলৰ স্বাস্থ্য সুৰক্ষা নিশ্চিত কৰাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰি বিভিন্ন ধৰণৰ আঁচনি ৰূপায়নৰ মাধ্যমেদি অভিযান অব্যাহত ৰাখিছে আৰু আশা কৰ্মী সকলে তৃণমুল পৰ্যায়ৰ স্বাস্থ্য কৰ্মী হিচাপে গৰ্ভৱতী মাতৃ আৰু শিশুৰ যত্ন বিষয়ক সজাগতা কাৰ্যসুচী ৱাৰ্ডে ৱাৰ্ডে চলাই অহাৰ লগতে কিছুমান স্বেচ্ছাসেৱী সংসংস্থাই শিশু সুৰক্ষাৰ কাম কৰি আহিছে সেই সময়ত মৰিগাঁও জিলাৰ বৃহত্তৰ মৈৰাবাৰী অঞ্চলত বেছি সংখ্যক কণা কণ ল'ৰা ছোৱালীৰ বাবে চকলেটতকৈ গুটখা বেছি প্ৰিয় হোৱাৰ বাতৰিয়ে অঞ্চলটোৰ সচেতন ৰাইজৰ চকু কপালত তুলিছে।এই গুৰুত্বপূৰ্ণ বিষয়টোৱে শিশু সকলৰ স্বাস্থ্যৰ দিশত অশনি শংকেত কঢ়িয়াই আনিছে। অঞ্চলটোৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ প্ৰায়বোৰৰ আশে পাশে থকা পান দোকান,গেলামালৰ দোকান সমূহত ওলমাই থয় ৰং বিৰঙৰ গুটখা।যাৰ বাবে শিশু সকলে সহজে আকৰ্ষিত হৈ ক্ৰয় কৰি খায় গুটখা। বিভিন্ন সময়ত বিভিন্নজনে বিষয়টো ৰাজহুৱা কৰি অহাৰ পিছতো শিশুসকলৰ মাজত গুট্‌খা বিক্ৰী কৰা ব্যৱসায়ীসকলৰ বিৰুদ্ধে স্বাস্থ্য বিভাগ, শিক্ষা বিভাগে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস গোটাব নোৱাৰিলে। অভিভাৱকসকলৰ অধিকাংশই দেখিও নেদেখাৰ ভাও জুৰি শিশুসকলক অন্ধকাৰ ভৱিষ্যতেলৈ ঠেলি দিয়াৰ দৰে কাম কৰিছে।

## ৰাশিফলত আজিৰ দিনটো

২ আহিন, সোমবাৰ, ১৯ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ
তিথি ঃ কৃষ্ণা নৱমী, নক্ষত্ৰ ঃ আৰ্দ্ৰা, জন্ম ৰাশি ঃ মিথুন
সূৰ্যোদয়- ৫-১৩-৫০, সূৰ্যাস্ত- ৫-২১-২৭



■ **মেষ** ঃ ধন-শস্যাদি লাভ ■ **বৃষ** ঃ বিদ্যাথীৰ সুনাম ■ **মিথুন** ঃ সমস্যাৰ উদ্ধৰ ■ **কৰ্কট** ঃ পৰিশ্ৰম বৃদ্ধি ■ **সিংহ** ঃ বিবাহৰ আলোচনা ■ **কন্যা** ঃ পদোন্নতি ■ **তুলা** ঃ অভিনেত্ৰীৰ আনন্দ ■ **বৃশ্চিক** ঃ ব্যস্ততাৰে দিনটো ■ **ধনু** ঃ সফল ভ্ৰমণ ■ **মকৰ** ঃ ৰাজহুৱা সন্মান ■ **কুম্ভ** ঃ প্ৰশংসা লাভ ■ **মীন** ঃ উৎসৱত আনন্দ।



তেজপুৰত বিশ্বকৰ্মা পূজা উদ্‌যাপনৰ মুহূৰ্তৰ ছবি

# অসমৰ ২৭গৰাকী কাঠফুলা খেতিয়ক হিমাচলত উন্নত প্ৰশিক্ষণৰ বাবে চয়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ ছেপ্টেম্বৰ ঃ** দেওবাৰে অসমৰ পৰা ২৭জনীয়া স্বাৱলম্বী কাঠফুলা খেতিয়কৰ এটা দলে ৰে'লযোগে হিমাচল প্ৰদেশৰ ছ'লেনলৈ যাত্ৰা আৰম্ভ কৰিছে য'ত তেওঁলোকে ICAR- DMR [Indian Council of Agricultural Research-Directorate of Mushroom Research]ৰ পৰা উন্নত প্ৰশিক্ষণ লাভ কৰিব। এই কাৰ্যসূচীৰ নেতৃত্ব লোৱা ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশ কৃষক মৰ্চাৰ ৰাজ্যিক সম্পাদিকা ঈপ্সিতা বৰুৱাই জনোৱা মতে, উত্তৰ-পূৰ্ব ভাৰতৰ পৰা যোৱা অংশগ্ৰহণকাৰীসকলৰ বাবে এই প্ৰশিক্ষণ সম্পূৰ্ণ বিনামূলীয়া। ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ অংশগ্ৰহণকাৰীসকল এই ক্ষেত্ৰত অধিক আত্মনিৰ্ভৰশীল হোৱাৰ পৃষ্ঠপোষকতা কৰি আহিছে। তিনিদিনীয়া প্ৰশিক্ষণ গ্ৰহণ কৰিব ওলোৱা এই দলটোত ১০গৰাকী মহিলা অংশগ্ৰহণকাৰীৰ মাজত এগৰাকী হৈছে অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা নাং লাকী গগৈ, যি নিজেই এগৰাকী কাঠফুলা খেতিয়ক। বিজেপি কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিত বৰা, ৰাজ্যিক সাধাৰণ সম্পাদকদ্বয় ক্ৰমে—ইন্দ্ৰাণী তহবিলদাৰ আৰু নিবাৰণ লহকৰ প্ৰমুখ্যে ৰাজ্যিক সমিতিৰ নিলাদ্ৰী গুপ্তা সম্পাদক, তৃষ্ণা শৰ্মা কাৰ্যালয় সম্পাদিকা আৰু অনুৰাগ চলিহাই ৰে'ল ষ্টেচনলৈ গৈ কৃষকৰ দলটোক প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হোৱাৰ বাবে উৎসাহিত কৰে আৰু অভিনন্দন জনায়।

## ৰাজ্যিক বিজেপিৰ উইভিং কোষৰ সদস্য সুৰথ চন্দ্ৰ ৰায়ৰ পদত্যাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৮ ছেপ্টেম্বৰ ঃ** জনজাতিকৰণৰ ক্ষেত্ৰত অসমৰ ছয় জনগোষ্ঠীৰ লগতে কোচ-ৰাজবংশী জনগোষ্ঠীটোক ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে প্ৰতাৰণা কৰাৰ প্ৰতিবাদত অসম ৰাজ্যিক বিজেপি কমিটীৰ উইভিং কোষৰ সদস্য সুৰথ চন্দ্ৰ ৰায়ে আজি পদত্যাগ কৰিছে। ৰাজ্যিক বিজেপিৰ উইভিং কোষৰ সদস্য পদৰ লগতে বিজেপি দলৰ সাধাৰণ সদস্যৰ পৰাও সুৰথ চন্দ্ৰ ৰায়ে পদত্যাগ কৰা বুলি বিজেপিৰ কোকৰাঝাৰ জিলা কমিটীৰ সভাপতিলৈ প্ৰেৰণ কৰা পদত্যাগ-পত্ৰখনত ৰায়ে উল্লেখ কৰিছে। উল্লেখ্য যে সদ্য পদত্যাগী সুৰথ চন্দ্ৰ ৰায় ১৯৯৮ চনৰ পৰা ক্ৰমে গোসাঁইগাঁও মহকুমা বিজেপিৰ সাধাৰণ সম্পাদক, হাতীধূৰা মণ্ডল বিজেপিৰ সভাপতি, কোকৰাঝাৰ জিলা বিজেপিৰ উপ-সভাপতি আৰু পদত্যাগ কৰাৰ আগলৈকে অসম ৰাজ্যিক বিজেপিৰ উইভিং কোষৰ সদস্য হিচাপে কাৰ্যভাৰ বহন কৰি আছিল। মন কৰিবলগীয়া যে সুৰথ চন্দ্ৰ ৰায়ে সদৌ কোচ-ৰাজবংশী সন্মিলনীৰ গোসাঁইগাঁও জিলা কমিটীৰ সম্প্ৰতি সভাপতি হিচাপে দায়িত্ব বহন কৰি আছে।

## মেৰাপানীত পুখুৰীত মাছ ধৰোঁতে এজনৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৮ ছেপ্টেম্বৰ ঃ** পুখুৰীত মাছ ধৰিবলৈ গৈ এজন লোকৰ সলিল সমাধি হোৱা ঘটনাই সমগ্ৰ মেৰাপানী অঞ্চলত শোকৰ ছাঁ পেলাইছে। তথ্য মতে, মেৰাপানী থানাৰ অন্তৰ্গত চাউদাংপথাৰ ঘিলাধাৰীচুকত সংঘটিত হৈছে এই শোকাৱহ ঘটনা। গাঁওখনৰ থানেশ্বৰ শইকীয়া (৪৮) নামৰ ব্যক্তিজনে তেওঁৰ ঘৰৰ সমীপৰে ফণীধৰ বৰা নামৰ এজন লোকৰ পুখুৰীত মাছ ধৰি থাকোঁতেই পানীত ডুব যায় আৰু পৰিয়ালৰ লোকে মৃতদেহ উদ্ধাৰ কৰে।

## জোৰশিমুলীৰ পুৰাণকুঁছিয়াত শিশুৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ১৮ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীৰ পুৰাণকুঁছিয়াত আজি শিশু এটাৰ সলিল সমাধি ঘটে। জানিব পৰা মতে পুৰাণকুঁছিয়া গাঁৱৰ আশ্ৰফ আলীৰ পুত্ৰ ইলিয়াছ আলী (৩) আজি আকস্মিকভাৱে ঘৰৰ পৰা নিৰুদ্দেশ হয়। ইপিনে, পৰিয়ালৰ লোকে শিশুটোক বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰিও কোনো সন্ধান উলিয়াব নোৱাৰে। পিছত শিশুটিক ঘৰৰ ওচৰৰ পুখুৰীৰ পানীৰ পৰা উদ্ধাৰ কৰি ততাতৈয়াকৈ সোণতলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসকে পৰীক্ষা-নিৰীক্ষাৰ অন্তত শিশুটিৰ ইতিমধ্যে মৃত্যু হোৱা বুলি ঘোষণা কৰে। শিশুটিৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

### বৰডুমচা আৰক্ষীয়ে আটক কৰিলে গোলাঘাটৰ ড্ৰাগ্‌ছ মাফিয়া আব্দুল আহমেদক

## জব্দ ৩৩ গ্ৰাম হেৰ'ইনসহ ছুইফ্‌ট ডিজায়াৰ বাহন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৮ ছেপ্টেম্বৰ ঃ** ড্ৰাগ্‌ছ, কানি মাফিয়াৰ বাবে মূৰৰ কামোৰণি হৈছে তিনিচুকীয়া জিলাৰ বৰডুমচ থানৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাই। নিতু চাংমাই বৰডুমচা থানাত যোগদান কৰা পিছতেই বিগত তিনি মাহতেই ২৬গৰাকী মাফিয়াৰ ঠিকনা হৈ পৰিছে ৰঙাঘৰ। প্ৰতিদিনাই পুৱাৰ পৰা নিশালৈকে চলাই গৈ আছে অভিযান। আজি পুনৰ অভিযান চলাই বৰডুমচা আৰক্ষী থানাই। অৰুণাচল প্ৰদেশৰ সীমামূৰীয়াত বৰডুমচা অঞ্চল হোৱাৰ বাবেই ড্ৰাগছ, কানিৰ উভৈনদী হৈ পৰিছিল বুঢ়ীদিহিং মৌজাত। ড্ৰাগ্‌ছ, কানিৰ উভৈনদীক শেষ কৰি বুঢ়ীদিহিং মৌজাত সুস্থ বাতাৱৰণ দিবৰ বাবে অসম-অৰুণাচল সীমামূৰীয়াত অৱস্থিত বৰডুমচা আৰক্ষী থানাৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। বৃহস্পতিবাৰে বৰডুমচা থানাৰ বিভিন্ন অঞ্চলৰ ৪গৰাকী ড্ৰাগছ, কানি মাফিয়াক আটক কৰি জে'ল সাজুতলৈ প্ৰেৰণ কৰা পিছত আজি পুনৰ এজনক আটক কৰিবলৈ সক্ষম হৈছে। বিশেষ সূত্ৰ খবৰৰ ভিত্তিত মাৰ্ঘেৰিটা মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু বৰডুমচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাইৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে তিনিচুকীয়া চহৰৰ পৰা ড্ৰাগ্‌ছ মাফিয়াৰ পিছলৈ বৰডুমচাত আটক কৰে। উক্ত অভিযান কালতেই গোলাঘাট জিলাৰ উৰিয়ামঘাট থানাৰ অন্তৰ্গত বদয়াপুৰ গাঁৱৰ প্ৰয়াত আব্দুল ৰহিমৰ পুত্ৰ ড্ৰাগ্‌ছ মাফিয়া আব্দুল আহমেদক আটক কৰিবলৈ সক্ষম হয়। ড্ৰাগ্‌ছ মাফিয়া আব্দুল আহমেদে ডিমাপুৰৰ পৰা হেৰ'ইন আনি তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত যোগান ধৰা কথা বৃহস্পতিবাৰে আটক কৰা ড্ৰাগ্‌ছ মাফিয়া এজনে অৱগত কৰিছিল বৰডুমচা আৰক্ষী বিষয়াক। ড্ৰাগ্‌ছ মাফিয়া আব্দুল আহমেদে ব্যৱহাৰ কৰা এএছ ০৫ আৰ ০৩২৯ নম্বৰৰ ছুইফ্‌ট ডিজায়াৰ বাহনৰ পৰা উদ্ধাৰ কৰে ৩৩ গ্ৰাম হেৰ'ইন। ড্ৰাগ্‌ছ মাফিয়া আব্দুল আহমেদক আৰক্ষীৰ দলটোৱে জেৰা অব্যাহত ৰাখিছে। আব্দুল আহমেদৰ পৰা আৰক্ষীয়ে অধিক তথ্য লাভ কৰাৰ সম্ভাৱনা আছে। বৰডুমচাৰ আৰক্ষী বিষয়াই ক্ষিপ্ৰভাৱে ড্ৰাগ্‌ছ, কানিৰ বিৰুদ্ধে অভিযান চলোৱাক লৈ এতিয়া বৰডুমচা অঞ্চলৰ সচেতন মহলে প্ৰশংসা কৰিছে।

# ২১ ছেপ্টেম্বৰৰ পৰা গুৱাহাটীত 'লোকমন্থন'

## ■দ্বিতীয় দিনা আহিব উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখাৰ ■

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ ছেপ্টেম্বৰ ঃ** 'লোকমন্থন' আমাৰ দেশৰ সাংস্কৃতিক আৰু পৰম্পৰাগত সম্পদৰ সন্ধানত ৰাষ্ট্ৰীয় বৌদ্ধিক সংগঠন 'প্ৰজ্ঞা প্ৰৱাহ'ৰ দ্বাৰা সূচনা কৰা এক যাত্ৰা। ২১, ২২, ২৩ আৰু ২৪ ছেপ্টেম্বৰত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত 'লোকপৰম্পৰা'ক মুখ্য বিষয়বস্তু হিচাপে লৈ লোকমন্থন, ২০০২ৰ আয়োজনা কৰা হৈছে। অসম পৰ্যটন উন্নয়ন নিগমৰ সহযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক মঞ্চ (আইএফএনই) এই অনুষ্ঠানৰ স্থানীয় উদ্যোক্তা। ২০১৬ চনত 'ঔপনিৱেশ মুক্ত ভাৰতীয় মন' এই বিষয়বস্তুক গুৰুত্ব দি 'লোকমন্থন'ৰ প্ৰথম সংস্কৰণ অনুষ্ঠিত কৰা হৈছিল। ২০১৮ চনত অনুষ্ঠিত 'লোকমন্থন' দ্বিতীয় সংস্কৰৰ বিষয়বস্তু আছিল ভাৰত বোধ ঃ জন গণ মন; ভাৰতৰ ধাৰণা ঃ ৰাষ্ট্ৰ-সমাজ-মন। এই বছৰ গুৱাহাটীত 'লোকমন্থন'ৰ তৃতীয়টো সংস্কৰণৰ আয়োজন কৰা হৈছে। উক্ত বৰ্ষৰ দ্বি-বাৰ্ষিক আলোচনা-চক্ৰৰ বিষয়বস্তু হৈছে লোকপৰম্পৰা (লোক পৰম্পৰা) আৰু উক্ত আলোচনা-চক্ৰত লোকপৰম্পৰাই কেনেদৰে আমাৰ সাংস্কৃতিৰ চেতনা অক্ষুণ্ণ ৰখাৰ লগতে ৰাষ্ট্ৰীয় স্বাতন্ত্ৰ্যৰ অনুভূতি শক্তিশালী কৰিছে সেই সম্পৰ্কে আলোচনা কৰা হ'ব। 'লোকমন্থন' এনে এক উপলক্ষ য'ত দেশৰ বিভিন্ন প্ৰান্তৰ শিল্পী, বুদ্ধিজীৱী আৰু শিক্ষাবিদসকল একত্ৰিত হয় আৰু তেওঁলোকে সমাজক বাৰে বাৰে প্ৰত্যাহ্বান জনোৱা সংশয়পূৰ্ণ প্ৰশ্নবোৰৰ এক সুমীমাংসা কৰি সম্ভল নেতৃত্বৰে সভ্যতাৰ প্ৰতিনিধিত্ব কৰিবলৈ সমাজক প্ৰস্তুত কৰা সন্দৰ্ভত গভীৰ চিন্তা-চৰ্চা কৰে। ইয়াৰ উপৰি অনুষ্ঠানৰ বিভিন্ন আলোচনা, অধ্যয়ন-চক্ৰ, সাংস্কৃতিক অনুষ্ঠান আৰু ৰাষ্ট্ৰৰ সমৃদ্ধিশালী বৈচিত্ৰ্যতা প্ৰদৰ্শন কৰা হ'ব। ২২ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত অনুষ্ঠানটোৰ এক




উদ্বোধনী অধিৱেশনৰ আয়োজন কৰা হৈছে। ভাৰতৰ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখাৰ অনুষ্ঠানটোত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব। লগতে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল, অধ্যাপক জগদীশ মুখী আৰু বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ২১ ছেপ্টেম্বৰৰ সন্ধিয়া ৫ বজাত প্ৰদৰ্শনী তথা সাংস্কৃতিক অনুষ্ঠানৰ আনুষ্ঠানিক উদ্বোধন কৰা হ'ব। সন্ধিয়াৰ অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিব অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগ, ৰাজহুৱা উদ্যোগ আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই, মণিপুৰ আৰু ৰাজ্যসভাৰ সদস্য মহাৰাজা লেইচেম্বা চানাজাওবা আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ তীৰ্থাংক দাস কলিতাই। আনহাতে, 'লোকমন্থন' আয়োজন কৰা বৌদ্ধিক আলোচনা চক্ৰসমূহ সম্বোধন কৰিব ত্ৰিপুৰাৰ উপ-মুখ্যমন্ত্ৰী জিষ্ণু দেৱবৰ্মাই। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলো অনুষ্ঠানত উপস্থিত থাকিব। ২৪ ছেপ্টেম্বৰৰ সামৰণী অধিৱেশনত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান। বিশিষ্ট বুদ্ধিজীৱী, প্ৰসিদ্ধ শিল্পী আৰু শিক্ষাবিদসকলে বিভিন্ন অধিৱেশনত অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰিও চাৰিদিনীয়া এই অনুষ্ঠানত ৰাষ্ট্ৰৰ সমৃদ্ধিশালী বৈচিত্ৰ্য প্ৰদৰ্শনসূচক বিভিন্ন আলোচনা-চক্ৰ, সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। ভাৰতৰ হাজাৰ বছৰীয়া পুৰণি সংস্কৃতি, ইতিহাস, ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি উক্ত বৰ্ষত 'লোকমন্থনে' আমাৰ জনগোষ্ঠীসমূহৰ সাংস্কৃতিক অনুশীলনত সংযুক্ত হৈ থকা পৰম্পৰাগত সম্পদৰ প্ৰদৰ্শনৰ সৈতে লোকপৰম্পৰাৰ সৌন্দৰ্য উপস্থাপন কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ এটা পৰিয়ালত জীৱনশৈলী অন্বেষণৰ পৰা কলা আৰু শিল্পীলৈকে, মাজুলীৰ মুখা নিৰ্মাণৰ পৰা মণিপুৰৰ চাগোল কাংজেইলৈকে, পৰম্পৰাগত বাদ্যযন্ত্ৰৰ পৰা লোক সংগীতলৈকে, উত্তৰ-পূৰ্বাঞ্চলৰ কিংবদন্তীসকলৰ পৰা ঐতিহাসিক শ্বহীদসকলক পুনৰ দৰ্শন কৰালৈকে, এই বৰ্ষৰ লোকমন্থন আশ্বৰ্যময় ভাৰতৰ গৌৰৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। লোকমন্থনে আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ তিনিটা সন্ধিয়াও আয়োজন কৰিছে। মেঘালয়ৰ ৱাংগালা নৃত্য, মিজোৰামৰ চেৰাও নৃত্য, সত্ৰীয়া নৃত্য, অসমৰ বিহু নৃত্য, ত্ৰিপুৰাৰ হোজাগিৰি নৃত্য, নাগালেণ্ডৰ আও যোদ্ধাৰ নৃত্য, অৰুণাচল প্ৰদেশৰ য়াক নৃত্য আৰু চিংঘি চাম-নৃত্য, মণিপুৰৰ ঢোল চলম আৰু থাংটা নৃত্য আদিৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰঙীন লোক-নৃত্যৰ বৰ্ণাঢ্যতাৰ উপৰিও অঞ্চলটোৰ প্ৰতিভাৱান শিল্পীসকলে এই সন্ধিয়াবোৰত নিজস্ব প্ৰতিভা প্ৰদৰ্শন কৰিব। সাংস্কৃতিক অনুষ্ঠানত সমগ্ৰ ভাৰতৰ বিভিন্ন নৃত্য প্ৰকাৰ যেনে যক্ষগান, জিঝোতি নৃত্য আদিও প্ৰদৰ্শিত হ'ব। ২১ ছেপ্টেম্বৰৰ পৰা ২৩ ছেপ্টেম্বৰলৈ প্ৰতি সন্ধিয়া উত্তৰ-পূব ভাৰতৰ কেইজনমান প্ৰসিদ্ধ সংগীতজ্ঞ যেনে মণিপুৰৰ জনপ্ৰিয় লোক দল মাংকা লাইহুই, নাগালেণ্ডৰ প্ৰখ্যাত সংগীত ভগ্নীদ্বয় টেটচিও চিষ্টাৰছ, অসমৰ জনপ্ৰিয় সংগীত শিল্পী কল্পনা পাটোৱাৰী, নীল আকাশ, দিক্ষু আৰু ময়ুৰী দত্তই মঞ্চৰ শোভা বৃদ্ধি কৰিব। অনুষ্ঠানৰ প্ৰৱেশ বিনামূলীয়া। 'লোকমন্থন' আমাৰ সাংস্কৃতিক ঐতিহ্যসমূহ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্ন সাধনা অব্যাহত ৰখা বুদ্ধিজীৱী আৰু বৃত্তিধাৰীসকলক সংযোগ কৰাৰ এক প্ৰয়াস। এই কাৰ্যসূচীয়ে উত্তৰ-পূৱ ভাৰতৰ লোক পৰম্পৰা সন্দৰ্ভত সজাগতা সৃষ্টি কৰিব আৰু ভাৰতৰ মহান ঐতিহাসিক সম্ভাৱনাক উপস্থাপন কৰিব বুলি আশা কৰা হৈছে। ১৮ ছেপ্টেম্বৰত ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ, শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত অনুষ্ঠিত হৈ যোৱা সংবাদমেলখনি সম্বোধন কৰে জে নন্দকুমাৰ, ৰাষ্ট্ৰীয় আহ্বায়ক, প্ৰজ্ঞা প্ৰৱাহ, ড° গাৰ্গী শইকীয়া মহন্ত, কাৰ্যকৰী সভাপতি, লোকমন্থন, ড° হীৰকজ্যোতি শৰ্মা, সাধাৰণ সম্পাদক, আই এফ এন ই। অনুষ্ঠানটো পৰিচালনা কৰে সুৰঞ্জন দত্ত, যুটীয়া সম্পাদক, লোকমন্থন, ২০২২।

## এনএছএছৰ শ্ৰেষ্ঠ প্ৰ'গ্ৰেম অফিচাৰৰ বঁটা লাভ বি বৰুৱা মহাবিদ্যালয়ৰ ড° সত্যব্ৰত বৰুৱাৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰিব এই সন্মান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ ছেপ্টেম্বৰ ঃ** অসমবাসী তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলবাসীৰ বাবে এটা সুখবৰ। ২০২০-২১ বৰ্ষৰ প্ৰ'গ্ৰেম অফিচাৰ শিতানত নেচনেল ছাৰ্ভিছ স্কীম বঁটা লাভ কৰিছে অসমৰ আগশাৰীৰ মহাবিদ্যালয় বি বৰুৱা মহাবিদ্যালয়ৰ এনএছএছ গোটৰ প্ৰ'গ্ৰেম অফিচাৰ ড° সত্যব্ৰত বৰুৱাই। অহা ২৪ ছেপ্টেম্বৰত নতুন দিল্লীস্থিত ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হলত এই বঁটা প্ৰদান কৰা হ'ব। দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰদান কৰিব এই বঁটা। নিজৰ ঐকান্তিক প্ৰচেষ্টাৰে বি বৰুৱা মহাবিদ্যালয়ৰ এনএছএছ গোটটোৰ নেতৃত্ব দি গোটটোক এক সুকীয়া মৰ্যাদা দিয়া ড° বৰুৱাই ইতিপূৰ্বে বিশ্ববিদ্যালয় পৰ্যায়ত শ্ৰেষ্ঠটাৰ বঁটা লাভ কৰাৰ লগতে ২০২০-২১ বৰ্ষৰ ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ প্ৰ'গ্ৰেম অফিচাৰৰ সন্মানো লাভ কৰিছিল। ২০১৪চনৰ পৰা মহাবিদ্যালয়খনৰ এনএছএছ গোটটোৰ প্ৰ'গ্ৰেম অফিচাৰৰ দায়িত্ব লৈ আজিকোপতি সুকলমে পৰিচালনা কৰা ড° বৰুৱাৰ উদ্যোগত অসমৰ ভিন্ন প্ৰান্তত বহুকেইটা সমাজ সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এইদৰে দীৰ্ঘদিনে মহাবিদ্যালয়খনৰ এনএছএছ ইউনিটটোক নেতৃত্ব দিয়া ড° সত্যব্ৰত বৰুৱাৰ এই প্ৰাপ্তি নিঃসন্দেহে এক যোগ্য সন্মান হিচাপে বিবেচিত হৈছে। উল্লেখ্য যে বি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ড° সত্যব্ৰত বৰুৱাই অইন সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। তদুপৰি মহাবিদ্যালয়খনত বিভিন্নধৰণৰ গঠনমূলক অনুষ্ঠান আয়োজন কৰাতো আগভাগ লৈ আহিছে ড° বৰুৱাই।

## ডিমাপুৰত দুৰ্ঘটনাত মৃত্যু চাপৰমুখৰ যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৮ ছেপ্টেম্বৰ ঃ** চাপৰমুখৰ সমীপৰ তথা কামপুৰ থানাৰ অন্তৰ্গত নেলিপাৰ নিৱাসী অজয় দাস (৩৯)ৰ যোৱা ১১ ছেপ্টেম্বৰত ডিমাপুৰত দুৰ্ঘটনাত পতিত হৈ মৃত্যু হয়। জানিব পৰা মতে, ডিমাপুৰত ষ্টীল ফেব্ৰিকেচনৰ কাম কৰা অজয়ে এখন ৱেগন আৰ গাড়ীৰে কোহিমালৈ গৈ থকা অৱস্থাত বিপৰীতমুখী এখন ট্ৰাকৰ সৈতে মুখামুখি সংঘৰ্ষ হয় আৰু ফলত অজয়ৰ মৃত্যু হয়। অতি অমায়িক, নম্ৰ স্বভাৱৰ যুৱকজনৰ মৃত্যুত চাপৰমুখ আৰু নেলিপাৰত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত অজয়ে পত্নীসহ এটি পুত্ৰ আৰু এগৰাকী কন্যাক এৰি গৈছে।

### জনজাতিকৰণৰ ক্ষেত্ৰত অসমৰ ছয় জনগোষ্ঠীক প্ৰতাৰণা কেন্দ্ৰীয় চৰকাৰৰ


## জাঁজী হাঁহচৰাত মটক যুৱ-ছাত্ৰ সন্মিলনৰ দ্বাৰা প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৮ ছেপ্টেম্বৰ ঃ** সদৌ অসম মটক যুৱ সন্মিলনে অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰি প্ৰতাৰণা কৰাৰ অভিযোগ তুলি যোৱা ১৭ ছেপ্টেম্বৰত জাঁজী হাঁহচৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰে। মটক যুৱ সন্মিলনৰ জাঁজী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু মটক মহিলা সন্মিলনৰ সহযোগত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত মটক যুৱ সন্মিলনৰ যোৰহাট জিলা সমিতিৰ সভাপতি নৱীন গগৈ, সাধাৰণ সম্পাদক হয়গ্ৰীৱ মাধৱ বৰুৱা, কেন্দ্ৰীয় সমিতিৰ আকাশ চেতিয়া, মটক মহিলা সন্মিলনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা দুলুমণি বৰুৱা বৰা, মটক মহিলা সন্মিলনৰ যোৰহাট জিলা সভানেত্ৰী গীতিমণি চেতিয়া আৰু সম্পাদিকা মিতালী মিতালী বুঢ়াগোহাঁইসহ শতাধিক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## ডিমৌত বিদাৰক ঘটনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰৰ ডিমৌত সংঘটিত হৈছে এক হৃদয়বিদাৰক ঘটনা। দুই সন্তানৰ কাষতে শুই থকা পত্নীক ডিঙি চেপি পত্নীক অতি নিৰ্মমভাৱে হত্যা কৰিলে পাষাণ সুনামত্ব স্বামীয়ে। যোৱানিশা ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত ডিমৌ নদী কাষৰ ভেকেলাই গাঁৱত সংঘটিত হৈছে এই পাশৱিক ঘটনা। ভেকেলাই গাঁৱৰ নিৱাসী জয়ন্ত গগৈ নামৰ দানৱৰূপী স্বামীয়ে পত্নী তথা দুই কণমাণি সন্তানৰ মাতৃ ৰেণু গগৈক সামান্য কথাতে সুৰামত্ত হৈ অতি নিৰ্মমভাৱে হত্যা কৰে। সন্তানৰ সন্মুখতে নিশাৰ ভাগত হাতেৰে আৰু ৰছীৰে ডিঙি চেপি পত্নীক হত্যা কৰে বুলি নিজ কণমাণি সন্তানে প্ৰকাশ কৰিছে। পুৱাৰ ভাগত এই সম্পৰ্কে চুবুৰীয়াৰ পৰা জানিব পাৰি আৰক্ষীয়ে বিছনাত পৰি থকা অৱস্থাত ৰেণুৰ মৃতদেহ উদ্ধাৰ কৰে। ইফালে, ঘৰৰ ভিতৰত শুই থকা অৱস্থাত হত্যাকাৰী জয়ন্ত গগৈক ডিমৌ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

## শ্ৰদ্ধাঞ্জলি
## দণ্ডিৰাম চহৰীয়া



মঙলদৈ চহৰৰ পুৰণি পৰিয়ালসমূহৰ ভিতৰত অন্যতম হৈছে চহৰৰ ভেবাৰঘাটৰ ৯ নম্বৰ ৱাৰ্ডৰ চহৰীয়া পৰিয়ালটো। টংলা পথৰ দুয়োটা দাঁতিত বিস্তৃত হৈ আছে তেখেতসকলৰ পৰিয়ালটো। এই চহৰীয়া পৰিয়ালটোৰ আটাইতকৈ বয়োজ্যেষ্ঠ ব্যক্তি দণ্ডিৰাম চহৰীয়াদেৱৰ যোৱা ৭ ছেপ্টেম্বৰত ৯২ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত নিজ ঘৰত পৰলোকপ্ৰাপ্তি ঘটে। বন্ধুবৎসল, স্থিতপ্ৰজ্ঞ, ভোজনবিলাসী চহৰীয়া ডাঙৰীয়াৰ সহজতে সকলোকে আপোন কৰি ল'ব পৰা গুণটোৱে মানুহক মোহিত কৰিছিল। অথৰ্ব অৱস্থাতো সততে পৰিয়াল, আত্মীয়, চুবুৰীয়াৰ কুশল বাৰ্তা ল'বলৈ পাহৰা নাছিল। এক কথাত তেখেত আছিল এগৰাকী সমাজপ্ৰিয় ভদ্ৰলোক। মঙলদৈত জন্মগ্ৰহণ কৰা চহৰীয়াদেৱে বিগত শতিকাৰ পঞ্চম দশকৰ শেষৰফালে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত নগাঁও বিটি কলেজৰ পৰা বিটি পাছ কৰি ১৯৬১ চনত পশ্চিম ৰঙামাটি বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰিছিল। পৰৱৰ্তী কালত ১৯৬৪ চনত বিদ্যালয়ৰ উপ-পৰিদৰ্শক হিচাপে চাকৰিত যোগদান কৰি ঢেকীয়াজুলি, বিশ্বনাথ চাৰিআলি আদি ঠাইত সেৱা আগবঢ়ায়। ১৯৯২ চনত অৱসৰৰ পূৰ্বে বিদ্যালয়ৰ সহকাৰী পৰিদৰ্শক হিচাপে গোলাঘাট, নলবাৰী আদিত সুখ্যাতিৰে কাম কৰে। সুদীৰ্ঘ জীৱন পৰিক্ৰমাত নিয়াৰিকৈ সকলো কাৰ্য সম্পাদন কৰি চহৰীয়াদেৱে পৰলোক গমনত আমিও মৰ্মাহত হৈছোঁ। তেখেতৰ অবৰ্তমানত তেখেতৰ পৰিয়ালটোক জীৱন যুঁজত আগুৱাই যোৱাত সহায় কৰক, লগতে তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

হেমচন্দ্ৰ পাঠক

## কাকপথাৰ স্বাস্থ্য কেন্দ্ৰৰ ডাঃ টিকেন্দ্ৰজিৎ শৰ্মাক ৰোগীৰ আত্মীয়ৰ প্ৰহাৰ

### এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ১৮ ছেপ্টেম্বৰ ঃ** কাকপথাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত একেৰাহে ৩০ বছৰৰ ওপৰ কাল নিষ্ঠা আৰু সততাৰে চিকিৎসা প্ৰদান কৰি অহা সৰ্বৰহী চিকিৎসক ডাঃ টিকেন্দ্ৰজিৎ শৰ্মাক কালি সন্ধিয়া ৬.৩০ মান বজাত কৰ্তব্যৰত অৱস্থাতে এজন ৰোগীৰ আত্মীয়ই অনাহকতে অশালীন ব্যৱহাৰ কৰাৰ উপৰিও শাৰীৰিকভাৱে অপদস্থ কৰাক লৈ চহৰখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চিকিৎসালয়খনত নিৰাপত্তাৰ অভাৱতে ঘটনাটো ঘটে বুলি চিকিৎসালয়খনৰ বিষয়া-কৰ্মচাৰীসকলে অভিযোগ কৰিছে। ঘটনাৰ পিছতে চিকিৎসকগৰাকীয়ে কাকপথাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে যদিও ঘটনাটো সংঘটিত কৰিয়েই পলায়ন কৰা অভিযুক্ত ৰঙাজান নগাঁৱৰ ডিম্বেশ্বৰ মৰাণৰ পুত্ৰ অচ্যুৎ মৰাণক আৰক্ষীয়ে এই বাতৰি লিখা পৰলৈ গ্ৰেপ্তাৰ কৰিব পৰা নাই বুলি জনা গৈছে। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে নিজৰ মটৰচাইকেলেৰে ৰূপাইৰ ঘৰৰ পৰা কাকপথাৰ অভিমুখে গৈ থকা সুৰাসক্ত কল্যাণ গগৈ (৫২)য়ে কুমচাং চাহ বাগিচাৰ ওচৰত অইন এখন মটৰচাইকেলক খুন্দা মৰাত কল্যাণ গগৈ পথৰ ওপৰত পৰি যোৱাত সোঁহাতৰ কিলাকুটি বেয়াকৈ ভাঙি যায়। সেই সময়ত পথটোৰে গৈ থকা এখন অটোৱে দেখি আহত গগৈক কাকপথাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। স্বাস্থ্য কেন্দ্ৰটোত সেই সময়ত কৰ্তব্যৰত চিকিৎসক ডাঃ টিকেন্দ্ৰজিৎ শৰ্মাই তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰে আৰু কোনো এগৰাকী হাড়ৰ চিকিৎসকৰ ওচৰলৈ যাবলৈ পৰামৰ্শ প্ৰদান কৰি অইন ৰোগী চোৱা-চিতাত মগ্ন হয়। তেনে সময়তে ৰোগীৰ আত্মীয় অচ্যুৎ মৰাণ সুৰামত্ত অৱস্থাত চিকিৎসকগৰাকীৰ ওচৰলৈ আহি কল্যাণ গগৈক উপযুক্ত চিকিৎসা প্ৰদান নকৰাৰ অভিযোগ তুলি তেনে আইনবিৰুদ্ধ কাম কৰে। ডাঃ টিকেন্দ্ৰজিৎ শৰ্মাৰ প্ৰতি ৰোগীৰ আত্মীয়জনে প্ৰদৰ্শন কৰা দুৰ্ব্যৱহাৰত কাকপথাৰৰ লগতে ডুমডুমাৰ চিকিৎসকসকলো জাঙুৰ খাই উঠিছে আৰু অভিযুক্তৰ ওপৰত আইনী ব্যৱস্থা নল'লে কৰ্মবিৰতি পালন কৰাৰ হুমকি দিয়াৰ বতৰা পোৱা গৈছে। অসমৰ বিভিন্ন চিকিৎসালয়ত এনে ঘটনাবোৰ সংঘটিত হৈ থকা সত্বেও চৰকাৰে চিকিৎসক আৰু তাৰ কৰ্মচাৰীসকলৰ নিৰাপত্তাৰ দিশটোত গুৰুত্ব প্ৰদান নকৰাত চৰকাৰৰ ফোঁপোলা স্বৰূপটো ওলাই পৰিছে বুলি ৰাইজে সমালোচনা কৰিছে। লগতে কাকপথাৰ অঞ্চলটোৰ কে'বাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনসহ কৰ্মচাৰী পৰিষদে দোষীক কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে।

## কয়াকুছিত অসম কৃষক পৰিষদৰ সভা ঃ শতাধিকৰ অগপত যোগদান

**দৈনন্দিন বাৰ্তা সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ১৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কয়াকুছি মহাবিদ্যালয়ত আজি অসম কৃষক পৰিষদৰ এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। অসম গণ পৰিষদৰ সৰুক্ষেত্ৰী সমষ্টি কমিটীৰ সভাপতি চিত্তৰঞ্জন বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমষ্টি কমিটীৰ সম্পাদক মফিজুদ্দিন আহমেদে। আগন্তুক লোকসভা নিৰ্বাচন, অগপৰ ভাতৃ সংগঠন, কৃষক পৰিষদৰ সমষ্টি আৰু আঞ্চলিক কমিটীৰ লগতে অগপৰ প্ৰতিষ্ঠা দিৱস সফল কৰাৰ উদ্দেশ্য সন্দৰ্ভত অনুষ্ঠিত উক্ত সভাত ক্ৰমে—অসম গণ পৰিষদৰ মুখপাত্ৰ ধৰ্মেশ্বৰ ৰয়, অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰঞ্জিত ডেকা, কৃষক পৰিষদৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি পৰেশ বৈশ্য, জিলা সভাপতি অশোক বৰা, সৰুক্ষেত্ৰী সমষ্টি কমিটীৰ সম্পাদক গিৰীন ৰয়, কেন্দ্ৰীয় যুৱ পৰিষদৰ সাধাৰণ সম্পাদক জাহিৰ চৌধুৰী, কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য আবুবাক্কাৰ ছিদ্দিক, জনকল্যাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আবুল পাশান দেৱানকে আদি কৃষক পৰিষদ, যুৱ পৰিষদ, মহিলা পৰিষদৰ জিলা আৰু আঞ্চলিক পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত নেতৃবৃন্দই তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। উল্লেখ্য যে এই সভাত প্ৰায় শতাধিক বিভিন্ন দল-সংগঠনৰ কৰ্মী-সমৰ্থকে আনুষ্ঠানিকভাৱে অগপত দলত যোগদান কৰে। পিছে তেওঁলোকক দলৰ নেতৃবৃন্দই একোখনকৈ ফুলাম গামোচাৰে উষ্ম আদৰণি জনায়।



তেজপুৰত দেওবাৰে ৰক্তদান শিবিৰত সেনাবাহিনীৰ জোৱানৰ ৰক্তদান

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Assam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# অসমৰ সংস্কৃতিৰ সমৃদ্ধিকৰণত পৰিৱেশ্য কলাৰ অৱদান

■ মুনমী বুঢ়াগোহাঁই দত্ত

অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজী Culture পদৰ সমাৰ্থক ৰূপে 'সংস্কৃতি' পদটো ব্যৱহাৰ কৰা দেখা যায়। সংস্কৃতি পদটো সংস্কাৰৰ লগতে বিশেষভাৱে জড়িত। কোনো কোনোৱে সেয়েহে ইংৰাজী 'culture 'পদৰ পৰিভাষা ৰূপে কৃষ্টি পদটো ব্যৱহাৰ কৰে। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ল'লেই সংস্কৃতিৰ জন্ম হয়। একেটা ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিক কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি আৰু এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৰ নামেই সংস্কৃতি। কৃষিৰ বাবে পথাৰত হাল বোৱা বা কোৰ মৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱা বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি। লোক সংস্কৃতি বা folk -lore পৰিভাষাটো বিভিন্নজনে বিভিন্নভাৱে মতবাদ আগবঢ়াইছে। লোকজ্ঞান আৰু লোক অভিজ্ঞতাক সূচাবৰ বাবে ১৮৪৬ চনত ইংৰাজ পণ্ডিত উইলিয়াম থমছয়ে, folklore পদটো ব্যৱহাৰ কৰে আৰু অতি কম সময়ৰ ভিতৰতেই ই আন্তৰ্জাতিক সমাদৰ লাভ কৰে। বিভিন্ন পণ্ডিতে folklore পদৰ অৰ্থ বিভিন্নভাৱে দিছে। জাৰ্মান পণ্ডিতৰ মতে জনসংস্কৃতি বা লোক সংস্কৃতি-জনসাধাৰণৰ কবিতা (the poetry of the people, folk creation). Y.M.Sokolov-ৰ মতে লোকবিদ্যা বা লোকসংস্কৃতিৰ এটা প্ৰধান বিশেষত্বই সমন্বয়ৰ প্ৰৱণতা ব্যঞ্জ কৰে। ইয়াৰ ফলস্বৰূপে অন্য কলা বা শিল্পৰ লগত বাচিক কলা বা শিল্পৰ এক অপৰিহাৰ্য সম্পৰ্ক ৰক্ষিত হৈ আহিছে । তেওঁৰ ভাষাত ঃ 'One of the peculiarities of folk lore is seen to be the presence within it of aspects of syncretism ,that is,the inevitable connection between the oral works and elements of the other arts.' সাধাৰণভাৱে ক'ব গ'লে যিবোৰ কলাৰ আনুষ্ঠানিকতা বা অন্যান্য ৰূপত পৰিৱেশনীয় ৰূপ এটা থাকে, যেনে-গীত, নৃত্য, নাট্য-সেইবোৰেই পৰিৱেশ্য কলা। প্ৰাথমিক অৱস্থাত সকলোধৰণৰ পৰিৱেশ্য কলাই সৃষ্টি হৈছিল লোক সমাজত। লোক সমাজ মূলতঃ কৃষিভিত্তিক। কৃষিভিত্তিক সমাজৰ দৈনন্দিন জীৱনৰ লগত জড়িত হৈ আছে বিভিন্ন বিশ্বাস, আচাৰ-অনুষ্ঠান, বিভিন্ন ধৰ্মীয় পৰম্পৰা তথা লোকমনোৰঞ্জন। কৃষি কাৰ্যৰ আৰম্ভণিৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে নাৰী-পুৰুষৰ উৰ্বৰাজনিত বিবিধ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা, লোকমনোৰঞ্জন, কৰ্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰকৰ আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয়। এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিকেই লোকপৰিৱেশ্য কলা বোলা হয়। পৰিৱেশ্য কলা সম্পৰ্কে ভাৰতৰ এগৰাকী প্ৰখ্যাত কলাতত্ত্ববিদ কপিলাবিদ ব্যাৎসায়নৰ এষাৰ মন্তব্য উল্লেখ কৰিব পাৰি- 'গ্ৰাম্য সমাজৰ, মূলতঃ কৃষিকৰ্মৰ জড়িত এচাম পাৰদৰ্শী গায়ক, নৰ্তক, অভিনেতা ক্ৰমান্বয়ে এনে পৰিৱেশ্য কলাসমূহৰ ধাৰাক তথা বাহকৰ স্বাৰ্থত কৃষি কৰ্মৰ সৈতে বিচ্ছিন্ন হৈ এই কলাসমূহ বৃত্তিধাৰী হৈ পৰিল। নৱ বৈষ্ণৱ আন্দোলনৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ দৰে অসমতে বিভিন্ন ধৰণৰ পৰিৱেশ্য কলাৰ সৃষ্টি হয়। মূলতঃ জনসমাজক ওচৰ চপাই আনিবৰ বাবেই শংকৰদেৱ প্ৰমুখ্যে বৈষ্ণৱ কবিসকলে বিভিন্ন পৰিৱেশ্য কলাৰ সৃষ্টি কৰিলে। এই সকলোবোৰ বিষয়ৰ ভিতৰত অসমৰ লোকনৃত্য বিষয়ে বহলাই আলোচনা কৰা হ'ল। লোকনৃত্য সংজ্ঞা সাধাৰণভাৱে এনেদৰে দিব পাৰি ঃ লোক বা চহাসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্যই লোকনৃত্য। প্ৰত্যুত্তৰত ক'ব পাৰি যে যি নৃত্য ৰীতিবদ্ধ,পৰিমাৰ্জিত আৰু সুগঢ়ি নহয় তেনে নৃত্যই লোকনৃত্য। বহুতৰ মতে যৌথ নৃত্যই (balet dance) লোকনৃত্য। কোনো কোনোৱে 'Character Dance' বা Characteristic Dance'কেই লোকনৃত্য আখ্যা দিব খোজে। যি পৰম্পৰাগত নৃত্য অসম্ভ্ৰান্ত লোকৰ দ্বাৰা অনুষ্ঠিত হৈ, যি নৃত্যত আত্ম সজাগতা বৰ্তমান নাথাকে, যি নৃত্যৰ নৃত্যপৰিকল্পনা ৰীতি মুখ পৰম্পৰা চলি থাকে আৰু যি নৃত্য স্বাতন্ত্ৰযুক্ত তথা আকৰ্ষণীয় সেই নৃত্যক লোকনৃত্য আখ্যা দিব পাৰি। লোকনৃত্যৰ পৰিমাৰ্জিত, ৰীতিবদ্ধ প্ৰণালীবদ্ধ আৰু সুগঢ়ি ৰূপেই শাস্ত্ৰীয় নৃত্য। লোকনৃত্যৰ পৰাই শাস্ত্ৰীয় নৃত্যৰ উদ্ভৱ আৰু বিকাশ হয়। সেইবাবে লোকনৃত্য আৰু শাস্ত্ৰীয় নৃত্যৰ মাজত অহৰহ অন্যান্যক্ৰিয়া চলি থাকে। অনেক ক্ষেত্ৰত লোকনৃত্য আৰু শাস্ত্ৰীয় নৃত্যৰ পাৰ্থক্য নিৰ্ভৰ কৰে চৰকাৰৰ স্বীকৃতিৰ ওপৰত। লোকনৃত্যক স্বীকৃতি প্ৰদান কৰি শাস্ত্ৰীয় নৃত্যৰ শাৰীলৈ উৎকৰ্ষ কৰাৰ উদাহৰণ ভাৰতৰ অনুষংগত লক্ষ্য কৰিব পাৰি। আদিম আৰু শাস্ত্ৰীয় নৃত্যৰ মধ্যস্তৰৰ নৃত্যই লোকনৃত্য। গতিকে লোকনৃত্যক আদিম নৃত্যৰ পুৰানিদৰ্শন আখ্যা দিব পাৰি। লোকনৃত্যৰ প্ৰথম অস্তিত্ব গতিশীল আৰু বৈবিধ্যমূলক। কিন্তু ইয়াৰ দ্বিতীয় অস্তিত্ব অনেক ক্ষেত্ৰত সুস্থিৰ অৰ্থাৎ গতিবিহীন। উদাহৰণস্বৰূপে অসমৰ বিহুনৃত্য-ইয়াৰ প্ৰথম অস্তিত্বত ই গতিশীল আৰু বৈবিধ্য বিশিষ্ট; কিন্তু ইয়াৰ দ্বিতীয় অস্তিত্ব অনেক পৰিমাণে সুস্থিৰ অৰ্থাৎ গতিহীন। লোকনৃত্যৰ প্ৰথম অস্তিত্বক পৰম্পৰা অথবা উত্তৰ জীৱিতা আখ্যা দিব পাৰি আৰু দ্বিতীয় অস্তিত্বক পুনৰুজ্জী ৱন বুলিব পাৰি। জীৱনৰ জটিল আৰু সমাধানহীন সমস্যাৰ প্ৰতিক্ৰিয়াৰ আধাৰত লোকনৃত্যৰ উদ্ভৱ। ব্যক্তি আৰু সমাজৰ সংৰক্ষণৰ ক্ষেত্ৰত লোকনৃত্যৰ যাদুমূলক ধৰ্মীয় প্ৰকাৰ্যৰ তাৎপৰ্য সুদূৰপ্ৰসাৰী।



লোকসমাজত লোকনৃত্য জন্মৰ পৰা মৃত্যু পৰ্যন্ত মানৱ জীৱনৰ সৈতে সংপৃক্ত। এই দৃষ্টিভংগীৰ ফালৰ পৰা লোকনৃত্যত বৰ্তমান থাকে প্ৰতীকী অৰ্থ প্ৰকাশৰ প্ৰৱণতা। মানৱ, জন্তু, গছ-গছনি, শস্যক্ষেত্ৰ আদিৰ উৰ্বৰতা বৃদ্ধি, অমূৰ্তক বিষয়ত ব্যক্তিত্ব ৰোপণ, ভোট-প্ৰেতাদী দূৰীভূতকৰণ, নিৰাময় কামনা আৰু মৃত্যুৰ ভয়াৰহতা আদিৰ সংমিশ্ৰিত কথাংগৰ আধাৰত লোকনৃত্য পল্লৱিত। লোকনৃত্য সাধাৰণতে লোকগীতৰ লগত সংপৃক্ত। অমূৰ্ত বা শ্ৰুয়মান অথবা শ্ৰব্য গীত পদে নৃত্যৰ মাধ্যমত মূৰ্ত বা দৃশ্যগত ৰূপ লাভ কৰে। অনেক ক্ষেত্ৰত লোকনৃত্যৰ নিৰ্বাহিকাসকলে মুখেৰে গীত আবৃত্তি কৰি গীতৰ বিষয়বস্তু বৈশিষ্ট্যৰ সংযোগত অৰ্থাৎ নৃত্যৰ মাধ্যমত অভিজ্ঞাপন কৰে। লোকনৃত্যৰ লগত লোক বাদ্যযন্ত্ৰ সংগত কৰা হয়। লোক বাদ্যযন্ত্ৰসমূহৰ ভিতৰত ঢোল, খোল, মৃদংগ, বাঁহী, কালি, বৰকাঁহ, সৰু কাঁহ, তাল, গগনা, বীণা, দোতোৰা, পেঁপা, বাঁহৰ চুঙা, টকা, ঘন্টা আদিয়েই উল্লেখযোগ্য। লোকনৃত্য প্ৰায়ে বৃত্ত নৃত্য। পুৰুষ-স্ত্ৰী উভয়ে হাতত ধৰাধৰি কৰি বৃত্তকাৰভাৱে এইবিধ নৃত্য প্ৰদৰ্শন কৰা দেখা যায়। অসমৰ লোকনৃত্যক অঞ্চল অনুসৰি ভাগ কৰাৰ উপৰিও নৃ-গোষ্ঠীৰ স্বৰূপ অনুসৰিও ভাগ কৰিব পাৰি। আকৌ প্ৰসংগ লগত সংগতি ৰাখিও অসমৰ লোকনৃত্যৰ শ্ৰেণী বিভাগ কৰিব পাৰি। অঞ্চল অনুসৰি শ্ৰেণী বিভাজনঃ কামৰূপী লোকনৃত্য, গোৱালপৰীয়া লোকনৃত্য, দৰঙী লোকনৃত্য, উত্তৰ কাছাৰ পাহাৰ জিলাৰ লোকনৃত্য ইত্যাদি। নৃ-গোষ্ঠীৰ স্বৰূপ অনুসৰি বিভজনঃ অজনজাতীয় লোকনৃত্য, বড়ো লোকনৃত্য, ডিমাছা লোকনৃত্য ইত্যাদি। প্ৰসংগ বা অনুষংগ অনুসৰি শ্ৰেণী বিভাজনঃ পূজা পাতলৰ লগত জড়িত নৃত্য, উৎসৱ অনুষ্ঠানৰ লগত জড়িত নৃত্য, কৃষিৰ লগত জড়িত নৃত্য ইত্যাদি।

পূজা-পাতলৰ লগত জড়িত লোক নৃত্যঃ

১) পুতলা নাচ-পূজা-পাতলৰ লগত জড়িত লোকনৃত্যৰ ভিতৰত পোনতে নাম ল'ব লাগিব পুতলা নৃত্যৰ। 'কালিকা-পুৰাণ, বৃহদ্ধম। পুৰাণ আদিত উল্লেখ থকা পাঞ্চালিকা অনুষ্ঠানেই পুতলা নাচ। লোকনৃত্যৰ বিভিন্ন ৰূপৰ ভিতৰত পুতলা নাচেই সু-প্ৰাচীন। পুতলা নিৰ্জীৱ বস্তু বা পদাৰ্থ, যাক মানুহে সূতা, লাঠী আদিৰে কোনো কাহিনীৰ অৱলম্বনত পৰিচালনা কৰে। পুতলাৰ মাধ্যমৰে অনুষ্ঠিত অভিনয়েই পুতলা ভাওনা বা পুতলা নাচ। পুতলা নাচক সাংযুতিক দিশৰ ফালৰ পৰা চাৰিটা ভাগত ভগাব পাৰি ঃ কয সূত্ৰ বা সূতাৰে পৰিচালনা কৰা পুতলা। খয ছায়া পুতলা। গয লাঠিৰে পৰিচালনা কৰা পুতলা আৰু ঘয হাতেৰে পৰিচালনা কৰা পুতলা। অসমত সাধাৰণতে কাঠ, কুঁহিলা আদিৰে পুতলা নিৰ্মাণ কৰা দেখা যায়। সাধাৰণতে 'ৰামায়ণ', 'মহাভাৰত' আদিৰ একো একোটি কাহিনী, পুতলা নাচৰ জৰিয়তে প্ৰদৰ্শিত হয়। পুতলা নাচ বা ভাওনা গীত-নৃত্য আৰু অভিনয়ৰ সমষ্টি। 2যঢুলীয়া নৃত্য-লোক নৃত্য আৰু লোক অভিনয় উভয়ৰে দাবী পূৰণ কৰি অহা ঢুলীয়া নৃত্য পৰম্পৰাগতভাৱে অতি প্ৰাচীন কালৰে পৰা বৰ্তমান লৈকে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমাদৃত হৈ আহিছে। ঢুলীয়া দলে সভা মেলা, কুষ্টি আদি প্ৰদৰ্শন কৰে আৰু কামৰূপীয়া ঢুলীয়া দলে অভিনয়ে দেখুৱায়। অসমীয়া ঢোলৰ পৰম্পৰা অসমীয়া সংগীত কলাৰ সমানে পুৰণি। সভা গোৱা ঢুলীয়াই বিভিন্ন নৃত্য ভংগী প্ৰদৰ্শন কৰাৰ উপৰিও বিবিধ গীত পদো আবৃত্তি কৰে ঃ

'আহা আহা আহা আহা। বাপু বলোৰাম আহা আহা।

আজিও ঢুলীয়াৰ কাছানা। ব'বলৈ নাজানা আহা আহা।।

অ' মূৰত তোলা নাই ফুলে ঐ। অ' বাপু বলোৰাম আহা ঐ।।

অ' উজনিত নামৰ ঘৰ। দেখোতে ভয়ঙ্কৰ। কৰতে কাটিলা ৰুৱা না লই।

কি ঐ বেতৰ বান্ধিলা। বান্ধা আটি আটি। নাম ল'ম গধূলি পুৱা না লই।।

৪যবিহু নৃত্য-বিহু নৃত্য হৈছে ভাৰতৰ উত্তৰ-পূব দিশৰ অসম ৰাজ্যৰ এক থলুৱা লোকনৃত্য যি ৰাজ্যখনৰ প্ৰধান উৎসৱ বিহু আৰু অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ। পৰম্পৰাগতভাৱে খাটি অসমীয়া ৰঙীন মুগাৰ সাজ পিন্ধি হাত-ভৰিৰ সুকীয়া মুদ্ৰাৰে এই নৃত্য কৰা হয়। অসমীয়া জাতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা এই নৃত্যৰ উৎসৰ বিষয়ে সঠিক উমান পোৱা নগ'লেও, প্ৰায় ১৬ শ (খ্ৰীষ্টাব্দ) শতিকাত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰে পৰা এই নৃত্যৰ প্ৰচলন আছে বুলি তথ্য পোৱা যায়। অৱশ্যে বহু লেখক, গৱেষকে আকৌ আহোম স্বৰ্গদেউসকলে বিহুৰ পৃষ্ঠপোষকতা কৰা নাছিল বুলিও মন্তব্য কৰে। এই সন্দৰ্ভত পদ্মেশ্বৰ গগৈয়ে কৈছিল 'কোনো বুৰঞ্জীত আহোম ৰজাই ৰংঘৰৰ বাকৰিত বিহু চোৱা কথাৰ উল্লেখ নাই। সাতসৰী অসম বুৰঞ্জীৰ মতে ৰংঘৰৰ ওপৰ মহলাত কোন ক'ত বহিব তাক নিৰ্দিষ্ট কৰা থাকে। সেইমতে ৰজা বহাৰ যিখন ঠাই, তাত যদি এজন মানুহ চকীটো বহে, তেওঁ ৰংঘৰৰ বাকৰিখন তাৰপৰা দেখা নেপায়। দ্বিতীয়তে, যদি ৰজাই তাত বিহু চাইছিল- এজন ৰজাই চাওক বা ধাৰাবাহিক কেইবাজনো ৰজাই চাওক-তেতিয়াহ'লে বিহুক কেন্দ্ৰ কৰি এটা বিষয়বাব সৃষ্টি হ'লহেঁতেন। বিহু পুৰুষ-মহিলা উভয়ে মিলিত হৈ কৰা এক সামূহিক লোকনৃত্য। পাৰম্পৰিক বিহুগীত আৰু বিভিন্ন লোকবাদ্যৰ সমাহাৰ হোৱা এই নৃত্য প্ৰদৰ্শনত ঢুলীয়াৰ ঢোলৰ চেৰত মুগাৰ মেখেলা-চাদৰ পিন্ধি টাকুৰি ঘূৰাদি ঘূৰি ঘূৰি নচা নাচনীসকলকে প্ৰধান আকৰ্ষণৰ কেন্দ্ৰ বুলিব পাৰি। নাচনীসকলৰ নৃত্যমুদ্ৰাও পুৰুষ নৃত্যশিল্পীসকলতকৈ বেছি। বৃহত্তৰ অসমৰ জনগোষ্ঠীৰ বিবিধতা অনুযায়ী বিহু নৃত্য বিভিন্ন প্ৰকাৰৰ বুলি ক'ব পাৰি, যেনে 'দেউৰী বিহু', 'মৰাণ বিহু', 'মিচিং বিহু' আদি। নৃত্যমুদ্ৰাৰ কিছু বৈষম্যক বাদ দি, সাধাৰণতে প্ৰচলিত প্ৰথা অনুযায়ী বসন্তৰ আগমনত ৰঙালী বিহুৰ সময়ত কৰা এই বিভিন্ন প্ৰকাৰৰ বিহু নৃত্যসমূহৰ একেটি উদ্দেশ্য; উলহ-মালহেৰে নৱবৰ্ষক আগমন জনোৱা। আহোমৰ দিনৰে পৰা অবিবাহিত যুৱতীসকলৰ মাজত প্ৰচলিত বিহুক 'জেং বিহু' বুলি জনা যায়। উজনি অসমৰ কিছুমান ঠাইত এতিয়াও এই বিহু প্ৰচলিত। এই প্ৰথামতে অবিবাহিত যুৱতীসকলে বসন্ত ঋতুত ৰঙালী বিহুত জাক-পাতি গছৰ তলত ধৰিত্ৰীৰ উৰ্বৰতা কামনা কৰি আবেলি সময়ত নৃত্য-গীতৰ অনুষ্ঠান কৰে। এই কথাই প্ৰমাণ কৰে এই গোষ্ঠীৰ মহিলাসকলৰ, সেই সময়ত মহিলা হিচাপে স্বাধীনতা কিমান আছিল, যি সময়ত হিন্দু মহিলাৰ ঘৰৰ বাহিৰত নৃত্য-গীত কৰাত কঠোৰ বাধা নিষেধ আছিল। এই মহিলাসকলে নৃত্য গীতৰ সময়ত বিভিন্ন বাদ্যযন্ত্ৰ যেনে 'টকা', 'গগনা', 'সুতুলি' আদিও ব্যৱহাৰ কৰে। ৩-. ওজাপালি-পূজা পাতলৰ লগত বিশেষভাৱে জড়িত লোকনৃত্যৰ ভিতৰত ওজাপালি অন্যতম। জীৱন্ত পৰিৱেশ্য কলা ওজাপালি গীত নৃত্য আৰু অভিনয়ৰ সমলয়। ওজাপালি মূলতঃ দুবিধঃ ১-বিষ্ণু পূজাৰ লগত জড়িত ব্যাস ওজাপালি বা সভা গোৱা ওজাপালি বা মহাকাব্য আয়শ্ৰী ওজাপালি। ২-সৰ্প দেৱী মনসা পদ্মা আৰু তুকুৰীয়া দেৱীৰ পূজাৰ লগত জড়িত অৰ্থাৎ শক্তি পূজাৰ লগত সংপৃক্ত ওজাপালি বা মহাকাব্য অনাশ্ৰয়ী ওজাপালি।

৪- দেওধাঃ দেওধনীঃ দেধানীঃ দধনীঃ মনসা -পূজা, বা মাৰে-পূজাৰ অনুষংগত দেৱতাই লম্ভ। বুলি বিশ্বাস কৰা, ঐন্দ্ৰজালিক শক্তি সম্পন্ন আৰু ভৱিষ্যদ্বক্তাৰ ভূমিকা গ্ৰহণ কৰিব পৰা পুৰুষ আৰু স্ত্ৰীয়ে বিশেষ কিছুমান নৃত্য প্ৰদৰ্শন কৰে। এওঁলোক দেওধা বা দেৱ ধ্বনি, দেউলা আৰু দেওধনী বা দেধানী বা দধনী ৰূপে পৰিচিত। মাৰে পূজাৰ সামৰণিৰ পূৰ্ব দিনটো ভৰদক নামেৰে জনাজাত। সাধাৰণতে এই দিনা বিয়লি দেওধনী নৃত্য অনুষ্ঠিত হয় পূজা মণ্ডপত পালিসকলৰ জয় ঢোলৰ বাদিৰ ছেৱে ছেৱে আৰু ভোৰ তালৰ তালে-তালে। দেওধনী য়ে 'দেউনাচ', হাৰী নাচ', বসুমতী নাচ,ধৰ্ম নাচ, শিৱ নাচ, হৰ গৌৰীনাচ, চণ্ডী নাচ, শীতলা নাচ, শুভাচেনী-নাচ, বিষহৰী নাচ, দুৰ্গা নাচ, কেঁচাই খাইতী নাচ আদি নাচে। অবিভক্ত কামৰূপৰ যিবোৰ অঞ্চলত দেওধনী পৰম্পৰা অপ্ৰচলিত সেইবোৰ অঞ্চলত বিশেষকৈ উত্তৰ কামৰূপ, নলবাৰী, কমলপুৰ আদিত স্ত্ৰীৰ নিচিনাকৈ দীঘলীয়া চুলি ৰখা পুৰুষ এজনে দেওধনীৰ কাৰ্য সম্পাদন কৰে। তেওঁৰ নাম দেওধা। দেওধাই ৰঙা বৰণৰ ধুতি এখন পিন্ধে আৰু একে ৰঙৰ তেলচ বা চাদৰ এখনেৰে দেহৰ উপৰিভাগ আৱৰি লয়,যদিও নৃত্যৰ সময়ত এই চাদৰখন গাত নাথাকে। দেওধনীৰ দৰে দেওধায়ো ওজাপালিৰ গীত পদ আৰু ঢোল তালৰ লগত সংগতি ৰাখি বিভিন্ন নাচ নাচে।

৫-ওজাপালিৰ লগত সম্পৰ্ক বিহীন দেওধা, দেৱ ধ্বনি আৰু দেউলা ঃ ওজাপালিৰ লগত জড়িত দেওধনী বা দেওধা নৃত্যৰ ৰূপ আৰু সংযুতিৰ লগত মিল নথকা অথচ প্ৰকাৰ্য আৰু অনুষংগৰ লগত মিল থকা আৰু মনসা বিষ হৰি পূজাৰ সৈতে সংপৃক্ত আন এবিধ অনুষ্ঠানৰ প্ৰচলন কামাখ্যাধাম,বামুণ শুৱালকুচি, গেৰুৱা, পচৰিয়া আদিত অনুষ্ঠিত হয়। দেওধা, দেৱধ্বনি, দেউলা আদিয়ে হাতত খড়্গা, বেত আদিলৈ নৃত্য কৰে। দেওধনী বা দেধানী ৰ নৃত্যৰ লগত দেওধা,দেৱ ধ্বনি আৰু দেউলা নৃত্যৰ সাদৃশ্য লক্ষ্য কৰা নাযায়।

৬-দেৱদাসী ঃ বৰ অসমৰ দেৱদাসী পৰিৱেশ্য কলা সৰ্বভাৰতীয় পৰম্পৰাগত নৃত্যৰ পট ভূমিত উদ্ভৱ। দেৱদাসীৰ অৰ্থ হল দেৱতাৰ দাসী। পণ্ডিতসকলৰ মতে ভাৰতবৰ্ষত দেৱদাসী পৰম্পৰা শুভাৰম্ভণি হৈছিল দক্ষিণ ভাৰতত আৰু তাৰ পৰা জনপ্ৰৱজন ।আৰু সাংস্কৃতিক সংক্ৰমণৰ জৰিয়তে প্ৰাগজ্যোতিষ কামৰূপ লৈ এই পৰম্পৰা প্ৰসাৰিত হৈছিল।দেৱদাসী পৰম্পৰা বিশেষ ভাৱে শিৱ মন্দিৰৰ লগত জড়িত। প্ৰাচীন অসমত দেৱদাসীক সূচাবৰ বাবে নৰ্তকী পদটো ব্যৱহাৰ কৰিছিল। হাজোৰ মাধৱ মন্দিৰৰ পৰা ডুবিৰ পৰিহৰেশ্বৰ, বিশ্ব নাথৰ শিৱ মন্দিৰ, দেৰগাঁৱৰ নেঘেৰেটিং, গুৱাহাটীৰ উমানন্দ, হাজোৰ কেডাৰ আদিয়ে শিৱ মন্দিৰলৈ দেৱদাসী পৰম্পৰা সম্প্ৰসাৰিত হৈছিল।

৭-কালি চণ্ডী নাচঃ অবিভক্ত গোৱালপাৰাত প্ৰচলিত ধৰ্মীয় কৃত্যৰ লগত জড়িত নৃত্যসমূহৰ ভিতৰত কালি চণ্ডী নাচ উল্লেখ্য। কালি পূজাৰ প্ৰসংগত পুৰুষ এজনে ভয়াবহ কালিৰ মুখা এখন পিন্ধি হাতেৰে উন্মুক্ত তৰোৱাল ঘূৰাই ঘূৰাই কালি বা চণ্ডীৰ ভূমিকা গ্ৰহণ কৰি তাল মৃদংগ মুখবাশীৰ ছেৱে ছেৱে আৰু তালে তালে তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্য ৰৌদ্ৰ ৰস প্ৰধান।

৮যবাঁস পূজা বা বাঁহ বিয়া ঃ এই নৃত্য দৰঙত প্ৰচলিত। ৰং বিৰঙৰ কাপোৰেৰে মৰিওয়া বাঁহ ডাল কঢ়িয়াই নিওতে কৰা উৎসাহ পূৰ্ণ নৃত্যৰ নাম বশ পূজা বা বাঁহ বিয়াৰ নৃত্য।

৯যভঠেলি বা দহৰ ফুৰা ঃ এই প্ৰসংগত চিত্ৰ বিচিত্ৰ কাপোৰেৰে সু-সজ্জিত বাঁহ ডাল কঢ়িয়াই নিয়া প্ৰসংগতো পুৰুষ সকলে নৃত্য ভংগী প্ৰদৰ্শন কৰে। ১০যকাতি পূজাৰ নৃত্য ঃ গোৱালপাৰাত অনুষ্ঠিত কাতি পূজাৰ প্ৰসংগত নাৰী সকলৰ দ্বাৰা অনুষ্ঠিত নৃত্যৰ নাম কাতি পূজাৰ নৃত্য।

১১যখেৰাই নৃত্য ঃ বড়োসকলৰ মাজত ধৰ্মীয় অনুষংগত অনুষ্ঠিত নৃত্য সমূহৰ ভিতৰত খেৰাই নৃত্য অন্যতম। সাধাৰণতে বাথৌ পূজাৰ প্ৰসংগত খেৰাই নৃত্য অনুষ্ঠিত হয়। খেৰাই নৃত্য কেইবাটিও নৃত্যৰ সমষ্টি।কোনো কোনোৰ মতে খেৰাই নৃত্য ১৬ বিধ আৰু কোনো কোনোৰ মতে ১৮ বিধ নৃত্যৰ সমষ্টি। খেৰাই নৃত্যত অন্যতম ভূমিকা গ্ৰহণ কৰে দৌদিনী অথবা দেওধনীয়ে। প্ৰত্যেক জনদেৱ দেৱীৰ সমষ্টিৰ বাবে দৌদিনীয়ে প্ৰদৰ্শন কৰা নৃত্যবোৰৰ সমষ্টিয়েই খেৰাই নৃত্য। খেৰাই নৃত্যৰ প্ৰসংগত গীত গোৱা নহয়। এই নৃত্যত দৌদিনীয়ে বাওঁহাতত ঢাল আৰু সোঁহাতত তৰোৱাল লৈ তাণ্ডৱ ভংগীত নৃত্য কৰে। খেৰাই নৃত্যৰ প্ৰসংগত খাম, চিংফু, চেৰজা আদি বাদ্যযন্ত্ৰ সংগত নৃত্য কৰে।

১২য হাবা জানায় ঃ বড়োসকলৰ মাজত প্ৰচলিত হাবা জানায় নৃত্যকো ধৰ্মীয়কৃত্যৰ লগত জড়িত নৃত্য আখ্যা দিব পাৰি।এই নৃত্যত বৈৰাথীসকলে মূৰৰ ওপৰলৈ হাত তুলি লাস্য পূৰ্ণ ভাৱে সঞ্চালন কৰি গীত গাই গাই নাচে-বিশেষকৈ হাথা চুনিৰ প্ৰসংগত। নৱ বিবাহিতা কন্যাক সান্ত্বনা দি অথবা দৰাক জোকাই লাজ দিবৰ বাবে গোৱা গীত ৰ আধাৰত বৈৰাথীসকলে হাবা জানায় সম্পন্ন কৰে।

১৩যফাৰকা নতি নৃত্য ঃ ৰাভাসকলৰ মাজত প্ৰচলিত ধৰ্মীয় কৃত্যৰ লগত সম্পৃক্ত নৃত্যৰ ভিতৰত ফাৰকা নতি অন্যতম । মৃতকৰ শ্ৰাদ্ধ কৃত্যৰ নামেই ফাৰকা নতি । কোনো মৃতকৰ শ্ৰাদ্ধ ৰ দিনা তেওঁৰ পৰিয়ালৰ লোকে ইনাই বিনাই বিলাপ কৰে আৰু এই বিলাপ বিননীৰ আধাৰত সৃষ্টি হৈছে শোক গীতি ফাৰকা নতিৰ আৰু এই শ্ৰাৱনীক গীত পদবোৰৰ চাক্ষুস ৰূপেই হল ফাৰকা নতি নৃত্য।এই নৃত্যৰ লগত 'কানটুকুৰী 'নামৰ সৰু তাল,খাম,কাঁহ, শিঙা আদি বাদ্য যন্ত্ৰ সংগত কৰা হয়।ডেকা গাভৰু উভয়ে ফাৰকা নতি নৃত্যত অংশ গ্ৰহণ কৰে। ১৪যফাত্ৰী নৃত্য ঃ মাঁৰৈ পূজা, বাথৌ পূজা আদিত দেওধনী নৃত্য অনুষ্ঠিত হোৱাৰ নিচিনাকৈ ডিমাছা সকলৰ মাজত প্ৰচলিত পূজা পাৰ্বনত বিশেষকৈ গাওঁত মহামাৰী বা অপায় অমংগল আদি হলে দেৱ দেৱীৰ সন্তুষ্টি ৰ অৰ্থে পূজা পাতল পাতি দেওধনী নৃত্য সম্পন্ন কৰে। ডিমাছা ভাষাত দেওধনীৰ সলনি ফাত্ৰী বা পাত্ৰী পদটো ব্যৱহাৰ কৰা হয়। ফাত্ৰী জকাৰ পিছতেই তেওঁৰ গাত দেও লম্ভে। তেনে অৱস্থাত ফাত্ৰীয়ে হাতত তৰোৱাল এখন কৈ জোকাৰি জোকাৰি তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰে। ১৫য চোমাংকান নৃত্য ঃ কাৰ্বিসকলৰ সমাজত প্ৰচলিত ধৰ্মীয় কৃত্যৰ লগত জড়িত নৃত্যৰ নামে চোমাংকান নৃত্য। এই নৃত্যৰ লগত গোৱা গীত ৰ নাম কা পা এৰ আলুন। চোমাংকান নৃত্য বৃত্তাকাৰ। ডেকা গাভৰু উভয়ে পৰম্পৰাগত পোছাক পৰিধান কৰি চোমাংকান নৃত্যত অংশ গ্ৰহণ কৰে। ১৬যমিবু দাকনাম ঃ মিচিংসকলৰ সমাজত প্ৰচলিত ধৰ্মীয় নৃত্যৰ ভিতৰত মিবু দাকনাম উল্লেখযোগ্য। মিচিংসকলৰ মাজত বছৰৰ বিভিন্ন সময়ত অনুষ্ঠিত ধৰ্মীয় কৃত্যৰ প্ৰসংগত মিবু বা পুৰোহিতে আঃ বাং নিয়তম। আবৃত্তি কৰি গীতৰ বিষয় বস্তুৰ লগত সংগতি ৰক্ষা কৰি নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্যৰ নাম মিবু দাকনাম। মিবু দাকনামত কোনো ধৰণৰ বাদ্য সংগত কৰা নহয়। ১৭যবৰতৰ নাচ ঃ হিন্দু ধৰ্মী তিৱা বা লালুং সমাজত বৰতৰ পৰম্পৰা প্ৰচলিত। বৰত নৃত্যৰ প্ৰসংগত পুৰুষ নাৰী উভয়ৰ মাজত অনুষ্ঠিত হোৱা নৃত্যই বৰতৰ নাচ। এই নৃত্য বোৰে অসমীয়া সংস্কৃতিৰ পৰিচয় বহন কৰিছে। এই কলাবোৰে গীত, নৃত্যৰ পৰা আদি কৰি সকলো কলাই অসমীয়া ভাষাটোৰ লগতে অসমীয়াৰ পৰিচয়টোক সকলোৰে আগত চিনাকি দাঙি ধৰিছে। এই বিষয়সমূহে অসম বা অসমীয়া সংস্কৃতিৰ বিকাশত বিশেষ অৰিহনা যোগাইছে। লোকনৃত্যই অসমীয়া সংস্কৃতিক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জীয়াই ৰাখিছে। সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। বিভিন্ন আৰ্য-অনাৰ্য্য আৰু থলুৱা উপাদানৰ সমন্বয় আৰু সমাহৰণত অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। লোক পৰিৱেশ্য কলা হ'ল লোক সংস্কৃতিৰ চতুৰ্থভাগ। নৃত্য, গীত আৰু নাট হল লোক পৰিৱেশ্য কলাৰ তিনিটা মুখ্য উপাদান। নৃত্যৰ লগত গীত আৰু অভিনয়ও জড়িত হৈ থাকে। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীয়ে, সেয়া লাগিলে জনজাতিয়ে হওক বা অজনজাতি, বিভিন্ন প্ৰসংগত বাদ্যযন্ত্ৰসহ সামুহিকভাৱে গীত-পদ গায়। এই গীত-পদসমূহ কোনো প্ৰসংগৰ লগত সংগতি ৰাখিহে পৰিৱেশন কৰা হ্য আৰু এই প্ৰসংগৰ নাম অনুসৰি গীত-পদ বা নৃত্য সমূহৰ নামাকৰণ কৰা হয় । যেনে - অসমৰ বিহু উত্স ৰ হৈছে বিহু গীত আৰু বিহু নৃত্যৰ প্ৰসংগ। বিহু উত্সাৱৰ লগত জড়িত বাবে সেই গীত-পদ আৰু নৃত্য সমূহৰ নামো বিহু গীত আৰু বিহু নৃত্য ৰখা হৈছে । তেনেদৰে বাগৰুম্বা, বৈশাগু, খেৰাই, গোৱালপাৰা অঞ্চলৰ 'হুদুম পূজা', 'ফাৰকান্টি', মিজোৰামৰ "বাঁহ নৃত্য" (Bamboo Dance), খাছীসকলৰ "নংক্ৰেম", মণিপুৰৰ মেইটেই সকলৰ "খুবক-ইছেই", গাৰোসকলৰ "ৱাংগালা", আপাতানি সকলৰ "হুৰখনি", ত্ৰিপুৰী সকলৰ 'বিচুচনি', জয়ন্তীয়া সকলৰ "চাবজাং" ইত্যাদি। এই লোকনৃত্য সমূহৰ বেছিভাগেই ধৰ্মীয় প্ৰসংগ যুক্ত আৰু ইয়াত পুৰুষ - মহিলা উভয়ে অংশ গ্ৰহণ কৰে। লোকনাট্য নৃত্য-গীত আৰু অভিনয়ৰ সমাহাৰ যদিও ইয়াত সংলাপৰ গুৰুত্ব বৰ কম। মুখ পৰম্পৰাত প্ৰচলিত এই লোকনাট্য সমূহত কাহিনী ভাগক যৱনিকা বা অন্তিম পৰিনতিৰ ফালে সংলাপতকৈ গীত-পদেৰেহে আগুৱাই নিয়া পৰিলক্ষিত হয়। যিখিনি সংলাপ বা বচন মতা হয় সেইখিনি আকৌ পদ্য-ছন্দত ৰচনা কৰা দেখা যায়। লোকনাটসমূহত মুখ্য কাহিনীটোৰ লগত কেতিয়াবা মানুহৰ দৈনন্দিন জীৱনৰ লগত সম্বন্ধ থকা বিভিন্ন পৰিস্থিতিৰ ব্যংগাত্মক উপস্থাপনেৰে হাস্যৰসৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয় । দেশ এখনক সমৃদ্ধ কৰিবলৈ ৰাজনীতি, অৰ্থনীতি বা সাহিত্যৰ চৰ্চা যেনেকৈ প্ৰয়োজন তেনেকৈ সঙ্গীত, নৃত্য আদি ললিত কলাৰ ঐতিহ্য আৰু নিয়ত চৰ্চাৰ প্ৰয়োজন। সংস্কৃতিসম্পন্ন জাতি বুলি নিজৰ পৰিচয় দিবলৈ এই সমূহ বিশ্বমঞ্চৰ আগত ডাঙি ধৰাৰ সময় আহি পৰিছে। এতিয়াৰ সময়ে পৰিৱৰ্তনৰ আঁচোৰ মাৰিলেও এজন অসমীয়াই এই সমূহ গাই, বজাই, নাচি বা আলোচনা কৰি ইয়াৰ ঐতিহ্যক ধৰি নাথাকিলে সংস্কৃতিৰ বুজন ফালটোৰ পৰা সময়ত আমি নিজকে খহাই দিয়াৰ দৰে হ'বগৈ।বৰ্তমান অসমীয়া সংস্কৃতিত বিদেশী প্ৰভাৱৰ ধল বৈছে। পৰিৱেশ্য কলাই আমাৰ ঐতিহ্য মণ্ডিত সংস্কৃতি ম্লান পৰিবলৈ নিদি জীয়াই থকাত সহায় কৰিছে।

ফোন ঃ ৮৬৩৮২১৬৪৬১



## শৰতলৈ এখন চিঠি

শাওণৰ মেঘে ঢকা আকাশৰ তলত,
ভাদ-আহিনৰ নিৰ্মল আকাশত,
শৰৎ তুমি আহিবানে এখোজ-দুখোজকৈ!
বানে গৰকা, ৰ'দে পোৰা পথাৰখনত,
সেউতী-মালতীহঁতৰ সপোনবোৰ সিঁচি থৈ
জিৰাব বিচাৰোঁ শৰতৰ শ্যামলী কোলাত।
সপোনবোৰ লাহে লাহে ফুলি উঠিব নিত্য নতুন
ভংগিমাৰে,
পংকিলতাৰ আৱৰ্জনা সোলোকাই,
নিৰ্মল আকাশৰ শুকুলা মেঘৰ ছায়াত
প্ৰকৃতি শ্যামলী হ'ব,
বৰ্ষাই কাণে কাণে কৈ গ'ল
শৰতৰ বতৰা।
শৰৎ তুমি আহিবা, আকাশত
তৰাৰ ফুল বাচিব,
মেঘৰ শুকুলা ছাদৰৰ ফাঁকেদি নিয়ঁৰৰ কণিকাই
মুকুতাৰ মালা গাঁথিব।
শৰতৰ সুকোমল দলিচাতে
হ'ব মহাপুৰুষজনাৰ জন্ম-জয়ন্তী।
তোমাৰ স্নিগ্ধ জোনাকৰ সুবাসত কঁহুৱা
ফুলবোৰ ফুলি উঠিব,
শেৱালিয়েও তলবলকৈ
চকু মেলি কোমল দলিচা পাৰি,
আদৰি আনিব শাৰদী ৰাণীক।
শাৰদী ৰাণীৰ মূৰ্চ্ছনাত হিয়াৰ
কোনোবাখিনিত নতশিৰে আঁকোৱালি ল'ব
মহিষমৰ্দিনী দেৱী দুৰ্গা অসুৰ-নাশিনীক।

■ ৰুনু শৰ্মা

# সময়ৰ সদ্ব্যৱহাৰ



■ কৰবী ভুঞা

জীৱনক ভাল পোৱানে? তেনেহ'লে সময়ৰ অপব্যৱহাৰ নকৰিবা, কাৰণ জীৱন সেই বস্তুটোৰেই পঢ়াঃ বেঞ্জামিন ফেংকলিন। মানুহ সামাজিক প্ৰাণী। মানুহ হিচাপে জন্ম লোৱাৰ পৰা আমি সময়ৰ প্ৰতিটো পলৰ সৈতে চিনাকি হৈছোঁহক। প্ৰতিজন মানুহেই আহাৰ, নিদ্ৰাৰ পৰা আৰম্ভ কৰি ব্যক্তিগত জীৱন আৰু সমাজ-জীৱনৰ নানান কাম কৰিবলগীয়া হয়। সুস্থভাৱে প্ৰতিটো কাম সমাধা কৰিবলৈ হ'লে সচেতনভাৱে সময় বিভাজন কৰা আৱশ্যক। প্ৰকৃততে জীৱন সময়ৰ সমষ্টি। সময়ৰ চেতনাই মানুহক কৰ্মশীল কৰি ৰাখিছে।

সময়ৰ সদ্ব্যৱহাৰে এজন ব্যক্তিৰ জীৱন উজ্জ্বলময় কৰি তুলিব পাৰে। মানৱ জীৱন এটা প্ৰাপ্তি-অপ্ৰাপ্তিৰে ভৰপূৰ অধ্যায়। জীৱনত একোটি কৰ্মৰ বাবে নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰি থোৱা থাকে। সময়ে জীৱনক সুন্দৰভাৱে পৰিচালনা কৰে। মানুহৰ জীৱনৰ চাৰিটা স্তৰৰ শৈশৱ আৰু কৈশোৰত সু-শিক্ষা তথা বিদ্যা আহৰণ, যৌৱনত কৰ্মজীৱন, গাৰ্হস্থ্যত কৰ্তব্যত মনোনিৱেশ আৰু বাৰ্ধক্যত অৱসৰ গ্ৰহণৰ লগতে আধ্যাত্মিক চিন্তাৰ সাধনা। এয়াই হৈছে মানৱ জীৱনৰ সময় বিভাজনৰ মূল আধাৰ।

সময়ৰ সদ্ব্যৱহাৰৰ জ্ঞান ব্যক্তিয়ে বিশেষকৈ ছাত্ৰ জীৱনৰ পৰাই আয়ত্ত কৰাটো জৰুৰী। এজন ছাত্ৰই সদায় তেওঁৰ প্ৰতিটো পাঠ নিয়মীয়াকৈ পঢ়িলে সময়ত হাবাথুৰি খাব নালাগে। সময় পাখিলগা কাঁড়ৰ দৰে। সময়ক নৈৰ পানীৰ লগত তুলনা কৰা হয়। বৈ যোৱা পানী যিদৰে ঘূৰাই পাব নোৱাৰি, অতীত হৈ যোৱা সময়কো ঘূৰাই আনিব নোৱাৰি। সময় লহমা নদীৰ সোঁতৰ দৰে আগুৱাই যায়। আমি সময়তকৈ সদায় এখোজ আগুৱাই বা সময়ৰ প্ৰতিটো মুহূৰ্তত খোজ মিলাই যাব পৰাটো দুঃসাধ্যক সাধ্য কৰা স্বৰূপ। অসমীয়াত এষাৰ কথা আছে 'সময়ৰ টিকনি হেনো আগফালে'। সকলো বস্তুকে মূল্য দি বিনিময় কৰিব পাৰি, কিন্তু সময়ক? সময়ক কোনো মূল্যৰ বিনিময়ত ঘূৰাই আনিব নোৱাৰি। গ্ৰীক দাৰ্শনিকে সময়ৰ প্ৰসংগত সোণসেৰীয়া এষাৰ কথা কৈছিল 'শ্ৰোতস্বীনি নদীৰ একেখিনি পানীত দুবাৰ গা ধুব নোৱাৰি' সময়ৰ লগত ই এশ শতাংশ বাস্তৱ সত্য।

সময়ৰ সদ্ব্যৱহাৰ মানে নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিবলগীয়া কামসমূহ নিয়ম অনুসাৰে কৰাটোৰেই সূচায়। সু-কৰ্ম কৰিলেই জীৱন সমৃদ্ধ আৰু সৰ্বাংগ সুন্দৰ হয়। সঁচা অৰ্থত কৰ্মপ্ৰেৰণাত শক্তিস্বৰূপ হৈছে সময়ৰ সদ্ব্যৱহাৰ আৰু নিয়মানুৱতিতা। সময়ক মূল্যৱান হিচাপে গণ্য কৰাজনেই উন্নতিৰ উচ্চ শিখৰত বগুৱাই যাব পাৰে। সেয়ে বাগ্মীবৰ নীলমণি ফুকনে ডাঙৰীয়াই কৈছিল—'মহাপুৰুষসকলৰ জীৱনত বিশ্ৰাম নাই। তেওঁলোকৰ কাৰণে বিশ্ৰামো এক বিশেষ ধৰণৰ শ্ৰম'।

সময়ৰ মূল্য নুবুজিলে জীৱন অমূলক। উন্নতিৰ গোপন মূল মন্ত্ৰ হৈছে উচিত সময়ত উচিত কাম কৰা। যিয়ে জীৱনত কিবা এটা কৰিব খোজে তেওঁ সময়ৰ সদ্ব্যৱহাৰ জনাটোৰেই মূল বিষয়। বিশেষকৈ ছাত্ৰসকলে ছাত্ৰ জীৱনত অবাবত সময় কেতিয়াও নষ্ট কৰিব নালাগে। দুৰ্লভ জীৱনত মানুহৰ বহুত কিবাকিবি শিকিব থাকি যায়। সেয়েহে জীৱনত সময়ৰ প্ৰতিটো পলক বিনিয়োগ কৰি আগুৱাই যোৱা উচিত।

ইংৰাজীত এষাৰ কথা আছে—'Time and tide wait for none'। সেয়েহে আমি সময়ৰ সদ্ব্যৱহাৰ কৰি নিয়মানুৱতিতা মানি জীৱনৰ উন্নতিৰ জখলাত আগুৱাব লাগে। কাৰণ সময় অমূল্য সম্পদ, যাক বিনিময় কৰিব নোৱাৰি। গতিকে প্ৰত্যেক ব্যক্তিয়ে সময় ব্যৱহাৰৰ মহত্ত্ব বুজি ভৱিষ্যৎ দিনৰ পৰিকল্পনা কৰিব লাগে।

## শান্তি নিবাস বৃদ্ধাশ্ৰমত এদিন আৰু...



■ বৰষা তালুকদাৰ

সাম্প্ৰতিক সময়ৰ এটি অতি চৰ্চিত বিষয় হ'ল বৃদ্ধাশ্ৰম, ইয়াৰ প্ৰয়োজনীয়তা, আমাৰ কৰণীয় ইত্যাদি! বহুজনে এই সম্পৰ্কে ভৰাই তুলিছে নানা গল্প, কাকত, আলোচনীৰ পৃষ্ঠা! অলপতে বন্ধু এজনৰ জন্মদিন উপলক্ষে নলবাৰীৰ 'শান্তি নিৱাস বৃদ্ধাশ্ৰমলৈ যোৱাৰ সোভাগ্য হৈছিল! এই অভিজ্ঞতা আছিল অবিস্মৰণীয়। ককা-আইতাসকলৰ সান্নিধ্যত প্ৰায় ২ ঘন্টা সময় অতিবাহিত কৰিছিলোঁ। তেওঁলোকৰ সৰলতা দেখি মুগ্ধ হৈছিলোঁ, জীৱনৰ ৭০-৮০ বছৰীয়া অভিজ্ঞতা শুনি বিস্মিত হৈছিলোঁ আৰু বৰ্তমান সময়ৰ তেওঁলোকৰ নিঃসংজ্ঞতাৰ কথা অনুভৱ কৰি বাকৰুদ্ধ হৈ পৰিছিলোঁ। আইতা এগৰাকীয়ে তেওঁৰ মন্টু নামৰ পুতেকজনক তেওঁৰ কাষলৈ আনি দিবলৈ বৰকৈ জোৰ কৰিছিল। কি ক'ম মই? প্ৰতিশ্ৰুতি দিম নে সান্ত্বনা? অনেক বিষাদ, চিন্তা বুকুত লৈ মই আৰু মোৰ বন্ধুজনে আকৌ দেখাৰ প্ৰতিশ্ৰুতিৰে তেওঁলোকৰ পৰা বিদায় লৈছিলোঁ! তেওঁলোকক দিবলৈ মোৰ একো নাই! তেওঁলোকৰ সন্তান, জী, ভতিজাক কোনোটোকেই আনি দিব নোৱাৰোঁ মই! ঘৰলৈ আহি থাকোঁতে মোৰ মনত অনেক প্ৰশ্নৰ ধুমুহা বলিছিল! ককা-আইতাসকলে কি এনেকৈয়ে তেওঁলোকৰ সন্তানে তেওঁৰ এটা খবৰ ল'ব বুলি আশা কৰি কৰি গুচি যাব এই পৃথিৱীৰ পৰা? তেওঁলোক আমাৰ মাজৰেই এজন! মোৰ মা অথবা বৰমা, কোনদিশে গৈ আছে এই সমাজৰ উচ্চশিক্ষিত ভদ্ৰ মানুহৰ মানসিকতা ? আপুনি বাময়ো বৃদ্ধ বয়সৰ সময়ত এনেদৰে নিঃসংগ জীৱন কটাব লাগিব নেকি? মোৰ সমাজৰ অভিভাৱকসকলৰ ভৱিষ্যতৰ চিন্তাই মোক জুমুৰি দি ধৰিছিল! মনৰ মাজত গমি-পিতি চাই ছিলোঁ অনেক কথা! বৰ্তমান অনেক অভিভাৱকে কোৱা শুনো—মই মোৰ সন্তানৰ ক্ষেত্ৰত 'কম্প্ৰমাইজ' নকৰোঁ! এই 'কম্প্ৰমাইজ'ৰ বাহানা দি তেওঁলোকে সন্তানক লৈ নগৰ অথবা ঠেক, চাৰিবেৰৰ ঘৰত থিতাপি লয় আৰু হয়তো তাতেই তেওঁলোকে সুখ বিচাৰি পায় ! পিছে আমি ভাবি চোৱা উচিত দূৰণিত থাকি যোৱা ককাক-আইতাকৰ মৰমখিনিৰ পৰা বঞ্চিত হোৱা সন্তানটিয়ে জানো কেতিয়াবা বুজিব নিঃস্বাৰ্থ মৰম মানে কি ? সৰুৰে পৰাই এতিয়াৰ অভিভাৱকে ল'ৰা-ছোৱালীক প্ৰতিযোগিতাৰ যুদ্ধত নমাই দিয়ে, বিলাতত গৈ পঢ়ি নাম কৰিবলৈ কয়! কিন্তু প্ৰতিযোগিতাৰ এই দৌৰত দৌৰি তেওঁলোকে যেতিয়া আত্মকেন্দ্ৰিক হৈ পৰে, তেতিয়া অভিভাৱকবোৰেই আটাইতকৈ বেছি কষ্ট পায়! প্ৰথমে নিজেই বৰুৱাৰ ল'ৰাৰ লগত আমটো ভগাই খাব নিদিয়ে, জুঠা লাগিব বুলি আৰু পিছত সেই সন্তানৰ পৰা আশা কৰে বৃদ্ধা বয়সত লগতে থাকি শুশ্ৰূষা কৰাৰ? সন্তানক কেৱল নিজৰতো ভাবিবলৈ বা নিজৰতো কৰিবলৈ নিশিকাব, এই সংস্কাৰ ল'ৰা-ছোৱালীক আমি সৰুৰে পৰাই দিব লাগিব! মানুহৰ মাজত থাকি মানুহক ভাল পাবলৈ শিকাব লাগিব! তেতিয়া হয়তো সন্তানে বুজিব— বৃদ্ধ বয়সত নিঃসংগ মাকৰ বেদনা কিমান?

ফোন ঃ ৮৮২২১৯৬৯৩২

# প্ৰথম পৃষ্ঠাৰ পৰা—

## চণ্ডীগড় বিশ্ববিদ্যালয়ৰ

মন্ত্ৰীগৰাকীয়ে টুইটযোগে কয়— 'মই নম্ৰতাৰে চণ্ডীগড় বিশ্ববিদ্যালয়ৰ সকলো শিক্ষাৰ্থীক শান্ত হৈ থাকিবলৈ অনুৰোধ জনাইছো। কোনো দোষীক ৰক্ষা কৰা নহ'ব।' এই ৬০গৰাকী আছিল বিশ্ববিদ্যালয়খনৰে হোষ্টেলৰ নিবাসী। এই ভিডিঅ' ইণ্টাৰনেটত উপলব্ধ আৰু ভাইৰেল হৈ থকা দেখা পোৱাৰ পিছত বিশ্ববিদ্যালয় চৌহদত বিশৃংখলতাৰ সৃষ্টি হয়। জানিব পৰা মতে, বিশ্ববিদ্যালয়খনৰে এগৰাকী ছাত্ৰীয়ে সেই ভিডিঅ'বোৰ তৈয়াৰ কৰিছিল আৰু সেইবোৰ ছিমলাৰ এজন যুৱকলৈ পঠিয়াইছিল, যিয়ে সেই ভিডিঅ'বোৰ ইণ্টাৰনেটত আপলোড কৰিছিল। এনে ধৰণৰ প্ৰায় ৬০টা ভিডিঅ' লিক হৈছিল, এইটো দাবী কৰা হৈছে। অভিযুক্তজনে স্পষ্টভাৱে স্বীকাৰ কৰিছিল যে আন ছোৱালী আৰু হোষ্টেল কৰ্তৃপক্ষৰ অনুমতি অবিহনেই এই ভিডিঅ'সমূহ প্ৰস্তুত কৰা হৈছিল। আন কিছু সূত্ৰ অনুসৰি, হোষ্টেল কৰ্তৃপক্ষই ঘটনাটো দমন কৰিব বিচাৰিছিল আৰু আনফালে, এনে ভিডিঅ' ভাইৰেল হোৱা বাবে বহু ছাত্ৰীয়ে আত্মহত্যাৰ প্ৰচেষ্টা চলাইছিল। অভিযুক্তগৰাকীক সকলো শিক্ষাৰ্থীয়ে গৃহবন্দী কৰি ৰাখিছিল আৰু বিশ্ববিদ্যালয় চৌহদত এক বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই প্ৰতিবাদৰ পিছতহে আৰক্ষীয়ে আহি অভিযুক্ত ছাত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। মোহালি এছ এছ পিয়ে এই ভিডিঅ' সন্দৰ্ভত কয় যে, এই ভিডিঅ'টো এগৰাকী ছাত্ৰীৰ দ্বাৰা প্ৰচাৰিত হৈ আছে। বিষয়টোৰ সমাধান বিচাৰি এখন এজাহাৰ পঞ্জীয়ন কৰা হৈছে আৰু অভিযুক্ত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰা হৈছে। অৱশ্যে, এই ঘটনাৰ সৈতে সম্পৰ্কিত কোনো মৃত্যুৰ খবৰ পোৱা হোৱা নাই। 'তদুপৰি তেওঁ উৰাবাতৰি বিয়পোৱাৰ ক্ষেত্ৰত সকলোকে সাৱধান হ'বলৈ আহ্বান জনায়। বৰ্তমান ছাত্ৰীসকলৰ শাৰীৰিক-মানসিক অৱস্থা সম্পৰ্কে পৰীক্ষা কৰা হৈছে আৰু প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে। পঞ্জাব মহিলা আয়োগৰ অধ্যক্ষ মনীষা গুলাটিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলক অভিযুক্তক উচিত শাস্তি প্ৰদান কৰাৰ আশ্বাস দিয়ে। আনফালে, অভিযুক্ত ছাত্ৰীগৰাকীয়ে বাধ্য হৈহে ছিমলাৰ যুৱকজনলৈ এই ভিডিঅ'সমূহ প্ৰেৰণ কৰিছিল বুলি আৰক্ষীক জানিবলৈ দিয়ে। পুৱতি নিশা প্ৰায় ২.৩০ বজাতেই চণ্ডীগড় বিশ্ববিদ্যালয়ৰ হোষ্টেল চৌহদত উত্তাল পৰিৱেশৰ সৃষ্টি হয়। বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ ৬০ গৰাকী ছাত্ৰীয়ে গা ধোৱাৰ এটা ভিডিঅ' শেহতীয়াকৈ ভাইৰেল হৈছে। ছাত্ৰীসকলে দেওবাৰে পুৱতি নিশাই ঘটনাটোৰ বিৰুদ্ধে প্ৰতিবাদ কৰে। অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হ'ব লগা হয়। অভিযোগ কৰা হৈছে যে হোষ্টেলৰ এগৰাকী ছাত্ৰীয়ে এই ভিডিঅ'বোৰ কৰিছিল। তাৰ পিছত ভিডিঅ'টো ছিমলাৰ পৰা এটা ল'ৰালৈ প্ৰেৰণ কৰা হৈছিল। সেই ল'ৰাটোৱেই ছাত্ৰীসকলে গা ধোৱাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল কৰি দিছিল। অভিযুক্ত ছাত্ৰীগৰাকীৰ বিৰুদ্ধে আইপিচি আৰু আইটি আইনৰ ৩৫৪চি ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছে। অভিযুক্ত ছাত্ৰীগৰাকী এমবিএৰ প্ৰথম বাৰ্ষিকত অধ্যয়ন কৰি আছে। ইপিনে, ছ'চিয়েল মিডিয়াৰ এটা পোষ্টত দাবী কৰা হৈছে যে যিসকল ছাত্ৰীৰ ভিডিঅ' ভাইৰেল হৈছে তেওঁলোকৰ বহুতে আত্মহত্যাৰ চেষ্টা কৰিছে। আৰক্ষীয়ে অৱশ্যে দাবী কৰিছে যে কোনো আত্মহত্যাৰ চেষ্টাৰ খবৰ পোৱা হোৱা নাই বা কাৰো মৃত্যু হোৱা নাই। আনহাতে, শনিবাৰে নিশা চৌহদত হুলস্থুলৰ সৃষ্টি হোৱাৰ পিছত শ শ শিক্ষাৰ্থী ৰাজপথলৈ ওলাই আহে। পুৱাৰ ভাগত প্ৰতিবাদ কৰা ছাত্ৰীসকলৰ এটা ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰিছে। কেইবাটাও সামাজিক মাধ্যমৰ পোষ্টত অভিযোগ কৰা হৈছে যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই গোটেই বিষয়টো ঢাকিবলৈ চেষ্টা কৰি আছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। তাৰ মাজতে ঘটনাৰ সৈতে জড়িত আন এটা ভিডিঅ' ভাইৰেল হৈ পৰিছে। তাত এগৰাকী ছাত্ৰীক কোৱা শুনা গৈছে যে তেওঁ এই গা-ধোৱাৰ ভিডিঅ' প্ৰকাশ কৰিছে। তাৰ বাবে তেওঁ ক্ষমা বিচাৰিছে। ইপিনে, পঞ্জাবৰ শিক্ষামন্ত্ৰী হৰজ্যোৎ সিং বেন্সে আন্দোলনকাৰী ছাত্ৰীসকলক শান্ত হৈ থাকিবলৈ আহ্বান জনাইছে। তেওঁ কয়, 'এইটো এটা অতি সংবেদনশীল বিষয়। এইটো আমাৰ ভগ্নী আৰু কন্যাসকলৰ মৰ্যাদাৰ সৈতে সম্পৰ্কিত। সংবাদ মাধ্যমকে ধৰি আমি সকলোৱে এই বিষয়ে অতি সাৱধান হোৱা উচিত। এতিয়া এইটো এখন সমাজ হিচাপে আমাৰ বাবে এক পৰীক্ষা।'

## নতুনকৈ নিৰ্মাণ কৰি যোৱা

প্ৰতিযোগিতা চলাৰ বাবেই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰি যোৱাৰ পিছমুহূৰ্ততে ঘাইপথ সুৰংগলৈ পৰিণত হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থাৰ দ্বাৰা নিৰ্মাণ কৰা ডিমৌ দিহাজানত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথৰ ওপৰত বৃহৎ সুৰংগটো দেখি চিন্তা পথচাৰী, যান-বাহন চালকসকল। যিকোনো সময়তে বৃহৎ দুৰ্ঘটনা হোৱাৰ আশংকা ৰাইজৰ, স্থানীয় ৰাইজে ১৭ ছেপ্টেম্বৰৰ পুৱাৰ ভাগত প্ৰত্যক্ষ কৰা সুৰংগটোত বাঁহৰ খুঁটা দি সতৰ্ক সংকেত দি থৈ চৰকাৰ আৰু নিৰ্মাণকাৰী সংস্থাক ব্যৱস্থা গ্ৰহণ দাবী জনাইছে। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত নিৰ্মাণকাৰী সংস্থা আৰু ঠিকাদাৰৰ চূড়ান্ত মইমতালিৰ ফলত পথৰ ওপৰত সুৰংগ সৃষ্টি হোৱাত সমগ্ৰ অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## য়েছে দৰজে ঠংচিলৈ

সম্প্ৰীতিলৈ অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিলৈ। ২৪ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া মহাবিদ্যালয়ৰ ৬৩সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিশিষ্ট সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে ২০১৭ বৰ্ষৰ পৰা মহাবিদ্যালয়খনে আনন্দৰাম ঢেকিয়াল ফুকন বঁটা প্ৰদান কৰি আহিছে। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয় কুমাৰ সিংহই আজি এক বিবৃতিযোগে এই কথা জানিবলৈ দিয়ে। ইপিনে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰেক্ষাগৃহত ২৪ ছেপ্টেম্বৰৰ দিনৰ ১২ বজাৰ পৰা আৰম্ভ হ'ব লগা মুকলি সভাত মুখ্য অতিথি হিচাপে অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰা আৰু নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে ২০০১ চনৰে পৰা 'আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতানুষ্ঠান' অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য যে ড° হীৰেন গোহাঁই, ভবেন বৰুৱা, ড° নৰেন কলিতা, ড° ৰাজেন শইকীয়া, ৰঞ্জিত কুমাৰ দেৱগোস্বামী আদিৰ দৰে বিদ্বান ব্যক্তিয়ে বিগত সময়ত উক্ত বক্তৃতা প্ৰদান কৰি গৈছে। আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্মদিন উপলক্ষে চলিত বৰ্ষৰ ২২ ছেপ্টেম্বৰত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া 'আনন্দৰাম ঢেকিয়াল ফুকন আৰু আধুনিক অসমৰ সপোন' শীৰ্ষক বক্তৃতানুষ্ঠানত বক্তা হিচাপে অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ড° ননীগোপাল মহন্তই। আনহাতে, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ সোঁৱৰণত মহাবিদ্যালয়খনে আয়োজন কৰি অহা সদৌ অসম আন্তঃ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন এইবাৰ ২৩ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ২৪ ছেপ্টেম্বৰৰ বঁটা প্ৰদান অনুষ্ঠানৰ দিনটোত পুৱাবেলা মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখনো অনুষ্ঠিত হ'ব। আনহাতে, ২৫ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী গীতাঞ্জলি দাস আৰু অভিনৱ হাজৰিকাই গীত পৰিৱেশন কৰিব। উল্লেখ্য যে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ দিন ৭ ছেপ্টেম্বৰ আছিল যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২য় আৰু ৪ৰ্থ ষাণ্মাসিকৰ পৰীক্ষাসমূহ চলি থকাৰ বাবে উক্ত দিনত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব পৰা নগৈছিল। সেয়ে ২২ ছেপ্টেম্বৰৰ পৰা ২৫ ছেপ্টেম্বৰলৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, বঁটা প্ৰদান, নৱাগত আদৰণী সভাকে ধৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ব্যৱস্থা কৰা বুলি মহাবিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

## আমাৰ দলৰ সভাপতি কোন?

কামবোৰ বিজেপিয়ে সম্পূৰ্ণ কৰিছে। ইৰাণীয়ে দাবী কৰে— 'বিজেপি চৰকাৰৰ সময়ত সমগ্ৰ দেশতে শৌচালয় নিৰ্মাণ কৰা হৈছে। ইয়াৰে ২ লাখ শৌচালয় কেৱল হিমাচল প্ৰদেশত নিৰ্মাণ কৰা হৈছে।' দেশত মহিলাসকলৰ বাবে পৰ্যাপ্ত শৌচালয় নথকাৰ বিষয়টোত কংগ্ৰেছ চিন্তিত হোৱা নাছিল বুলিও তেওঁ কয়। কংগ্ৰেছে আনকি অটল সুৰংগৰ কামো সম্পূৰ্ণ কৰা নাছিল বুলি ইৰাণীয়ে দাবী কৰে। তেওঁ কয়— 'কংগ্ৰেছ কৰ্মীসকলে নিজেই সুধিছে যে আমাৰ দলৰ সভাপতি কোন? কংগ্ৰেছ দলে ভাৰত জোড়ো যাত্ৰা কৰি আছে। কিন্তু তেওঁলোকেই ভাৰতক টুকুৰা টুকুৰাকৈ বিভক্ত কৰাত অৰিহণা যোগাইছে।'

## শংকিত হোৱাৰ কোনো কাৰণ

ঘটনাই এলেকাটোৰ ৰাইজক শংকিত কৰি তুলিছিল। এই ঘটনাটোক লৈ একাংশ লোক শংকাত ভুগি থকাৰ বিপৰীতে আন একাংশই আকৌ উক্ত পৰিঘটনাটোক এক অলৌকিক ঘটনা হিচাপে উপস্থাপন কৰিবলৈ উঠিপৰি লাগিছিল। উল্লেখ্য যে, উক্ত পৰিঘটনাটো লৈ যাতে কোনোৱে অন্ধ বিশ্বাস বিয়পাব নোৱাৰে সেই দিশত বিশেষ গুৰুত্ব আৰোপ কৰে অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ লগতে গোৰেশ্বৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু আৰক্ষী প্ৰশাসনে। সেয়েহে উক্ত পৰিঘটনাটোৰ সন্দৰ্ভত প্ৰকৃত ৰহস্য উদ্‌ঘাটনৰ বাবে অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাই ভূতত্ত্ববিদ তথা ভূ-বৈজ্ঞানিকক আহ্বান জনাই অহাৰ পিছত আজি বিয়লি অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সম্পাদক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ত্ববিদ বিভাগৰ মুৰব্বী অধ্যাপক ড° ভগৱতপ্ৰাণ দুৱৰা আৰু অসম বিজ্ঞান সমিতিৰ বিজ্ঞান বিষয়া চন্দ্ৰ বৰ্মনে আহি ভূ-গৰ্ভৰ পৰা গৰম পানী আৰু এচিদ জাতীয় পদাৰ্থৰ গোন্ধ ওলাই থকা ঠাই খণ্ড প্ৰায় আঢ়ৈ ঘণ্টা সময় ধৰি পৰ্যবেক্ষণৰ লগতে পানী উষ্ণতাৰ প্ৰাথমিক পৰীক্ষাৰ কৰি উন্নত পৰীক্ষাৰ বাবে পানী আৰু মাটি সংগ্ৰহ কৰে। অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সভাপতি সম্পাদক ক্ৰমে লোহিত বড়ো, মহচিনুল হক আহমেদ, জিলা সমন্বয়ক ধৰ্মকান্ত ৰাজবংশী, অঞ্জিমা নাৰ্জাৰী, বীৰেন দাস, লতিফ চৌধুৰী আদিকে ধৰি কেইবাগৰাকী বিজ্ঞান সমিতিৰ আজীৱন সদস্যৰ উপস্থিত গৰম পানী ওলোৱা স্থান পৰ্যবেক্ষণ কৰাৰ অন্তত ভূতত্ত্ববিদ ড° ভগৱতপ্ৰাণ দুৱৰাই অন্তত স্থানীয় সাংবাদিকৰ আগত গোৰেশ্বৰ বেঙেনাআটীত ভূ-গৰ্ভৰ পৰা গৰম পানী ওলাই থকা ঘটনাক লৈ এলেকাবাসী শংকাত থকাৰ কোনো কাৰণ নাই বুলি নিশ্চয়তা দিয়ে। ভূ-গৰ্ভৰ পানীৰ তৰপৰ সন্দৰ্ভতো ভূ-তত্ত্ববিদগৰাকীয়ে কিছু ব্যাখ্যা। আজি ভূ-তত্ত্ববিদগৰাকীক পানী-মাটি আদি পৰীক্ষা কৰা কাৰ্যত বিশেষভাৱে সহযোগ কৰে স্থানীয় যুৱক কাৰ্তিক ডেকাই।

## দুৰ্নীতি নিবাৰক শাখাৰ হাতত

এইগৰাকী ঔষধ পৰিদৰ্শিকাই এগৰাকী ব্যক্তিৰ পৰা ফাৰ্মাচীৰ লাইচেন্স দিয়াৰ নামত উৎকোচ লোৱাৰ সময়তে হাতে-লোটে গ্ৰেপ্তাৰ কৰে দুৰ্নীতি নিবাৰক শাখাই, বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজা ৰাজ্যজুৰি উলহ-মালহেৰে পালন কৰি থকাৰ সময়তে যোৰহাট বঙালপুখুৰীস্থিত ঔষধ পৰিদৰ্শক কাৰ্যালয়ত এগৰাকী ঔষধ পৰিদৰ্শিকাই এনেদৰে এখন দুৰ্নীতিৰ বজাৰ মেলি বহি থকাৰ পিছত দুৰ্নীতি নিবাৰক আৰু তদৰাকী শাখাৰ হাতত গ্ৰেপ্তাৰ হোৱা ঘটনাই সমগ্ৰ জিলাখনত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। ইপিনে বিষয়াগৰাকী বাসগৃহত তদাৰকী শাখাই অভিযান চলাই নগদ টকা আৰু কিছু সামগ্ৰী জব্দ কৰে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যজুৰি দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়াৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ নীতি গ্ৰহণ কৰা বাবে এজনৰ পিছত এজনকৈ দুৰ্নীতিগ্ৰস্ত বিষয়া দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিছে।

## মুন্নাভাইৰূপীৰ ভুল চিকিৎসাৰ

গাঁৱৰ মাতু দাস (৩৫) নামৰ মহিলাগৰাকীয়ে যোৱা ১৬ ছেপ্টেম্বৰত মেৰাপানীৰ সামূহিক চিকিৎসালয়ত দেখুওৱাৰ পিছত চিকিৎসালয়ত চিকিৎসকে ঔষধ লিখি দিয়ে। কিন্তু মহিলাগৰাকীৰ টকাৰ অভাৱৰ বাবেই উক্ত দিনা ঔষধ ক্ৰয় কৰিব নোৱাৰি চিকিৎসা নকৰি গুচি যায়। আজি ওচৰৰে দীপক চুতীয়া নামৰ গাঁৱলীয়া চিকিৎসকৰ যোগেদি ঔষধ আনিবলৈ দিওঁতে, গাঁৱলীয়া চিকিৎসক দীপক চুতীয়াই হাস্পতালে ঔষধ প্ৰেছক্ৰাইব কৰা কাগজখন চাই এইবোৰৰ ঔষধ নহ'ব বুলি তেওঁৰ নিজৰ মতে অন্য চেলাইন লগাই বেজী দিওঁতেই মাতু দাস নামৰ মহিলাগৰাকীৰ মৃত্যু ঘটে বুলি পৰিয়ালৰ লোকে অভিযোগ আনিছে। অভিযোগ মতে, মহিলাগৰাকীৰ পৰা নগত ৫০০ টকা লৈ মহিলাগৰাকীৰ নাৰ্ভৰ ৰোগ আছে বুলি মাটিৰ ওপৰতে শুৱাই চেলাইন বেজী দিয়াৰ অলপ সময়ৰ পিছতে মহিলাগৰাকী হাত-ভৰি কোঁচাই আনে আৰু মুখেৰে ফেন বাহিৰ হয় বুলি জানিবলৈ দিছে। মুহূৰ্তে মহিলাগৰাকীৰ এনে অৱস্থা দেখি ততাতৈয়াকৈ মেৰাপানী সমূহিক চিকিৎসালয়লৈ ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মহিলাগৰাকী মৃত বুলি ঘোষণা কৰে। আনহাতে, মুন্নাভাইৰূপী মেৰাপানী উদপুৰৰ দীপক চুতীয়া নামৰ ব্যক্তিজনৰ বিৰুদ্ধে পৰিয়ালৰ লোকে মেৰাপানী থানাত এজাহাৰ দাখিল কৰিছে। এই ঘটনাৰ পিছতেই বৰ্তমানে পলাতক হৈ আছে দীপক চুতীয়া।



সংবাদ মেল সম্বোধনৰ ছবি

## নাটক এটা গতি, এই গতিৰ পিছে পিছে দৌৰাই নিয়ম

### অপেছাদাৰী নাট্যদল হেৰাই যোৱাটো জাতিৰ বাবে চৰম দুৰ্ভাগ্য ঃ শিক্ষাবিদ অমল চন্দ্ৰ দত্তৰ ৮০সংখ্যক জন্মদিনত প্ৰবীণ নাট্যকাৰ ড° অখিল চক্ৰৱৰ্তী

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ ছেপ্টেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ তথা আমগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অভিনেতা অমল চন্দ্ৰ দত্তৰ ৮০সংখ্যক জন্মদিন আজি শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অধ্যাপক বিমান শেনচোৱা বৰুৱাই আঁত ধৰা এই অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই। যুৱদলৰ সম্পাদক সন্তোষ দত্তই অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পিছত বিমান শেনচোৱা বৰুৱা সম্পাদিত অভিনন্দন গ্ৰন্থ 'অমল চন্দ্ৰ দত্ত' উন্মোচন কৰে অসমৰ প্ৰবীণ নাট্যকাৰ ড° অখিল চক্ৰৱৰ্তীয়ে। ইয়াৰ পিছতেই 'অপেছাদাৰী নাট্য দলৰ ভৱিষ্যৎ আৰু আমাৰ কৰণীয়' শীৰ্ষক বক্তৃতা প্ৰদান কৰি প্ৰবীণ নাট্যকাৰ ড° অখিল চক্ৰৱৰ্তীয়ে কয় যে, উপন্যাস, গল্প আৰু নাটকৰ যথেষ্ট পাৰ্থক্য আছে। উপন্যাস এখন নিজৰ ইচ্ছা মতে পঢ়িব পাৰি। গল্প এটা ভাল নালাগিলে আধাতে সামৰিব পাৰি। কিন্তু এখন নাটক ভাল নালাগিলেও দৰ্শকৰ সৈতে বহি চাই থাকিব লগা হয়। নাটক এটা গতি, এই গতিৰ পিছে পিছে দৌৰাটো নিয়ম। এতিয়া আমাৰ অসমত অপেছাদাৰী নাট্যদলবোৰ দুখ লগাকৈ নোহোৱা হৈ পৰিছে। ৭০- ৮০ দশকত আমাৰ বিভিন্ন মঞ্চত দপদপাই থকা নাট্যদলবোৰ আমাৰ মাজৰ পৰাই হেৰাই যোৱাটো জাতিৰ বাবেই চৰম দুৰ্ভাগ্য। তাহানিৰ শিৱসাগৰৰ মঞ্চত দপদপাই থকা মিলিত শিল্পী সমাজ নামৰ নাট্য অনুষ্ঠানটো যোৰহাটত 'ৰঙা পুলিচ' কৰি অদৃশ্য হৈ গ'ল। অপেছাদাৰী নাট্যদলসমূহে নাটক মঞ্চস্থ কৰোঁতে সময় ৰক্ষা কৰিব নোৱাৰে। ভ্ৰাম্যমাণৰ বাবে নাটক লিখা নাট্যকাৰসকলেও অপেছাদাৰী নাট্য দলক ভাল নাটক নিদিয়ে। দৰ্শকে বিচৰা মতে ভাল নাটক উপহাৰ দিব নোৱাৰাৰ বাবে এনে নাটকৰ দৰ্শকো হতাশ হৈ পৰে। ভ্ৰাম্যমাণৰ নাটকৰ সৈতে অপেছাদাৰী নাট্য দলসমূহে সমানে ফেৰ মাৰিব নোৱাৰে। এতিয়া সময় বহুত সলনি হ'ল। দৰ্শকৰ ৰুচিবোধ সলনি হ'ল। ভ্ৰাম্যমাণৰ দৰেই উন্নত প্ৰযুক্তি, পোহৰ, শব্দ আৰু অত্যাধুনিক কৌশলৰ জৰিয়তে আমাৰ অপেছাদাৰী নাট্য দলসমূহে নাটসমূহ মঞ্চস্থ কৰি দৰ্শকৰ মন জয় কৰিব লাগিব। তেতিয়াহে মৰহি যাব ধৰা অপেছাদাৰী নাট্য দলৰ নাটকসমূহ পুনৰ সজীৱ হৈ উঠিব বুলি ড° অখিল চক্ৰৱৰ্তীয়ে মন্তব্য কৰে। বিশিষ্ট অতিথিৰ ভাষণত শিৱসাগৰ কলেজৰ প্ৰাক্তন গ্ৰন্থাগাৰিক তথা গীতিকাৰ দেৱ হাজৰিকাই শিক্ষাবিদ অমল চন্দ্ৰ দত্তই শিৱসাগৰৰ সমাজ জীৱনলৈ আগবঢ়াই যোৱা বিভিন্ন অৱদানৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে। এই অনুষ্ঠানত মংগলাচৰণ কৰে চামৰিন চাদিকে, ভংগিমা কলাক্ষেত্ৰৰ শিল্পীসকলে সত্ৰীয়া নৃত্য প্ৰদৰ্শনৰ পিছত কবিতা আবৃত্তি আৰু ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে ক্ৰমে ময়ূৰী দত্ত আৰু পৰিণীতা দত্ত নেওগে। জন্মদিনৰ এই অনুষ্ঠানত শিৱসাগৰৰ অৰ্ধ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে অমল চন্দ্ৰ দত্তক জন্মদিনৰ ওলগ জনায়।

## গৃহ জিলা ডিব্ৰুগড়ত সৰ্বানন্দ

কুমাৰ দলে, ড° অমিয় কুমাৰ ভূএঞা, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ, প্ৰাক্তন বিধায়ক অশোক শৰ্মা প্ৰমুখ্যে দলীয় বিষয়ববীয়া, কাৰ্যকৰ্তাসকলকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে। বিহু, ঝুমুৰকে ধৰি বিভিন্ন লোক-সংস্কৃতিৰে মুখৰ হৈ পৰাৰ ক্ষণত ৰাইজৰ অকুণ্ঠ মৰম-আশীৰ্বাদ আৰু সঁহাৰি প্ৰত্যক্ষ কৰি সোণোৱালে অত্যন্ত অভিভূত হোৱা বুলি উল্লেখ কৰে আৰু কয় যে, ৰাইজৰ এই নিভাঁজ মৰম-স্নেহ আৰু আশীৰ্বাদৰ ওচৰত তেওঁ চিৰকৃতজ্ঞ। ইয়াৰ পিছতেই ৰাইজৰ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে সোণোৱালে ডিব্ৰুগড়ৰ মানকটাস্থিত আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহলৈ গমন কৰে। তাতো তেওঁক শোভাযাত্ৰাৰে উষ্ম আদৰণি জনোৱা হয়। এই অনুষ্ঠানতো অংশগ্ৰহণ কৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক আৰু দলীয় বিষয়ববীয়া, কাৰ্যকৰ্তাসকলে। প্ৰিয় নেতাগৰাকীক কাষতে পাই সকলোৱে উৎফুল্ল হৈ পৰে আৰু তেওঁক অফুৰন্ত অভিনন্দন আৰু সম্ভাষণেৰে ওপচাই দিয়ে। অনুষ্ঠানত প্ৰতি-সম্ভাষণ জনাই আৰু সংবাদ মাধ্যমক সম্বোধন কৰি সোণোৱালে কয়— 'ভাৰতীয় জনতা পাৰ্টী এটা সু-শৃংখলিত আৰু দেশমাতৃৰ বাবে চিৰ উৎসৰ্গিত দল, যাৰ প্ৰতিটো কামে দেশবাসীৰ কল্যাণ সাধন কৰাৰ লগতে দেশপ্ৰেমৰ চেতনাৰে ৰাষ্ট্ৰবাসীক উদ্বুদ্ধ কৰি আহিছে। বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দলটোৰ মজিয়াত এই অভাজনে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰি গৌৰৱ অনুভৱ কৰিছোঁ। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আৰু বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডা ডাঙৰীয়াৰ মাৰ্গদৰ্শন মৰ্মে আমি প্ৰতিগৰাকী কাৰ্যকৰ্তাই দেশৰ স্বাৰ্থত অহৰ্নিশে কাম কৰি যাবলৈ বদ্ধপৰিকৰ। শেহতীয়াকৈ দলে এই অভাজনক কেন্দ্ৰীয় সংসদীয় ব'ৰ্ড আৰু নিৰ্বাচনী সমিতিত স্থান দিয়াৰ বাৰ্তাই উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা ভাৰতীয় জনতা পাৰ্টীৰ সদিচ্ছা, আন্তৰিকতা আৰু মৰমক পুনৰবাৰ প্ৰতিফলিত কৰিলে। এই গুৰু দায়িত্ব মোৰ কান্ধত অৰ্পণ কৰাৰ বাবে মাননীয় মোদী ডাঙৰীয়া, নাড্ডা ডাঙৰীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। দলে দিয়া প্ৰতিটো দায়িত্ব নিষ্ঠা আৰু সমৰ্পিতভাৱে পালন কৰি মই দেশমাতৃৰ সেৱা কৰি যাম। ৰাষ্ট্ৰস্বাৰ্থৰ সংকল্প লৈ আমি সকলোৱে ঐক্যবদ্ধ প্ৰচেষ্টাৰে কাম কৰি যাব লাগিব।' তদুপৰি সোণোৱালে কয়, 'মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ সবল নেতৃত্বত সমগ্ৰ দেশৰ সমান্তৰালভাৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলেও উন্নয়নৰ অগ্ৰগামী বাটেৰে আগুৱাই গৈছে। মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত সম্ভৱ হোৱা উন্নয়নৰ নৱজাগৰণে উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মীৰ ৰূপত জিলিকাই তুলিছে আৰু স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰিছে। মোদী ডাঙৰীয়াৰ নেতৃত্বত এই প্ৰগতিৰ যাত্ৰা অদম্য, অবিৰত আৰু অপ্ৰতিৰোধ্য। অসমতো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অবিৰত উন্নয়নৰ যাত্ৰাক আগুৱাই নিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ডাবল ইঞ্জিন চৰকাৰৰ যৌথ প্ৰচেষ্টাত আজি অসমত সৰ্বস্তৰৰ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ বহু আকাংক্ষিত আৰু দীৰ্ঘদিনীয়া সমস্যাবোৰৰ সমাধান হৈছে। ইয়াৰ ফলত শান্তি-সমন্বয়ৰ যোগেদি এক ইতিবাচক বাতাৱৰণৰ সৃষ্টি হৈছে।' ইয়াৰ পিছতেই সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় জিলা বিজেপিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাৰত মাতাৰ প্ৰতিচ্ছবিত সেৱা জনায় আৰু কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। দলীয় কাৰ্যালয়তো তেওঁক কাৰ্যকৰ্তাসকলে উষ্ম অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। কাইলৈ সোণোৱালে ডিব্ৰুগড়ৰ নদী সম্পৰ্কীয় আন্তঃগাঁথনিক গতিশীলতা প্ৰদান কৰাৰ বাবে কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। বগীবিলত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ (এন এফ আৰ) নৈ কাষৰীয়া পৰ্যটক জেটীৰ শুভ উদ্বোধন কৰাৰ উপৰি বগীবিল আৰু গুইজানত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ ফ্ল'টিং জেটীৰ তেওঁ আধাৰশিলা স্থাপন কৰিব। তদুপৰি, তেখেতে অসম চিকিৎসা মহাবিদ্যালয়ৰ এটা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

## 'আমাৰ ছোৱালীবোৰ আমাৰ

গৌৰৱ... ঘটনাটোৰ এক উচ্চস্তৰৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে... যি দোষী সাব্যস্ত হয় তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব'। মানে আজি টুইটাৰত এই কথা কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘটনাটো সন্দৰ্ভত প্ৰশাসনৰ সৈতে যোগাযোগ কৰি থকা বুলিও উল্লেখ কৰে। তেওঁ লগতে উৰাবাতৰি বিশ্বাস নকৰিবলৈ সকলোকে আহ্বান জনায়। শিক্ষাৰ্থীসকলক শান্ত হৈ থাকিবলৈ আৰু সংবাদ মাধ্যমক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে ৰাজ্যখনৰ শিক্ষামন্ত্ৰীগৰাকীয়েও মন্ত্ৰীগৰাকীয়ে টুইটযোগে কয়— 'মই চণ্ডীগড় বিশ্ববিদ্যালয়ৰ সকলো শিক্ষাৰ্থীক শান্ত হৈ থাকিবলৈ অনুৰোধ জনাইছোঁ, কোনো দোষীক সাৰি যাবলৈ দিয়া নহ'ব।' এই ৬০গৰাকী আছিল বিশ্ববিদ্যালয়খনৰে হোষ্টেলৰ নিবাসী। এই ভিডিঅ' ইণ্টাৰনেটত উপলব্ধ আৰু ভাইৰেল হৈ থকা দেখা পোৱাৰ পিছত বিশ্ববিদ্যালয় চৌহদত বিশৃংখলতাৰ সৃষ্টি হয়। জানিব পৰা মতে, বিশ্ববিদ্যালয়খনৰে এগৰাকী ছাত্ৰীয়ে সেই ভিডিঅ'বোৰ তৈয়াৰ কৰিছিল আৰু সেইবোৰ ছিমলাৰ এজন যুৱকলৈ পঠিয়াইছিল, যিয়ে সেই ভিডিঅ'বোৰ ইণ্টাৰনেটত আপলোড কৰিছিল।

## যি হ'ব পাৰে প্ৰেৰণা

আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক ধন্যবাদ জ্ঞাপন কৰিছে মৃদুল কলিতাৰ পৰিয়ালৰ।

**চাপৰ বজাৰৰ ফুটপাথত চাহ দোকান দিয়া মাতৃ-পুত্ৰ এতিয়া অসম আৰক্ষী ঃ পিতৃহীন পুত্ৰ ছাহিদ আলী অসম আৰক্ষীত নিযুক্তি ঃ চাপৰ কাজিপাৰাৰ ছহিদা বেগমৰ একমাত্ৰ পুত্ৰ এতিয়া অসম আৰক্ষীৰ ট্ৰুট কনষ্টবল ঃ টকা অবিহনে চাকৰি লাভ কৰাত ধন্যবাদ জ্ঞাপন অসমৰ মুখ্যমন্ত্ৰীক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ ঃ** আজি ঘোষণা হ'ল অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফল। অসম আৰক্ষীৰ ফলাফলত উত্তীৰ্ণ ধুবুৰী জিলাৰ চাপৰ কাজিপাৰাৰ ছাহিদ আলী। দৰিদ্ৰতাক নেওচি নিজৰ লক্ষ্য স্থিৰ ৰাখি কষ্ট আৰু আপ্ৰাণ চেষ্টাৰে সফলতা লাভ কৰিলে ধুবুৰীৰ চাপৰৰ ছহিদা বেগমৰ একমাত্ৰ পুত্ৰ ছাহিদ আলী। ছাহিদ আলী নামৰ যুৱকজনে লাভ কৰিলে অসম আৰক্ষীৰ চাকৰি। পুত্ৰৰ চাকৰি পোৱাৰ খবৰ পাই মাতৃ উৎফুল্ল হৈ পৰিছে। একেবাৰে দৰিদ্ৰ ঘৰৰ পৰা অসম আৰক্ষীত চাকৰি পোৱাৰ পিছত মাতৃয়ে আৱেগিক হৈ পৰে। অসম চৰকাৰে স্বচ্ছ আৰু নিকা পদ্ধতিৰে পৰীক্ষা অনুষ্ঠিত কৰি নিযুক্তি প্ৰদান কৰাৰ বাবে অসম চৰকাৰকো ধন্যবাদ জ্ঞাপন কৰে আলীৰ মাতৃয়ে। লগতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰে।

**দিন হাজিৰা কৰা, আধিয়াৰ খেতিয়কৰ ল'ৰা, সৰুতেই পিতৃক হেৰুওৱা দৰিদ্ৰ ঘৰৰ ছোৱালীয়ে পালে কমাণ্ডোত চাকৰি ঃ মুখ্যমন্ত্ৰী, অসম চৰকাৰক ধন্যবাদ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা, ১৮ ছেপ্টেম্বৰ ঃ** আজি ঘোষিত অসম আৰক্ষীৰ পৰীক্ষাৰ ফলাফলত ঢকুৱাখনাৰ ২নং পিঠিয়ালৰ এটা আধিয়াৰ খেতিয়ক পৰিয়ালৰ জ্যেষ্ঠ পুত্ৰই লাভ কৰিছে কমাণ্ডোৰ চাকৰি। দিন হাজিৰা কৰা তথা আধিয়াৰ খেতিয়ক পদেশ্বৰ দাস আৰু সুমলা দাসৰ জ্যেষ্ঠ পুত্ৰ পদুম দাসে কমাণ্ডোত চাকৰি লাভ কৰিছে। পদুম বৰ্তমান গুৱাহাটীৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত হৈ আছে। নিজৰ ঘৰৰ ভেটিটোৰ বাদে আন এচিকুটা মাটিও নথকা আধিয়াৰ পৰিয়ালটোৰ ল'ৰাই এটকাও নিদিয়াকৈ অসম চৰকাৰৰ স্বচ্ছ তথা নিকা নিযুক্তি প্ৰক্ৰিয়াৰে কমাণ্ডোত চাকৰি পোৱাত সন্তোষ প্ৰকাশ পিতৃ-মাতৃৰ। ইফালে দিন হাজিৰা কৰা ঘনকান্ত দাসৰ ল'ৰায়ো পালে অসম আৰক্ষী বেটেলিয়নৰ চাকৰি। আজি ঘোষিত অসম আৰক্ষীৰ পৰীক্ষাৰ ফলাফলত ঢকুৱাখনাৰ ২নং পিঠিয়ালৰ দিনহাজিৰা কৰা ঘনকান্ত দাসৰ পুত্ৰই লাভ কৰিছে অসম আৰক্ষী বেটেলিয়নৰ চাকৰি। দিন হাজিৰা কৰি কোনোমতে জীৱন নিৰ্বাহ কৰা ঘনকান্ত দাস আৰু ৰেখাৰাণী দাসৰ জ্যেষ্ঠ পুত্ৰ বিকাশ দাসে লাভ কৰিছে অসম আৰক্ষী বেটেলিয়নৰ চাকৰি। অতি দৰিদ্ৰ পৰিয়ালৰ সন্তান বিকাশে এটকাও উৎকোচ নিদিয়াকৈ অসম চৰকাৰৰ স্বচ্ছ তথা নিকা নিযুক্তি প্ৰক্ৰিয়াৰে আৰক্ষীত চাকৰি পোৱাত সন্তোষ প্ৰকাশ কৰি পিতৃ-মাতৃয়ে ধন্যবাদ জনাইছে মুখ্যমন্ত্ৰী আৰু অসম চৰকাৰক। তদুপৰি ঢকুৱাখনাৰ ঘিলামৰা থানাৰ অন্তৰ্গত বাসুদেৱ থানৰ অতি দুৰৱস্থাপূৰ্ণ পৰিয়াল প্ৰয়াত যতীন (মলুৱা) শইকীয়া আৰু ৰাণু শইকীয়াৰ একমাত্ৰ জীয়ৰী আইচাৰাণী (চুম) শইকীয়ায়ো আজি ঘোষিত ফলাফল অনুসৰি লাভ কৰে অসম আৰক্ষীৰ কমাণ্ডোৰ চাকৰি। আইচাৰাণী কণমানি হৈ থকাৰ অৱস্থাতে পিতৃৰ বিয়োগ ঘটিছিল। মাতৃ ৰাণুৱে কণমানি আইচাৰাণী আৰু দুই এমাদিমা সন্তানক লৈ বহুত কষ্টৰে জীৱন যুদ্ধ চলাই নিছিল। শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰৰ সন্মুখত এখন সাধৰণ ধূপ-চাকিৰ দোকান দি ৰাণুৱে বহু ত্যাগ, কষ্ট আৰু অপবাদ সহ্য কৰি একমাত্ৰ জীয়েক আইচাৰাণীক আগবঢ়াই নিছিল পঢ়া-শুনাৰ ক্ষেত্ৰত। আইচাৰাণী শইকীয়া এগৰাকী প্ৰতিভাৱান কণ্ঠশিল্পীৰূপেও সুনাম আছে। অসম চৰকাৰৰ স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়াৰ বাবেই চাকৰি লাভ কৰিবলৈ সক্ষম হোৱাত আইচাৰাণী আৰু তেওঁৰ মাতৃয়ে ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম চৰকাৰক ধন্যবাদ জনায়।

**অসম আৰক্ষীৰ নিযুক্তিৰ পৰীক্ষাৰ ফলাফলে আশা কঢ়িয়ালে কাকজানৰ দুটা পৰিয়াললৈ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৮ ছেপ্টেম্বৰ ঃ** যি সময়ত ৰাজ্যত নিযুক্তি প্ৰক্ৰিয়াত বিভিন্ন বিসংগতিক লৈ সৰব চৰ্চা চলি আছে, সেই সময়তে আজি ঘোষিত অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ ফলাফলে আনন্দ কঢ়িয়াইছে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু দৰিদ্ৰ পৰিয়াললৈ। কাকজানতো দুগৰাকী যুৱতীয়ে সফলতা কঢ়িওৱাৰ মাজতে দুগৰাকী বিশেষ যুৱতী, কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ দুগৰাকী যুৱ খেলুৱৈ ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্যখনক প্ৰতিনিধিত্ব কৰা পৰীশ্মিতা শইকীয়া আৰু ৰাজশ্ৰী বৰাৰ সফলতা লাভে পৰিয়াললৈ আনন্দ কঢ়িয়াইছে । উল্লেখ যে দুয়োগৰাকী যুৱতীয়ে কাকজানস্থিত ফুটবল প্ৰশিক্ষক চিৰাজুল ইছলামৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণ কৰি ৰাজ্যিক আৰু আন্তঃ ৰাজ্যিক পৰ্যায়ত ফুটবল খেলৰ মাজেৰে নিজৰ স্বকীয়তা বজাই ৰাখিছিল। আজিৰ এই সফলতাত দুয়োটা পৰিয়ালৰ লগতে গাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰিছে।

**কলিয়াবৰত এগৰাকী টেম্পোচালক উত্তীৰ্ণ হৈছে কনিষ্টবল পদত ঃ ঘোষণা হ'ল অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফল**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৮ ছেপ্টেম্বৰ ঃ** অসম আৰক্ষীৰ উপ-পৰিদৰ্শককে ধৰি আৰক্ষীৰ ৫,৫০০ বিভিন্ন পদৰ ফলাফল ঘোষণা হৈছে। কলিয়াবৰতো বহু প্ৰাৰ্থীয়ে লাভ কৰিছে সফলতা। উপ-পৰিদৰ্শকৰ লগতে কনিষ্টবলৰ পদত নাম প্ৰকাশ হৈছে কলিয়াবৰৰ কেইবাজনো প্ৰাৰ্থীৰ। দলগাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ সন্তানে সফলতা লাভ কৰিছে অসম আৰক্ষীৰ কনিষ্টবল পদত। ৰেকিবুদ্দিন আহমেদ নামৰ ২৪বছৰীয়া টেম্পো এজন চালকে অসম আৰক্ষীৰ আৰ্মড্ ব্ৰেঞ্চ কনিষ্টবল পদত লাভ কৰিছে নিযুক্তি। মাতৃ গুল বেগম এগৰাকী আশাকৰ্মী। শিলঘাটস্থিত কলিয়াবৰ চাহ বাগিচাৰ দৰিদ্ৰ পৰিয়ালৰ সন্তান পিতৃহীন যুৱকে সফলতা লাভ কৰিছে অসম আৰক্ষীৰ কনিষ্টবল পদত। সীমান্ত তাছা নামৰ যুৱকজনে অসম আৰক্ষীৰ আন আৰ্মড ব্ৰেঞ্চ কনিষ্টবলত লাভ কৰিছে নিযুক্তি। মাতৃ দীপালী তাছাই চাহ বাগিচাত কাম কৰি পৰিয়ালটো চলাইছিল। কলিয়াবৰত অতি দৰিদ্ৰ পৰিয়ালৰ এজন যুৱকে কনিষ্টবল পদত নিযুক্তি লাভ কৰাৰ পিছতেই আনন্দিত অঞ্চলবাসী।

**কথা দি কথা ৰাখিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঃ কটহগুৰিত তিনি যুৱকে লাভ কৰিলে কমাণ্ডো বেটেলিয়নৰ চাকৰি ঃ কনিষ্টবলৰ প্ৰশিক্ষণ অৱস্থাতে কমাণ্ডো এছ আই পদত নিযুক্তি তাপসজ্যোতিৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৮ ছেপ্টেম্বৰ ঃ** স্বচ্ছ আৰু দুৰ্নীতিমুক্তভাৱে ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিব বুলি ঘোষণা কৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কথা দি কথা ৰাখিলে। আজি ঘোষণা কৰা অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়নৰ পদত মেধা আৰু যোগ্যতাৰ ভিত্তিত নিযুক্তি লাভ কৰিলে নগাঁও জিলাৰ ৰহাৰ বহু যুৱকে। ফলাফলৰ তালিকা অনুসৰি ৰহাৰ কটহগুৰি গাঁৱৰ কৃষক সম্ভুৰাম ডেকাৰ পুত্ৰ তাপসজ্যোতি ডেকাই কমাণ্ডো বেটেলিয়নৰ এছ আই পদত নিযুক্তি লাভ কৰিছে। উল্লেখ্য, তিনি মাহ পূৰ্বে অসম আৰক্ষীৰ কনিষ্টবল পদত কৃষক সম্ভুৰাম ডেকাৰ দুই পুত্ৰই নিযুক্তি লাভ কৰিছিল আৰু বৰপুত্ৰ তাপসজ্যোতিয়ে কনিষ্টবল পদত নিযুক্তি লাভ কৰি প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। এই তাপসজ্যোতিয়ে বৰ্তমান লাভ কৰিছে এছ আই পদ। আনহাতে, গাঁওখনৰ সাধাৰণ কৰ্মৰে জীৱন নিৰ্বাহ কৰা বুধেন ডেকাৰ পুত্ৰ পলাশ প্ৰতিম ডেকাই লাভ কৰিলে কমাণ্ডো বেটেলিয়ন পদ। লোকৰ ঘৰত হাজিৰা কৰি নিজৰ খৰচ আৰু ঘৰৰ খৰচ বহন কৰা পলাশৰ অশেষ কষ্টত মেধাৰ ভিত্তিত লাভ কৰিলে নিযুক্তি। তদুপৰি একেখন গাঁৱৰে কৃষক নোমল গাঁওখোৱাৰ পুত্ৰ ৰিপন গাঁওখোৱাই লাভ কৰিলে কমাণ্ডো কনিষ্টবলৰ চাকৰি। নিজৰ অধ্যৱসায় আৰু পৰিশ্ৰম আৰু অসম চৰকাৰৰ ঘোষণা অনুসৰি স্বচ্ছ আৰু নিকা পদ্ধতিৰে এনেদৰে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰাত অভিভাৱক তথা স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

**সৰ্বভাৰতীয় নীট পৰীক্ষাত উজলিল পাকাবেতবাৰী গাঁৱৰ ৰাজ সূত্ৰধৰ ঃ পাকাবেতবাৰী জাগৰণ জাতীয় বিদ্যালয়ৰ সম্বৰ্ধনা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ১৮ ছেপ্টেম্বৰ ঃ** সদ্যঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পাকাবেতবাৰী গাঁৱৰ দীন সূত্ৰধৰৰ পুত্ৰ ৰাজ সূত্ৰধৰে ৫৪৫ নম্বৰ লাভ কৰি সফলতাৰে উত্তীৰ্ণ হয়। দৰিদ্ৰ পিতৃ দীন সূত্ৰধৰে কাঠ মিস্ত্ৰিৰ কাম কৰি ৰাজক লিখা-পঢ়া কৰাই নীট পৰীক্ষাত উত্তীৰ্ণ কৰাবলৈ সক্ষম হয়। বৃহত্তৰ পাকাবেতবাৰী অঞ্চলৰ একমাত্ৰ ৰাজ সূত্ৰধৰে নীট পৰীক্ষাত উত্তীৰ্ণ হৈ গাঁওখনলৈ সুনাম কঢ়িয়াই আনিছে। উল্লেখ্য যে, পাকাবেতবাৰী জাগৰণ জাতীয় বিদ্যালয়ত ২০০৭ চনৰ পৰা ২০১৩ চনলৈ অংকুৰৰ পৰা পঞ্চম শ্ৰেণীলৈ তদানীন্তন বিদ্যালয়খনৰ অধ্যক্ষ পৰিমল সৰকাৰৰ নেতৃত্বত আৰু পিছলৈ পাকাবেতবাৰী ৰয়েল মিছন একাডেমীৰ স্বত্বাধিকাৰী কিশোৰ চৌধুৰীৰ তত্ত্বাৱধানত নৱোদয় বিদ্যালয়ত অধ্যয়নৰ বাবে সুযোগ লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। পিছত গুৱাহাটী আৰ্ক ইনষ্টিটিউটত এবছৰ অধ্যয়ন কৰাৰ পিছত সদ্যঘোষিত নীট পৰীক্ষাত উত্তীৰ্ণ হোৱাত ৰাজে শিক্ষাৰ পাতনি মেলা পাকাবেতবাৰী জাগৰণ জাতীয় বিদ্যালয় কৰ্তৃপক্ষই কালি সম্বৰ্ধনা জনায়। উক্ত সম্বৰ্ধনা গ্ৰহণ কৰি ৰাজে জাতীয় বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণ প্ৰসংগত কয় যে— সততা, নিষ্ঠা আৰু একাগ্ৰতাৰে সময়ৰ পাঠ সময়ত অধ্যয়নৰ মাজেৰে আয়ত্ত কৰিলে নিশ্চিতভাৱে সফলতাৰ সোৱাদ পোৱা যায় বুলি মতপোষণ কৰে। ৰাজে লগতে কয় যে, সময় হৈছে অমূল্য ধন। সেয়ে ইয়াক সঠিক ৰূপত ৰূপায়ণ কৰি শিক্ষাত ব্ৰতী হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আদৰ্শমূলক ভাষণৰ মাজেৰে আহ্বান জনায়। এই অনুষ্ঠানত ৰাজৰ মাতৃ ললিতা সূত্ৰধৰ, ককা তথা সমাজকৰ্মী চৈতন্য সূত্ৰধৰ, সাংবাদিক প্ৰদীপ কুমাৰ সৰকাৰ, বিদ্যালয়খনৰ অধ্যক্ষ আহম্মদ খান, শিক্ষক পুলিন চন্দ্ৰ ৰায় আৰু ৰহমত আলীকে ধৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকল উপস্থিত থাকে। সম্প্ৰতি ৰাজৰ এই কৃতিত্বত বৃহত্তৰ অঞ্চলবাসী উৎফুল্ল হোৱা পৰিলক্ষিত হৈছে।

### অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লৈ প্ৰথমবাৰৰ বাবে মাজুলীত উপস্থিত মন্ত্ৰী ডাঃ ৰণোজ পেগু

## 'মৰম মাজুলী'ৰ অন্তৰ্গত এটি ফিজিঅ'থেৰাপী কেন্দ্ৰ পৰিদৰ্শন কৰে জিলা চিকিৎসালয়ত

### অভিভাৱক মন্ত্ৰীয়ে মাজুলী এৰাৰ পিছতেই জিলা চিকিৎসালয়ৰ পৰা চিকিৎসকৰ অন্তৰ্ধানত প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে শেহতীয়াকৈ নতুনকৈ নিযুক্তি দিয়া মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে আজি দায়িত্ব লাভৰ পিছত প্ৰথমবাৰৰ বাবে মাজুলীত উপস্থিত হৈ কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পুৱা ১০ বজাত মাজুলীত উপস্থিত হৈ মন্ত্ৰী পেগুৱে পোনেই মাজুলী জিলা চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খন পৰিদৰ্শন কৰাৰ লগতে চিকিৎসালয়খনত থকা 'মৰম মাজুলী'ৰ অন্তৰ্গত এটি ফিজিঅ'থেৰাপী কেন্দ্ৰ পৰিদৰ্শন কৰে। চিকিৎসালয়খন পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে- মাজুলীৰ জিলা চিকিৎসালয়ত অস্ত্ৰোপচাৰৰ সুবিধা প্ৰদানৰ বাবে মই বিভাগীয় মন্ত্ৰীৰ লগত কথা পাতিছো। মাজুলীৰ মানুহে যাতে ইয়াতেই গ'ল্ড ব্লাডাৰৰ দৰে অপাৰেচন কৰিব পাৰে তাৰ বাবে আমি প্ৰয়োজনীয় এজন এনাথেচিকলজিষ্ট, এজন জেনেৰেল ছাৰ্জন আৰু এগৰাকী ৰেডিঅ'লজিষ্ট দিয়াৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি চিকিৎসালয়খনৰ ডাক্তৰৰ আৱাস গৃহসমূহ সুন্দৰকৈ নিৰ্মাণ কৰি তোলা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। একে সময়তে শেহতীয়াকৈ শিক্ষকৰ বদলিকৰণ সন্দৰ্ভত মন্ত্ৰীগৰাকীক সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে- শিক্ষকসকলে এতিয়ালৈকে দিয়া আবেদনসমূহ চাই থকা হৈছে আৰু একত্ৰিত ছাৰ্ভিচ ৰুল অনুসৰি শিক্ষকৰ বদলিৰ কামসমূহ সম্পন্ন কৰা হ'ব আৰু ইয়াত ঠিকা ভিত্তিত শিক্ষকসকলকো সামৰি লোৱা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে মাজুলীত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় স্থাপনৰ বাবে সময়ৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে গড়মূৰ সদৰ অংগনৱাড়ী কেন্দ্ৰটি পোষণ মাহ উপলক্ষে পৰিদৰ্শন কৰি কমসংখ্যক ছাত্ৰ-ছাত্ৰী থকা মাজুলীৰ বহুসংখ্যক অংগনৱাড়ী কেন্দ্ৰ অন্য বিদ্যালয়ৰ লগত একত্ৰীকৰণ কৰা হ'ব বুলি উল্লেখ কৰে। মাজুলীৰ উপায়ুক্তই কেন্দ্ৰটিত থকা সমাজ কল্যাণ বিভাগৰ পোষণ ভাটিকা মন্ত্ৰীগৰাকীক দেখুওৱাৰ পিছতে পোষণ ভাটিকা দেখি মন্ত্ৰী পেগুৱে এইবোৰ কালি-পৰহি আৰম্ভ কৰা বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে পোষণ মাহৰ লগত সংগতি ৰাখি ২নং গড়মূৰ সদৰ প্ৰাথমিক বিদ্যালয়ত গড়মূৰ সদৰ অংগনৱাড়ী কেন্দ্ৰত আয়োজন কৰা খাদ্য মেলাও পৰিদৰ্শন কৰে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে মাজুলীৰ উপায়ুক্তৰ সভাকক্ষত জিলাখনৰ জলসম্পদ, স্বাস্থ্য, শিক্ষা, লোক নিৰ্মাণ ইত্যাদি বিভাগৰ এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে— সামগ্ৰিকভাৱে মাজুলী জিলাখনৰ প্ৰতি চৰকাৰৰ এটা বিশেষ দৃষ্টি আছে। বহুখিনি প্ৰকল্প ইয়াত চলি আছে। এই প্ৰকল্পখিনি যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠে তাৰ বাবে পৰ্যালোচনা সভাত নিৰ্দেশনা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। ইফালে বিদ্যালয় প্ৰাদেশিকীকৰণ সন্দৰ্ভত সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে— ভেঞ্চাৰ স্কুলৰ ওপৰত মোৰ ক'বলগীয়া একো নাই। ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ আউটিত যিখিনি শিক্ষানুষ্ঠান পৰিলে সেইখিনি চৰকাৰে প্ৰাদেশিকীকৰণ কৰিলে। এতিয়া আইন সংশোধনৰ কোনো সিদ্ধান্ত নাই। গতিকে এই মুহূৰ্তত নতুনকৈ বিদ্যালয় প্ৰাদেশিকীকৰণৰ কথা অহাই নাই বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীৰ সমগ্ৰ চৰকাৰী কাৰ্যসূচীত মাজুলীৰ বিধায়ক ভুবন গাম, উপায়ুক্ত পুলক মহন্তৰ লগতে জিলা প্ৰশাসন, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। **অভিভাৱক মন্ত্ৰীয়ে মাজুলী এৰাৰ পিছতেই মাজুলী জিলা চিকিৎসালয়ত অন্তৰ্ধান চিকিৎসক ঃ** আজি চৰকাৰী ভ্ৰমণসূচীৰে মাজুলীলৈ অহা অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে মাজুলী জিলা চিকিৎসালয়খন পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ অভাৱ-অভিযোগ শীঘ্ৰে পূৰণৰ আশ্বাস দি যোৱাৰ পিছতেই মাজুলীৰ জিলা চিকিৎসালয়ত চিকিৎসকক বিচাৰি ৰোগীৰ আত্মীয়ই হাহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হয়। অভিভাৱক মন্ত্ৰীগৰাকীয়ে মাজুলী এৰাৰ পিছতেই চিকিৎসালয়ৰ পৰা চিকিৎসকৰ অন্তৰ্ধানৰ ঘটনাত মাজুলীত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। মাজুলীত নিযুক্ত একাংশ চিকিৎসকে গুৰু-গোসাঁই নামানে বুলিও ৰাইজে মন্তব্য কৰে।

### আগৰতলাত অনুষ্ঠিত আন্তঃৰাজ্যিক দৃষ্টিহীন ক্ৰিকেট প্ৰতিযোগিতা-২০২২

## ত্ৰিপুৰাৰ বিৰুদ্ধে ৮ উইকেটত বিজয় সাব্যস্ত অসম দলৰ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** ত্ৰিপুৰা দৃষ্টিহীন ক্ৰিকেট সন্থা আৰু সদৌ ত্ৰিপুৰা দৃষ্টিহীন সমিতিৰ উদ্যোগত ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাৰ নৰসিংহগড় পঞ্চায়ত খেলপথাৰত শণিবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা আন্তঃৰাজ্যিক দৃষ্টিহীন ক্ৰিকেট প্ৰতিযোগিতা-২০২২ৰ শণিবাৰৰ প্ৰথম দিনাৰ উদ্বোধনী খেলত অসম দলে ত্ৰিপুৰাক ৮ উইকেটত পৰাজিত কৰে ।প্ৰথমে বেট ধৰি ত্ৰিপুৰাই ১৭ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই অসম দলক জয়ৰ বাবে ১৪৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে । প্ৰত্যুত্তৰত ৰাজদ্বীপ ডাকুৱাৰ নেতৃত্বৰ অসম দলটোৱে দুটা উইকেট হেৰুৱাই ১৬ অভাৰ খেলি থাকোতেই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। অসম দলৰ হৈ মঞ্জিত চৌধুৰীয়ে ৭৬ ৰাণ আৰু হোমেন বুঢ়াগোঁহাইয়ে ২৮ ৰাণ কৰি অপৰাজিত হৈ ৰয় । অসমৰ মঞ্জিত চৌধুৰীয়ে মেন অৱ দ্যা মেচৰ সন্মান লাভ কৰে । অসম দলৰ টিম মেনেজাৰ হিচাপে অংশ লৈছে ৰঞ্জন গোস্বামীয়ে। উল্লেখযোগ্য যে আজিৰ প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত পূব ত্ৰিপুৰাৰ সাংসদ ৰেৱতী মোহন, বামুতিয়া সমষ্টিৰ বিধায়ক কৃষ্ণধন দাস আৰু ত্ৰিপুৰাৰ ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ সঞ্চালক সুবিকাশ দেৱবাৰ্মা আৰু ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত আছিল ।ইফালে উপযুক্ত প্ৰশিক্ষণ আৰু কোনো ধৰণৰ চৰকাৰী পৃষ্ঠপোষকতা আৰু সহায় অবিহনে অসমৰ দৃষ্টিহীন ক্ৰিকেট দলটোৱে প্ৰদৰ্শন কৰা এই উন্নত খেলক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে অসম দৃষ্টিহীন ক্ৰিকেট সন্থাৰ সভাপতি (স) তথা আহ্বায়ক ভৃগু বৰঠাকুৰে। তেওঁ কয় যে বহু সীমিত সা-সুবিধাৰ মাজেৰে অসমৰ দৃষ্টিহীন ক্ৰিকেট খেলুৱৈসকলে নিজৰ কঠোৰ পৰিশ্ৰমেৰে এই সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে । উপযুক্ত প্ৰশিক্ষণ লাভ কৰিলে দলটোৱে ভৱিষ্যত সময়ত অসমৰ নাম এনেকৈয়ে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্জ্বলাই তুলিবলৈ সক্ষম হ'ব বুলি তেওঁ মন্তব্য কৰে ।ইয়াৰ পূৰ্বে দলটোৱে ছত্তিশগড়ত অনুষ্ঠিত নাগেশ ট্ৰফীৰ যোগ্যতা নিৰ্ণয়কাৰী খেলতো উৎকৃষ্ট প্ৰদৰ্শন কৰিছিল।

### খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ-যুৱ মহিলা বক্সিং প্ৰতিযোগিতা

## অসম-মণিপুৰৰ খেলুৱৈৰ সুন্দৰ আৰম্ভণি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত চলি থকা থকা খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত অসম আৰু মণিপুৰৰ খেলুৱৈয়ে প্ৰত্যাশিত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ইতিমধ্যে হৈ যোৱা প্ৰথম ৰাউণ্ডৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে অসমৰ সাত গৰাকী বক্সাৰে। ইয়াৰে পাঁচগৰাকী জুনিয়ৰ ছোৱালী শাখাৰ। আনহাতে, দুগৰাকী যুৱ মহিলা শাখাৰ। আনহাতে, মনিপুৰৰ ১০ গৰাকী বক্সাৰে দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। যুৱ মহিলা শাখাত দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হোৱা অসমৰ বক্সাৰ দুগৰাকী হ'ল ৪৫-৪৮ কিলোগ্ৰাম শাখাত খেলা দিক্ষিতা বড়ো আৰু সুজমা বড়ো। বিপৰীতে যুৱ মহিলা শাখাৰ মেচত মণিপুৰৰ বক্সাৰৰ হাতত পৰাস্ত হৈ প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লয় অসমৰ প্ৰিয়ংকা স্বৰ্গিয়াৰী, ছুমি বৰা আৰু অঞ্জনা ঠাকুৰীয়া। ইফালে, জুনিয়ৰ ছোৱালী শাখাত দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হোৱা অসমৰ বক্সাৰসকল হ'ল ৪৬ কিলোগ্ৰাম শাখাত ইলাজ্যোতি পেগু আৰু স্বাগতা লক্ষ্মী। ৪৮ কিলোগ্ৰাম শাখাত প্ৰথম ৰাউণ্ডৰ দেওনা পাৰ কৰিছে অসমৰ ৰিম্পি পেগুৱে। আনহাতে, ৫২ কিলোগ্ৰাম শাখাত দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে অসমৰ শাশাৰ্দি শইকীয়া আৰু প্ৰিয়া বড়ো। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা গুৱাহাটীত অনুষ্ঠিত হৈছে। নখন ৰাজ্যৰ প্ৰায় দুশ প্ৰতিযোগীয়ে চলিত খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত অংশ লৈছে। প্ৰতিযোগিতাখনত অসমসহ অংশগ্ৰহণ কৰা নখন ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ, বংগ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰা। প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালীৰ ওজন শাখা ১৩ টা। আনহাতে, যুৱ মহিলাৰ ওজন শাখা ১২ টা। জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা সমাপন হোৱাৰ পাছত অহা ডিচেম্বৰত গুৱাহাটীত হ'ব ফাইনেল ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপখন। অন্য তিনিটা মণ্ডলৰ পৰাও জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব।

## ডাঃ ৰামদত্ত বুজৰবৰুৱা, ভূপেন চন্দ্ৰ শৰ্মা সোঁৱৰণী ফুটবল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** অসম ফুটবল সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত "বৰভাগ ইউনাইটেড স্পোৰ্টচ ক্লাৱ"ৰ উদ্যোগত, পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ, বৰখালাত চলি থকা ৩৪ তম বৰ্ষৰ বিংশতিতম বাৰ্ষিক ডাঃ ৰাম দত্ত বুজৰবৰুৱা আৰু ভূপেন চন্দ্ৰ শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কালিৰ ২য় খন প্ৰি-কোৱাটাৰ ফাইনেল খেলত লোহাৰকঠা ক্ৰীড়া সংঘই কেতেকীবাৰী জ্ঞানডা ক্ৰীড়া সংঘক ৬-৫ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী খেললৈ উন্নীত হয়। খেলখন উদ্বোধন কৰে সমাজকৰ্মী পিয়াৰ আলীয়ে। লগতে উপস্থিত থাকে শিক্ষাবিদ মাননীয় ৰামপ্ৰসাদ শৰ্মা, সমাজকৰ্মী অচ্যুৎ কলিতা, আৰু ডাঃ হেমেন শৰ্মা।

## কাচাৰৰ লেনৰোল ফুটবল ক্লাব আৰু ৬৭ বছৰৰ অন্তত নগাঁৱৰ সঞ্জীৱন সমাজ ছেমি ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত পঞ্চমখন কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত কাচাৰৰ লেনৰোল ফুটবল ক্লাবে কেৰালাৰ লুকা চ'কাৰ ক্লাবক ২ - ১ গ'লত পৰাস্ত কৰি লীগৰ সম্পূৰ্ণ পঞ্জইন্ট অৰ্জনেৰে গ্ৰুপত শীৰ্ষ স্থানত অৱস্থান কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে গ্ৰুপত দ্বিতীয় স্থান লাভ কৰি সঞ্জীৱন সমাজেও ছেমিফাইনেলত স্থান নিশ্চিত কৰে। উল্লেখযোগ্য যে, স্থানীয় দল হিচাপে ৬৭ বছৰৰ অন্তত সঞ্জীৱন সমাজে প্ৰতিযোগিতাখনত ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। কেৰালাৰ লুকা দলে গ্ৰুপৰ খেলত পঞ্জইন্ট সংগ্ৰহ কৰাত ব্যৰ্থ হয়। আজি কেৰালা দলৰ আদমে ১২ মিনিটত ফ্ৰিকিকৰ পৰা লাভ কৰা বলত হেড যোগে গ'ল দি দলক ১ - ০ গ'লৰ অগ্ৰগতি দিয়ে যদিও কাচাৰ দলৰ এক আক্ৰমনত কাপঞ্জউজান কামেই ফ্ৰিকিকৰ বল বক্সত আয়ত্ব কৰি ২৩ মিনিটত গ'ল পৰিশোধ কৰাত ১ - ১ সমতা স্থাপন হয়। পুনৰ এক পৰিকল্পিত আক্ৰমণত কাচাৰৰ জেহভা মাৰে ৩৪ মিনিটত গ'ল দি বিৰতিৰ সময়লৈ নিজ দলক ২ - ১ গ'লৰ অগ্ৰগতি দিয়ে যদিও খেলৰ অন্তত এই গ'লটোৱেই বিজয় সূচক গ'ল হিচাপে চিহ্নিত হয়। বিৰতিৰ পাছত দুয়োটা দলৰ আক্ৰমণ প্ৰত্যাক্ৰমণেৰে খেলখন আকৰ্ষণীয় হৈ উঠিলেও কোনোটো দলেই গ'ল দিবলৈ সক্ষম ন'হল। ইপিনে কালি অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতাৰ চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত অসম ৰাইফলছ দলে কেৰালা ইউনাইটেড ফুটবল ক্লাবক ২ - ০ গ'লত পৰাস্ত কৰি লীগৰ সম্পূৰ্ণ পঞ্জইন্ট অৰ্জন কৰিছিল।

## নেটফ্লিক্স ফুটবল ক্লাব বিজয়ী

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত নেটফ্লিক্স ফুটবল ক্লাবে জাফুংছাৰ ফুটবল ক্লাৱক টাইব্ৰেকাৰ পদ্ধতিৰে ৪-৩ গ'লৰ ব্যৱধানত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে । উল্লেখ্য যে নিৰ্ধাৰিত সময়ত ২-২ গ'লত খেলখন ড্ৰ হৈছিল।

## উত্তৰ-পূব উপ-ক্ৰীড়া সন্থা ছেমি ফাইনেলত

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থা উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা উপ ক্ৰীড়া সন্থা লীগৰ বি গ্ৰুপৰ খেলত আজি উত্তৰ পূব উপ ক্ৰীড়া সন্থাই উত্তৰ পশ্চিম যোৰহাট উপ ক্ৰীড়া সন্থাক ২-১ গ'লত পৰাস্ত কৰে। উত্তৰ পূব উপ ক্ৰীড়া সন্থাই বি গ্ৰুপত তিনিখন খেলত জয়ী হৈ ৯ পইন্ট সংগ্ৰহ কৰি গ্ৰুপৰ চেম্পিয়ন হ'বলৈ সক্ষম হৈছে। আজি গ্ৰুপৰ চেম্পিয়ন সূত্ৰে উত্তৰ পূব উপ ক্ৰীড়া সন্থাই এ গ্ৰুপৰ ৰাণাৰ্ছআপ দলৰ লগত ছেমিফাইনেলত মুখামুখি হ'ব।

### ১৩১সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ সামৰণি

## ফাইনেলত মুম্বাই চিটীক হৰুৱাই ইতিহাস ৰছনা কৰি চেম্পিয়ন বাংগালুৰু এফ চি

**কলকাতা, ১৮ ছেপ্টেম্বৰ ঃ** ইতিহাস গঢ়ি বাংগালুৰু এফ চিয়ে প্ৰথমবাৰৰ বাবে ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ফাইনেলত বাংগালুৰু দলে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মুম্বাই চিটী এফ চিক। উল্লেখ্য যে উভয় দলে পোনপ্ৰথমবাৰৰ বাবে ডুৰাণ্ড কাপৰ ফাইনেলত অংশ লৈছিল। কিন্তু ইতিহাস লিপিবদ্ধ হ'ল বাংগালুৰু এফ চিৰ নামত। ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল) ৰ দুই পূৰ্ব চেম্পিয়ন দল দুটাৰ চলিত ছিজনৰ প্ৰথমটো খিতাপ জয়ৰ যুঁজক লৈ ফুটবলপ্ৰেমীৰ মাজত আছিল উৎসাহ আৰু উৎকণ্ঠা। সমশক্তিৰ দল দুটাই মেচৰ আৰম্ভণিৰ পৰাই আকৰ্ষণীয় খেল খেলি আক্ৰমণৰে চাপ সৃষ্টি কৰিছিল বিপক্ষৰ ৰক্ষণ বিভাগত। কিন্তু বাংগালুৰুৰ নিখুত দুৰ্গ ৰক্ষা তথা মুম্বাইৰ ষ্ট্ৰাইকাৰৰ দুৰ্বল ফিনিচিঙে মেচৰ ফলাফলত গুৰুত্বপূৰ্ণ ভূমিকা লয়। খেলৰ ১১ মিনিটত বাংগালুৰু দলে প্ৰথমেই মেচত অগ্ৰগতি লয়। ফৰ্মত থকা দলৰ ষ্ট্ৰাইকাৰ শিৱ শক্তিয়ে গ'ল কৰি বাংগালুৰুক ১-০ ৰ অগ্ৰগতি দিয়ে। ফাইনেল মেচৰ তীব্ৰ চাপত শিৱৰ এই গ'লে বাংগালুৰু দলৰ শিবিৰলৈ লৈ আনে আনন্দ আৰু মানসিক শক্তি। কিন্তু দলে অগ্ৰগতি ধৰি ৰাখিবলৈ সক্ষম নহ'ল। খেলৰ ৩০ মিনিটত মুম্বাই চিটীয়ে সফল প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম হয়। অপুয়াই গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। এই গ'লৰ পাছতেই মেচৰ উত্তেজনা বৃদ্ধি পায়। ৩৮ মিনিটত বাংগালুৰুৰ ৰয় কৃষ্ণা আৰু শিৱই যুটি বান্ধি গ'ল কৰাৰ চেষ্টা কৰে যদিও মুম্বাইৰ গ'লৰক্ষক লাচেনপাই সেয়া ৰক্ষা কৰে। আনহাতে ৪২ মিনিটত মুম্বাইৰ হৈ অসম সন্তান বিনীত ৰায়ে সুযোগ পায়ো সঠিক দিশত শ্বট মৰাত ব্যৰ্থ হয়। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত বাংগালুৰু দলে পুনৰ অগ্ৰগতি লয়। মেচৰ ৬১ মিনিটত এলেন ক'ষ্টাই গ'ল কৰি দলক ২-১ ৰ অগ্ৰগতি দিয়ে। আনহাতে, ৬৭ মিনিটত সুনীলৰ শ্বট অলপৰ বাবে গ'ল নহ'ল। ইফালে, মুম্বাইৰ পৰিৱৰ্তিত খেলুৱৈ নগুৱেৰাই ৭৭ মিনিটত তীব্ৰ শ্বট মাৰে যদিও গ'লবাৰত লগাত সফল নহ'ল। আনহাতে, ৮৭ মিনিটত উদান্তা, শিৱ আৰু সুশীলৰ আক্ৰমণত ভাগ্যৰ বলত গ'ল হজম নকৰিলে মুম্বাই দলে। তথাপি বাংগালুৰুৰ জয় তেতিয়ালৈ নিশ্চিত হৈ গৈছিল আৰু ইতিহাস গঢ়ি দলে প্ৰথমবাৰৰ বাবে লাভ কৰে ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ ফুটবলৰ চেম্পিয়ন ট্ৰফী।

## জি এছ এ ফুটবল লীগত বিদ্যুৎ পৰিষদ, কামৰূপাৰ জয়

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** এএছইবি এছচিয়ে আজি গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগৰ মেচত মহাৰাণা এনএফ ৰেলৱে এছচিক ৫-১ গ'লত বিধ্বস্ত কৰে । এএছইবিৰ ষ্ট্ৰাইকাৰ নিকোডিম নাৰ্জাৰীয়ে হেটট্ৰিক কৰি এই বিজয়ত নিৰ্ণায়ক ভূমিকা লয় । ইফালে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি কামৰূপা এফচিয়ে ডাইনামো ক্লাবক ২-১ গ'লত পৰাস্ত কৰে । কাইলৈ ছুপাৰ ডিভিজনত অসম পুলিচ ব্লুজে গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে আৰু এ ডিভিজনত নাৰেংগী এছচিয়ে ফ্ৰন্টিয়াৰ ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব । উল্লেখ্য যে কালি এ ডিভিজনৰ এখন মেচত ৰাজবাৰী এচিয়ে মেট্ৰ' এছচিক ২-১ গ'লত পৰাস্ত কৰিছিল।

## লোহাৰকাঠাৰ জয়লাভ

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ইউনাইটেড স্পোৰ্টচ ক্লাৱৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয় খন প্ৰি-কোৱাৰ্টাৰ ফাইনেল কেতেকীবাৰী জ্ঞানদা সংঘ আৰু লোহাৰকাঠা যুৱক সংঘৰ মাজত অনুষ্ঠিত হয়। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত সমাপ্ত হয়। পিচত টাইব্ৰেকাৰ পদ্ধতিত লোহাৰকাঠাই কেতেকীবাৰীক ৫-৪ গলত পৰাস্ত কৰে। খেলখন পৰিচালনা কৰে ৰেফাৰী সুৰেশ দাসে,লাইনত সহায় কৰে কংকন শৰ্মা আৰু ময়দুল আলিয়ে।

## ড° ভূপেন দাস সোঁৱৰণী সদৌ অসম ফুটবলত বঙাইগাঁও-কোকৰাঝাৰৰ জয়

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বৰপেটাৰোড, ১৮ ছেপ্টেম্বৰ ঃ** যোৱা ১৪ ছেপ্টেম্বৰৰ পৰা নামনি অসমৰ হাউলী চণ্ডী বৰুৱা ষ্টেভিয়ামত হাউলী ক্ৰীড়া সন্থাৰ উদ্যোগত ড° ভূপেন দাস সোঁৱৰণী ফুটবলত আজি অনুষ্ঠিত খেলত কোকৰাঝাৰ চান্সওৱাং দলে শালবাৰী স্পৰ্টছ এছ'চিয়েছন দলক সহজে ৪-০ গলৰ ব্যৱধান পৰাস্ত কৰে।আনহাতে যোৱা কালি অনুষ্ঠিত আনখন খেলত বঙাইগাঁও ফ্ৰিডম ফাইটাৰছ ডি এন ডি এম এফ চি দলে হাউলী ক্ৰীড়া সন্থাক ৩-০গলৰ ব্যৱধান পৰাভূত কৰিছিল। কাইলৈ খেল আসাম গেমছ এণ্ড স্পৰ্টছ একাডেমী হাউলী বনাম গোসাঁইগাঁও আৰ এন ডি স্পৰ্টছ ক্লাব।

## পানীতোলা কয়লাভাতাত আন্তঃচাহ বাগিচা ফুটবল প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, চাবুৱা, ১৮ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ পানীতোলা কয়লাভাটাস্থিত নয়নজ্যোতি ক্লাব আৰু ইউনিকৰ্ণ ফুটবল ক্লাবৰ সৌজন্যত, পাণবাৰী বিভাগ ৰাইজৰ সহযোগত কয়লাভাটা খেলপথাৰত আজি শুভাৰম্ভ কৰা হয় প্ৰথম বাৰ্ষিক আন্তঃচাহ বাগিচা ফুটবল প্ৰতিযোগিতা। বিভিন্ন চাহ বাগিচৰ মুঠ ওঠৰটা ফুটবল দলে অংশগ্ৰহণ কৰা উক্ত ফুটবল প্ৰতিযোগিতাখনি ফিতা কাটি মুকলি কৰে সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই। ডিব্ৰুগড়স্থিত বৰবৰুৱাৰ বলাই চাহ বাগিচা আৰু বৰডুবিৰ মনখুচি চাহ বাগিচাৰ ফুটবল দলৰ মাজত অনুষ্ঠিত হোৱা আৰম্ভণি খেলখনি বলত কিক্ মাৰি শুভাৰম্ভ কৰে বিশিষ্ট সমাজ কৰ্মী তথা মটক স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিমল বৰুৱাই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে আটছাৰ তিনিচুকীয়া জিলাৰ প্ৰাক্তন নেতা অজয় কুমাৰ,পানীতোলা স্পৰ্টচ একাডেমিৰ সম্পাদক নয়নমণি ফুকণ, তিনিচুকীয়া শাখাৰ সাংগঠনিক সম্পাদক হেমন্ত চাহু, পানীতোলা উপ শাখাৰ সম্পাদক সঞ্জয় লোধী, তিনিচুকীয়া জিলা মটক যুৱ ছাত্ৰ পৰিষদৰ ক্ৰীড়া সম্পাদক দিব্যজ্যোতি বৰুৱা,লগতে বহুকেইজন গণ্যমান্য ব্যক্তি ।প্ৰতিযোগিতাৰ অন্তত ট্ৰাইব্ৰেকাৰত মনখুচি চাহ বাগিচাই বলাই চাহ বাগিচাক ১-০ গলত পৰাজিত কৰে।কাইলৈ খেল ডিৰিয়াল আৰু মুকুল বাৰি চাহ বাগিচাৰ মাজত আনুষ্ঠিত হ'ব।

## বি ডিভিজন ফুটবল লীগ সমাপ্ত

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা বি ডিভিজন ফুটবল লীগৰ চুড়ান্ত খেলখন আজি দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাব আৰু পখীহাগা নোৱা ছাগেল ছাকাম ক্লাবৰ মাজত অনুষ্ঠিত হয় । গোসাঁইগাঁৱৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলখনত পখীহাগা নোৱা ছাগেল ছাকাম ক্লাৱক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাৱে বি ডিভিজন লীগৰ চুড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত দ্বিতীয়াৰ্ধত ৫২ মিনিটত দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাবৰ হৈ একমাত্ৰ বিজয় সূচক গ'লটো দিয়ে পিউপিল হাছদাই । চান্তাল জোৱান লাহান্তি ক্লাৱৰ খেলুৱৈ দিলীপ বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয় । আজিৰ বি ডিভিজনৰ চুড়ান্ত খেলখন উদ্বোধন কৰে অসম ফুটবল সন্থাৰ সভাপতি হেমেন্দ্ৰনাথ ব্ৰহ্মই । উদ্বোধনী অনুষ্ঠানত উক্ত লীগ খেলৰ মুখ্য পৰিচালক তথা গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ সম্পাদক ৰহিন্দ্ৰ কুমাৰ ব্ৰহ্মৰ লগতে গোসাঁইগাঁৱৰ প্ৰাক্তন পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰী ,অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক প্ৰদীপ ব্ৰহ্মকে ধৰি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### ৰাষ্ট্ৰীয় ক্ৰীড়াৰ শ্বুটিঙত পদক জয়ৰ বাবে সাজু এচিএছ বিষয়া শৌৰ্য

## উত্তৰ-পূব মণ্ডলত সোণসহ তিনিটা পদক ৰাজ্যিক চেম্পিয়ন শ্বুটাৰৰ



**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূব মণ্ডৱল শ্বুটিঙ চেম্পিয়নশ্বিপৰ ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল ,২৫ মিটাৰ চেন্টাৰ ফায়াৰ পিষ্টল আৰু ৫০ মিটাৰ ফ্ৰি পিষ্টলত ক্ৰমে সোণ আৰু ব্ৰঞ্জৰ পদক জয়ী শ্বুটাৰ শৌৰ্য শৰ্মা সাজু হৈছে গুজৰাট ৰাষ্টীয় ক্ৰীড়াত অসমৰ হৈ পদক আনিবলে। অলপতে সামৰণি পৰা উত্তৰ পূব মণ্ডল শ্বুটিঙত তিনিটা পদক জয় কৰা ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উপ সঞ্চালক শৌৰ্য শৰ্মাই কৰ্মব্যস্ততাৰ মাজতো অব্যাহত ৰাখিছে অনুশীলন। ৰাজস্থানৰ মহীপাল সিং ৰাথোৰৰ অধীনত প্ৰশিক্ষণ লাভ কৰা বিষয়াগৰাকীয়ে অলপতে অৰ্জুন বঁটা বিজয়ী শ্বুটাৰ সত্যেন্দ্ৰ কুমাৰৰ তত্ত্বাৱধানত উত্তৰ প্ৰদেশৰ দাদৰিত এটা চৈধ্য দিনীয়া শিবিৰত প্ৰশিক্ষণ গ্ৰহণ কৰি সাংঘাতিকভাৱে উপকৃত হৈছে। ২০০৭ চনত আগ্ৰাত অনুষ্ঠিত সপ্তদশ সদৌ ভাৰত জি ভি মাভালাংকাৰ শ্বুটিং চেম্পিয়নশ্বিপত সোণৰ পদক জয়ী কৰি প্ৰথম অসমীয়া সোণ জয়ী হিচাপে পৰিগণিত হৈছিল। ৩৩ সংখ্যক গুৱাহাটী ৰাষ্ট্ৰীয় ক্ৰীড়াটো দহ মিটাৰ এয়াৰ পিষ্টল ইভেন্টত ৰাইল্ড কাৰ্ড এন্টিৰে অসমক প্ৰতিনিধিত্ব কৰা শ্বুটাৰ গৰাকীয়ে আৰ্থিক নাটনি আৰু পিতৃৰ মৃত্যুৰ বাবে শ্বুটিঙ ৰেঞ্জ এৰি দিল্লীলৈ ইউ পি এচ চিৰ প্ৰস্তুতিৰ বাবে গুচি গৈছিল যদিও ২০১৫ চনত অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে নিযুক্তি লাভ কৰাৰ পাছত ৰেঞ্জলৈ প্ৰত্যাবৰ্তন ঘটাইছিল । চলিত বৰ্ষত সপ্তদশ সদৌ অসম শ্বুটিং চেম্পিয়নচিপত দহ মিটাৰ এয়াৰ পিষ্টলকে ধৰি মুঠ চাৰিটা শাখাত চাৰিটাকৈ সোণৰ পদক লাভ কৰিছিল।

## বাঘমাৰা ক্ৰিকেটত এ চি চি চেঙেলীয়াঝাৰ ক্ৰিকেট ক্লাৱ বিজয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম দৰং, ১৮ ছেপ্টেম্বৰ ঃ** পশ্চিম দৰং অঞ্চলৰ বাঘমাৰা -ঘোপেলী আঞ্চলিক যুৱক সংঘৰ উদ্যোগত ইয়াৰ কেন্দুগুৰি খেলপথাৰত চলি থকা প্ৰাইজমানী টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাত এ চি চি চেঙেলীয়াঝাৰ বিজয়ী হৈছে। আজি অনুষ্ঠিত চূড়ান্ত খেলত এ চি চি চেঙেলীয়াঝাৰ ক্ৰিকেট ক্লাৱে পশ্চিম দৰং ক্ৰিকেট ক্লাৱক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে।খেলখন উদ্বোধন কৰে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ উপ সভাপতি আবুবক্কৰ ছিদ্দিককে ।খেলৰ শেষত বাঘমাৰা-ঘোপেলী আঞ্চলিক যুৱক সংঘৰ সভাপতি আহমদ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত দৰঙৰ জ্যেষ্ঠ সাংবাদিক ইন্দাদুল হকে চমু বক্তব্য আগবঢ়ায়।বিজয়ী দলক সাংবাদিক ইন্দাদুল হক আৰু বিজেতা দলক পঞ্চায়ত উপ সভাপতি আবুবক্কৰ ছিদ্দিককে প্ৰাইজমানী সমূহ বিতৰণ কৰে। উল্লেখ্য যে, খেলৰ উদ্বোধক তথা চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ উপ সভাপতি আবুবক্কৰ ছিদ্দিককে যুৱক সংঘৰ গৃহ মেৰামতিৰ বাবে পঞ্চদশ বিত্তীয় আয়োগৰ অনুদানৰ পয়সত্তোৰ হেজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰাত উপস্থিত ৰাইজে উপ-সভাপতিগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

### ৰূপালী জয়ন্তীবৰ্ষ বড়োলেণ্ড গেলান্টচ গ'ল্ড কাপ

## টাইব্ৰেকাৰৰ সহায়ত ৰে'লৱে কলকতা ছেমিফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** ডিমাকুছি এবছু আৰু ডিমাকুছি ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত চলি থকা ৰূপালী জয়ন্তী বৰ্ষ বড়োলেণ্ড গেলান্টচ গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত এনএফ ৰেলৱে কলকতাই টাইব্ৰেকাৰৰ সহায়ত ছেমিফাইনেলত প্ৰবেশ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলত এনএফ ৰেলৱে কলকতাই ডিমাকুছি অৰ্গেং ক্লাৱক টাইব্ৰেকাৰত ৫-৪ গ'লত পৰাস্ত কৰে। খেলত বিধি উলংঘা কৰাৰ বাবে ৰে'লৱে কলকতাৰ গৌতম দাসে ৰঙা কাৰ্ড পায়। ইয়াৰ বিপৰীতে ডিমাকুছি অৰ্গেং ক্লাৱৰ বিগ্ৰাই বাগ্লাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে। উল্লেখ্য যে কালি হৈ যোৱা আন এখন খেলত ওদালগুৰি ডৈমালু এফচিয়ে ওড়িশা কিশোৰ দলক ৬-২ গ'লত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

### স্বাধীনতা দিৱস কাপ ফুটবল

## কাছাৰৰ লেনৰোল এফ চি ছেমিফাইনেলত

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ এখন খেলত আজি কাছাৰৰ লেনৰোল এফ চিয়ে কেৰালাৰ লুকা চ'কাৰ ক্লাবক ২-১ গ'লত হৰুৱাই গ্ৰুপত শীৰ্ষস্থান অৰ্জনৰে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে, এইটো গ্ৰুপত নগাঁৱৰ সঞ্জীৱন সমাজেও দ্বিতীয়স্থানৰে ছেমিফাইনেলত স্থান সুৰক্ষিত কৰে। আজি কাছাৰৰ লেনৰোল এফ চিৰহৈ কোপউজান কামেয়ে আৰু জিহ'ভা মাৰে গ'ল দুটা দিয়াৰ বিপৰীতে কেৰালাৰ লুকা চ'কাৰ ক্লাবৰহৈ আদমে গ'লটো দিয়ে। দিবা-নৈশ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে জীৱন গগৈ, ৰূপম বৰদলৈ আৰু শৈলেন ভুঞাই। ইপিনে, কালিৰ খেলত অসম ৰাইফলছ দলে কেৰালাৰ ইউনাইটেড এফ চিক ২-০ গলত পৰাজিত কৰিছিল।এই প্ৰতিযোগিতাৰ কাইলৈ কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত কেৰালাৰ ইউনাইটেড এফ চিয়ে দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিৰ বিৰুদ্ধে খেলিব।

## কোকৰাঝাৰ চিলজান হিল্‌ছ ক্লাবৰ ছেমি ফাইনেলত প্ৰৱেশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বঙাইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱৰ পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় নৰনাৰায়ণ খেল পথাৰত চলি থকা প্ৰয়াত মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন কোৱাৰ্টাৰ ফাইনেলত খেলত কোকৰাঝাৰ চিলজান হিলচ্ ক্লাবে বৰ্ষণগাঁও ক্ৰীড়া সন্থাক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে । কাইলৈৰ খেলত বৰমাৰ উদাংশ্ৰী ক্লাৱ আৰু গোৱালপাৰা জিলা ফুট বল দল মুখামুখি হ'ব । আজিৰ খেলখন ৰবীন দাসে পৰিচালনা কৰে । তেওঁক লাইনত সহায় সহায় কৰে কালীকান্ত ভট্ট আৰু ৰাজীৱ নাৰায়ণ দেৱে। চতুৰ্থ ৰেফাৰী হিচাপে আছিল সব্যাসাচী সিংহ।

## ভেৰগাঁও বড়োলেণ্ড শ্বহীদ সোঁৱৰণী মহিলা ফুটবলত তেজপুৰ আসাম ৰাইফলছ দল চেম্পিয়ন

### ১-০ গ'লত পৰাজয় ভেৰগাঁও গাম্বাৰী চিখিলা দল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** 'ভেৰগাঁও আঞ্চলিক এবছু আৰু ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত ভেৰগাঁও উচ্চ বিদ্যাপীঠ হায়াৰ চেকেণ্ডাৰী খেলপথাৰত অনুষ্ঠিত হোৱা পোন্ধৰ সংখ্যক বড়োলেণ্ড শ্বহীদ সোঁৱৰণী মহিলা ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি তেজপুৰ আসাম ৰাইফলছ বনাম ভেৰগাঁও গাম্বাৰী চিখিলা দলৰ মাজত অনুষ্ঠিত হয়। আৰু আজিৰ চূড়ান্ত খেলখন শুভ উদ্বোধন কৰে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তেখেতৰ সৈতে উপস্থিত থাকে ওদালগুৰি জিলা উপায়ুক্ত ড° ছাদনেক শিং, বিটিচি ইএম দাউৰাইছা বড়ো, নিলোৎ স্বৰ্গিয়াৰী লগতে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খাণ্ডা, মহকুমা আৰক্ষী বিষয়া জ্যোতি প্ৰসাদ পেগুৰ লগতে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দিপেন বড়োসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। হাজাৰ হাজাৰ দৰ্শকে উপভোগ কৰা তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনৰ ৫০মিনিটত আসাম ৰাইফলছ দলৰ ৰস্মী খলিয়াই এটা গ'ল দি অগ্ৰগতি লাভ কৰাৰ পিছতেই ১-০ গ'লৰ ব্যৱধানত ভেৰগাঁও গাম্বাৰী চিখিলা দলক পৰাস্ত কৰি আসাম ৰাইফলছ দলে ১৫ সংখ্যক ভেৰগাঁও বড়োলেণ্ড শ্বহীদ মহিলা ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ী হবলৈ সক্ষম হয়। আনহাতে বঁটা বিতৰণী অনুষ্ঠানত কেন্দ্ৰীয় ইউপিপিএল মহিলা মৰ্চাৰ নেত্ৰী হেলিনা স্বৰ্গিয়াৰীৰ দ্বাৰা শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আসাম ৰাইফলছ দলৰ ৰশ্মি খলিয়াক ট্ৰফীসহ পাঁচ হাজাৰ টকাৰ চেক প্ৰদান কৰে। আৰু ৰানাৰ্চআপ দলৰ বঁটাটি ভেৰগাঁও চাহ বাগিচা পৰিচালক নৱ প্ৰকাশ বৰাৰ হতুৱাই ট্ৰফীসহ ১৫ হাজাৰ টকাৰ চেকৰে ভেৰগাঁও গাম্বাৰী চিখিলা দলক প্ৰদান কৰে। আৰু ২০২২ বৰ্ষৰ ভেৰগাঁও মহিলা ফুটবল চেম্পিয়নশ্বীপ চূড়ান্ত বিজয়ী দলৰ চেম্পিয়ন বঁটা, ট্ৰফীসহ নগদ বিশ হাজাৰ টকাৰ প্ৰাইজমানীৰে কেন্দ্ৰীয় এবছুৰ অন্যতম সম্পাদক আনন্দ দৈমাৰীৰ হাতেৰে প্ৰদান কৰে।






# বঙাইগাঁও পৌৰসভাৰ উদ্যোগত 'ইণ্ডিয়ান স্বচ্ছতা লীগ' শুভাৰম্ভ

**ভাৰত চৰকাৰৰ স্বচ্ছ অমৃত মহোৎসৱ ২০২২**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ স্বচ্ছ অমৃত মহোৎসৱ-২০২২ৰ অধীনত শনিবাৰে পুৱা ৭ বজাত বঙাইগাঁও পৌৰসভাৰ অন্তৰ্গত চহৰখনৰ ১০নং ৱাৰ্ডৰ ৱৰ্কিং জ'নত 'ইণ্ডিয়ান স্বচ্ছতা লীগ' কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বঙাইগাঁও পৌৰ সভাৰ কাৰ্যবাহী বিষয়া ভাৰ্গৱ কলিতাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে পৌৰপতি সুবোধ চন্দ্ৰ দাসে বক্তব্যত বঙাইগাঁও পৌৰ সভাই বিগত বৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত স্বচ্ছাতাৰ পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱাৰ কথা দোহাৰে আৰু ভৱিষ্যতেও এই ক্ষেত্ৰত পৌৰবাসী ৰাইজৰ সহায়-সহযোগ কামনা কৰে। উল্লেখ্য, আগন্তুক ২ অক্টোবৰত সমগ্ৰ ভাৰতবৰ্ষতে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ ১৫৩ সংখ্যক জন্মদিন 'গান্ধী জয়ন্তী' উদ্‌যাপন কৰা হ'ব। গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা 'ইণ্ডিয়ান স্বচ্ছতা লীগ' নামেৰে এক কাৰ্যসূচীৰ অধীনত দেশৰ সকলো চহৰ তথা নগৰ অঞ্চলত সমগ্ৰ দিশ সাঙুৰি এলানি বিশষ স্বচ্ছতা অভিযান কাৰ্যসূচী হাতত লৈছে। বঙাইগাঁও জিলাত এই স্বচ্ছতা লীগ কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব লৈছে বঙাইগাঁও পৌৰসভা আৰু অভয়াপুৰী পৌৰসভাই। ইয়াৰ অংশ হিচাপে সমগ্ৰ দেশৰ শনিবাৰে বঙাইগাঁৱতো বঙাইগাঁও পৌৰসভাই স্বচ্ছতা লীগ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে পৌৰসভাৰ তৰফৰ পৰা বিশেষ চাফাই অভিযান তথা খোজকাঢ়ি প্লাষ্টিক বুটলা কাৰ্যসূচী ৰূপায়ণ কৰে। এইধৰণৰ বিভিন্ন কাৰ্যসূচী আগন্তুক ২ অক্টোবৰলৈ বঙাইগাঁও পৌৰসভাই 'স্বচ্ছ ভাৰত অভিযান'ৰ অধীনত গ্ৰহণ কৰিব। কাৰ্যসূচীত বঙাইগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সমাজকৰ্মী গোপেশ্বৰ তালুকদাৰ, উপ-পৌৰপতি শৈলেন সৰকাৰ, পৌৰসভাৰ ৱাৰ্ড মেম্বাৰসকল, হৰিজন সমাজ, ছাত্ৰ-ছাত্ৰী আৰু জ্যেষ্ঠ নাগৰিৰসকলে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলক পৌৰপতিগৰাকীয়ে ধন্যবাদ জনায়। মূলতঃ 'বঙাইগাঁও ৱাৰিঅ'ৰ্ছ' শীৰ্ষক দল গঠনেৰে বঙাইগাঁও পৌৰসভাই সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিকে এই স্বচ্ছতা লীগ অভিযানত অংশগ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰিছে আৰু সকলোৰে সহায়-সহযোগিতা তথা পৰামৰ্শ কামনা কৰিছে। উল্লেখ্য, ভাৰত চৰকাৰৰ মাইগ'ভট ৱেব পেজ দৰ্শন কৰি ইতিমধ্যে ভালেসংখ্যক লোকে বঙাইগাঁও পৌৰসভাৰ লগত এই বিশেষ অভিযানত স্বেচ্ছাসেৱক হিচাপে নিজৰ নাম পঞ্জীয়ন কৰিছে। ইপিনে, বঙাইগাঁও পৌৰসভাৰ সভাপতি সুবোধ চন্দ্ৰ দাসে বঙাইগাঁও চহৰৰ সকলো ব্যক্তি বিশেষকে সদল-বলে ওলাই আহি স্বচ্ছতা লীগ অভিযানত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। লগতে বঙাইগাঁও চহৰখন সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলাৰ লগতে 'বঙাইগাঁও ৱাৰিঅ'ৰ্ছ' শীৰ্ষক দলটোক শক্তিশালী ভূমিকাত অৱতীৰ্ণ হোৱাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত শীৰ্ষস্থান দখলত বলিষ্ঠভাৱে সহযোগ কৰিবলৈকো পৌৰবাসী ৰাইজক পৌৰসভাৰ সভাপতিগৰাকীয়ে বিশেষভাৱে আহ্বান জনাইছে।

## আয়তীৰ উৰুলি আৰু বিয়ানামেৰে মুখৰ গুপ্তকাশী বিশ্বনাথঘাট

## ৩২ যোৰা দম্পতীৰ সামূহিক সংস্কাৰ বিবাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১৮ ছেপ্টেম্বৰ ঃ** আয়তীৰ উৰুলি আৰু বিয়ানামেৰে আজি মুখৰ হ'ল গুপ্তকাশী বিশ্বনাথঘাট। কিয়নো, আজি বিশ্বনাথঘাটৰ নতুন গাঁৱৰ নামঘৰত অনুষ্ঠিত হ'ল সামূহিক সংস্কাৰ বিবাহ অনুষ্ঠান। গুপ্তকাশী বিশ্বনাথঘাটৰ নতুন গাঁৱৰ বৰনামঘৰৰ পদূলিৰ পৰা ঢোলে-দগৰে ৩২ যোৰা দম্পতীক গাঁৱৰ ৰাইজে সমদল কৰি লৈ যায় নোৱাবলৈ গুপ্তকাশী বিশ্বনাথ ঘাটস্থিত মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰলৈ। আয়তীৰ উৰুলিৰে নোৱাই-ধুৱাই দম্পতীকেইটাক অনা হয় বৰনামঘৰলৈ। বৰ নামঘৰত ভকত বৈষ্ণৱৰ হৰিনাম আৰু বিধি পাঠেৰে সমাপন কৰে এই সামূহিক সংস্কাৰ বিবাহ। গুপ্তকাশী বিশ্বনাথঘাটৰ নতুন গাঁৱৰ এই সমূহিক বিবাহ সম্পন্ন কৰা ৩২ যোৰা দম্পতী হৈছে কাৰোবাৰ পিতৃ-মাতৃ, অথবা কৰোবাৰ বৰমা বা বৰদেউতা। এই বিবাহ সম্পন্ন হৈ থকা কোনো কোনো দৰা কইনাৰ কোচত আছে শিশু। এইসকল লোকে ২০-৩০ বছৰৰ পূৰ্বেই সংসাৰ আৰম্ভ কৰিছিল যদিও আৰ্থিক দুৰৱস্থাৰ বাবে সামাজিক নীতি-নিয়ম অনুসৰি বিবাহ সম্পন্ন কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু আজি বিশ্বনাথৰ এক শৰণ ভাগৱতী সমাজৰ নতুনগাঁও শাখাৰ উদ্যোগত এইসকলক ধৰ্মীয় নীতি-নিয়ম অনুসৰি এইদৰে বিবাহপাশত আবদ্ধ কৰোৱা হয় ৩২ যোৰা দম্পতীক।

## চিমেণ্টভৰ্তি ট্ৰাকে পুনৰ ভাঙিলে নলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ১৮ ছেপ্টেম্বৰ ঃ** ডিমৌ উন্নয়ন খণ্ডৰ অন্যতম চৰ্চিত শুকানপুখুৰী গাঁও পঞ্চায়তৰ বহু বিতৰ্কিত পকী নলা আজি বিয়লি পুনৰ চিমেণ্টভৰ্তি ট্ৰাকে মহটিয়াই ভাঙি পেলায়। চৰকাৰী ধনৰ অপব্যৱহাৰ কৰি আজিৰে পৰা কেইমাহমানৰ পূৰ্বে সেই সময়ত গড়কাপ্টানী বিভাগৰ অনুমতি অবিহনে নিতাই বৰবৰুৱা পথৰ নিচেই কাষতে বুজন পৰিমাণৰ চৰকাৰী ধন ব্যয় কৰি এটা অতি নিম্ন মানৰ নলা নিৰ্মাণ কৰিছিল। পথৰ কাষতে নলা নিৰ্মাণ কৰা কেইটামান দিনৰ পিছতে উক্ত নলা গাড়ীয়ে মহটিয়াই ভাঙি পেলায়। ইয়াৰ পিছতে উক্ত নলা নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতিৰ ন ন তথ্য পোহৰলৈ আহে। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় যে উক্ত নলা নিৰ্মাণৰ সন্দৰ্ভত ৰাইজে খণ্ড উন্নয়ন বিষয়াক উচিত তদন্ত কৰিবলৈ দাবী কৰিছিল যদিও কি ৰহস্যজনক কাৰণত উক্ত নিম্ন মানৰ কামৰ সমুদায় ধন মোকলাই নিলে সেই আজিও ৰহস্যজনক হৈয়ে থাকিল। আনহাতে, আজি এএছ ০৬ বিচি ০২৫১ নম্বৰ চিমেণ্ট ভৰ্তিট্ৰাকখনে পুনৰ এই নলাটো ভাঙি চূৰমাৰ কৰাৰ লগতে উক্ত নলাত ট্ৰাকখনো আবদ্ধ হৈ পৰে। এই সন্দৰ্ভত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি নিতাইপুখুৰী আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে পঞ্চায়ত কৰ্তৃপক্ষৰ লগত ট্ৰাক চালক আৰু মালিকৰ লগত পুনৰ উক্ত নলা নিৰ্মাণ কৰি দিয়াৰ ব্যৱস্থা কৰা হয় বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে এই নলা নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতি আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ ২১,৬০০ টকীয়া নিম্ন মানৰ ডাষ্টবিন নিৰ্মাণত দুৰ্নীতি, ৰাইচাই শ্মশান নিৰ্মাণত হোৱা দুৰ্নীতিৰ এক উচিত তদন্ত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।



# নগাঁৱত অমৃত সৰোবৰ আঁচনিৰ শুভাৰম্ভ

**অমৃত সৰোবৰ প্ৰকল্পসমূহে আত্মনিৰ্ভৰ ভাৰত গঢ় দিয়াৰ লগতে মহিলা সৱলীকৰণৰ ক্ষেত্ৰতো যোগাত্মক প্ৰভাৱ পেলাব ঃ কেশৱ মহন্ত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিন উপলক্ষে ৰূপায়িত অমৃত সৰোবৰ আঁচনিৰ কামৰ কালি নগাঁও সদৰ সমষ্টিত শুভাৰম্ভ হয়। অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এই কামৰ শুভাৰম্ভ কৰে। নগাঁও সদৰ সমষ্টিৰ তুলসীমুখৰ ঘাগৰিয়াল অঞ্চলত কালি মন্ত্ৰী গৰাকীয়ে অমৃত সৰোবৰ আঁচনিৰ কামৰ শুভাৰম্ভ কৰি কয় যে— 'এই অমৃত সৰোবৰ প্ৰকল্প সমূহৰ দ্বাৰা মীনপালনৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত হ'ব। সৰোবৰ সমূহৰ পাৰত প্ৰণালীবদ্ধভাৱে বৃক্ষৰোপণ কৰি প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধি আৰু অৰ্থনৈতিকভাৱে সচ্ছল হোৱাৰ ক্ষেত্ৰতো ই সহায়ক হ'ব। এই অমৃত সৰোবৰ প্ৰকল্প সমূহে আত্মনিৰ্ভৰ ভাৰত গঢ় দিয়াৰ লগতে মহিলা সৱলীকৰণৰ ক্ষেত্ৰতো যোগাত্মক প্ৰভাৱ পেলাব বুলি আমাৰ দৃঢ় বিশ্বাস।' আঁচনি খনৰ কামৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয় যে— 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী পদক্ষেপ 'মিছন অমৃত সৰোবৰ'ৰ জৰিয়তে ৰাইজ যথেষ্ট উপকৃত হ'ব'। এই অনুষ্ঠানত নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ প্ৰমুখ্যে জিলা প্ৰশাসন আৰু পঞ্চায়তৰ বিভিন্ন বিষয়া কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য, মন্ত্ৰীগৰাকীয়ে কালি ৰহা, বঢ়মপুৰ, কলিয়াবৰতো অমৃত সৰোবৰ আঁচনিৰ কামৰ শুভাৰম্ভ কৰে।

# ভাৰতীয় জনতা মজদুৰ সংঘৰ নগাঁও জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** সোঁপন্থী বিচাৰধাৰাৰে জন্মলাভ কৰি আগবঢ়া ভাৰতবৰ্ষৰ প্ৰথমটি শ্ৰমিক সংগঠন ভাৰতীয় জনতা মজদুৰ সংঘৰ নগাঁও জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভাখন আজি দিনজোৰা কাৰ্যসূচীৰে নগাঁৱৰ ড'চন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অনুষ্ঠিত হয়। সভাত নগাঁও জিলা সমিতিৰ নেতা-কৰ্মীসকলৰ ওপৰিও সংঘৰ ৰাজ্যিক নেতৃত্ব তথা অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, কামৰূপ আদি জিলাৰ প্ৰতিনিধিবৰ্গও উপস্থিত থাকে। উল্লেখ্য, শ্ৰমিকসকলৰ আৰ্থিক নিৰাপত্তা আৰু সামাজিক সন্মানৰ স্বাৰ্থত কাম কৰাৰ লক্ষ্যৰে ২০২০ চনত জন্মলাভ কৰিছিল ভাৰতীয় জনতা মজদুৰ সংঘ। সভাত সংঘৰ ৰাজ্যিক সভাপতি প্ৰাঞ্জল দাসে কয় যে'— মধ্যযুগৰ পৰাই শ্ৰমিক আৰু মালিক এই দুটা ভাগত বিভক্ত হৈ আছে আমাৰ সমাজখন। মালিক শ্ৰেণীয়ে তেতিয়াৰে পৰা যুগ যুগ ধৰি শ্ৰমিক শ্ৰেণীটোক শোষণ কৰি আহিছে। আজিৰ পৰা কেইবাবছৰৰ আগতে জমিদাৰ সকলে কৃষক সকলক যেনেদৰে শোষন কৰিছিল ঠিক তেনেদৰে আজি একৈশ শতিকাতো শোষন বঞ্চনাৰ পৰা মুক্তি লাভ কৰিব পৰা নাই শ্ৰমিকসকল। তেওঁলোকৰ হৈ মাত মাতিবলৈ যিবোৰ শ্ৰমিক সংগঠনৰ জন্ম হ'ল কাৰ্যক্ষেত্ৰত তেওঁলোক বাওঁপন্থী বিচাৰধাৰাৰ হোৱাৰ হেতুকে বৈদেশিক ৰাষ্ট্ৰৰ নীতিসমূহ তেওঁলোকৰ মাজত বেচিকৈ প্ৰতিফলিত হ'ল আৰু দেশৰ প্ৰকৃত শ্ৰমিক আৰু সংগঠনৰ মাজত এক ব্যৱধানৰ সৃষ্টি হ'ল। তাৰ ফলত আজি পৰ্যন্ত শ্ৰমিকসকল আৰ্থিকভাৱে স্বাৱলম্বী হোৱা দূৰৰে কথা তেওঁ যদি কোনো কাৰণত কামৰ পৰা অৱসৰ লয় তেওঁ নিৰাপত্তাহীনতাত ভুগিব লগা পৰিস্থিতিৰ সৃষ্টি হ'ল। এনে নিম্ন পৰ্যায়ৰ শ্ৰমিক সকলৰ কাৰণে এক সোঁপন্থী বিচাৰধাৰাৰ শ্ৰমিক সংগঠনৰ প্ৰয়োজন আছিল। সেয়ে ২০২০ চনত জন্ম হৈছিল ভাৰতীয় জনতা মজদুৰ সংঘৰ। এই সংঘৰ অনঞ্জ্যতম লক্ষ্য হৈছে অ-সংগঠিত শ্ৰমিক সকলক চৰকাৰে প্ৰদান কৰা সা-সুবিধা লাভত সহায় কৰা, ভৱিষ্যতে পেঞ্চন লাভত সহায় কৰা, দেশৰ শ্ৰমিক আইন মতে বছৰি এটা ভাল দৰমহা লাভ কৰা আদি বিভিন্ন বিষয়ত কাম কৰাৰ ওপৰিও বিভিন্ন ক্ষেত্ৰত কাম কৰা সকলো লোককে শ্ৰমিক আইনৰ অধীনলৈ আনি তেওঁলোকৰ সুবিধা সমূহ প্ৰদান কৰা। তাৰ ওপৰি ভাৰতীয় জনতা মজদুৰ সংঘই ব্যক্তিগত শিক্ষক, সাংবাদিক সকল, আশা কৰ্মীসকল, জীৱিকা সখীসকলক মৰ্যদা সহকাৰে অৰ্থনৈতিক সুৰক্ষাৰ প্ৰদানৰ হকে কাম কৰি যাব।' উক্ত কাৰ্যসূচীত ভাৰতীয় জনতা মজদুৰ সংঘৰ ৰাজ্যিক সভাপতি প্ৰাঞ্জল দাস, ৰাজ্যিক সম্পাদক নোমল কোঁৱৰ, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক প্ৰণয় প্ৰতিম ভূএঞা, চন্দ্ৰ শইকীয়া, পৱন গগৈ, নগাঁও জিলা সভাপতি প্ৰাঞ্জল মজুমদাৰ, নগাঁও জিলা কাৰ্যকৰী সভাপতি দীপংকৰ শৰ্মা, সাধাৰণ সম্পাদক পবিত্ৰ তালুকদাৰৰ লগতে নগাঁও জিলাৰ বিভিন্ন বিষয়ববীয়াৰ সকলৰ লগতে কামৰূপ জিলাৰ সভাপতি বিক্ৰম ৰাভা, সাধাৰণ সম্পাদক জিতুমণি ডেকা, উপ-সভাপতি অপূৰ্ব দাস, কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱ শৰণীয়া, ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক মানস মানৱ কোঁৱৰ, উপ-সভাপতি পূৰ্ণকান্ত খনিকৰ আৰু সম্পাদিকা ৰশ্মি খনিকৰ, তিনিচুকীয়া জিলাৰ সম্পাদিকা বন্তি গগৈ উপস্থিত থাকে।

## মৰাণহাট দোমৰ-দলং চাহ বাগিচাত হত্যাকাণ্ড

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত যোৱানিশা মৰাণৰ সমীপৰ দোমৰদলং চাহ বাগিচাৰ জুটুলিটিং শাখাত সংঘটিত হয় নৃশংস হত্যাকাণ্ডত।যুৱক জন জুটুলিটিঙৰ প্ৰবীণ মাঝি (২৮)বুলি চিনাক্ত হয়। ডিঙিত চোকা অস্ত্ৰৰে কাটি হত্যা কৰে চুবুৰীয়া গোবিন গড় নামৰ ২৮ বছৰীয়া বিবাহিত যুৱকে। এখন দাৰে ঘপিয়াই হত্যাকাণ্ড সংঘটিত কৰা কথা স্বীকাৰ কৰে মৰাণহাট আৰক্ষী আগত হত্যাকাৰী গোবিন গড়ে। দুয়োজনৰ কন্দলৰ বাবে হত্যাকাণ্ডটো সংঘটিত কৰা বুলি আৰক্ষী আগত স্বীকাৰ কৰিছে।

# ১৬ মেধাৱী শিক্ষাৰ্থীক আৰ্থিক সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১৮ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত ২নং জাৰাগুৰী সমূহীয়া ভৱনত আজি স্থানীয় 'হেল্পিং হেণ্ড ফৰ ইনকুইজিটিভ ষ্টুডেন্ট' নামৰ এটি এন জি ওৰ উদ্যোগত এক বৃহৎ সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। এন জি ওৰ সভাপতি তথা মানিকপুৰ আঞ্চলিক কলেজৰ অধ্যাপক গাজিবৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিজনী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাৰিয়া তানিম আৰু উত্তৰ শালমাৰা মহকুমাৰ মহকুমা আৰক্ষী বিষয়া নিতুমণি দাস। দুয়োগৰাকী ৰাজপত্ৰিত বিষয়াই ছাত্ৰ ছাত্ৰীসকলৰ উদ্দেশ্য যথেষ্ট গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। আজিৰ সভাত ১৬জনকৈ ছাত্ৰ ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ, গছপুলি, অভিধান, কলম আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হৈছে। ইয়াৰে ৮জন মেধাৱী ছাত্ৰ-ছাত্ৰীক ৫হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে ৫ জনক ২ হাজাৰকৈ টকা আগবঢ়োৱা হৈছে। এনজিওৰ সহকাৰী সম্পাদক তথা যোগীঘোপাৰ সাংবাদিক মনোৱাৰ হুছেইনে সম্বৰ্ধনা পৰ্ব্ব পৰিচালনা কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ইলিয়াছ হুছেইন। উল্লেখ্য, বঙাইগাঁও জিলাৰ মানিকপুৰ থানাৰ অন্তৰ্গত ২নং জাৰাগুৰীৰ বাসিন্দা তথা চিৰাং জিলাৰ খুজুৰাপগুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ইলিয়াছ হুছেইনৰ চেষ্টাত এদল উচ্চ শিক্ষিত লোকৰ সমাহাৰে এক বিশাল মঞ্চ এটাৰ ৰূপ ধাৰণ কৰে। শিক্ষক গৰাকীয়ে প্ৰত্যেক বছৰে নিজৰ দৰমহাৰ পৰা পোন্ধৰ দিনৰ ধন আগবঢ়াইছিল মেধাৱী ছাত্ৰ ছাত্ৰীক। তেখেতৰ মহানুভৱতাই চৌদিশে বিস্তাৰ কৰাৰ ফলত আজি ভালে কেইজন চিকিৎসক, অধ্যাপক, শিক্ষক আদি লোকে তেখেতৰ হাতত হাত মিলাই মেধাৱী ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ আগবাঢ়ি আহে। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ সভাত বঙাইগাঁও অসামৰিক চিকিৎসাৎলয়ৰ চিকিৎসক ছাহিদুল শইকীয়া, কাজলগাঁও অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ইয়াকুব আলী, বিজনীৰ চিকিৎসক ৰঞ্জিত কুমাৰ বড়ো, কাজলগাঁও ইউ এন ব্ৰহ্ম কলেজৰ তিনিগৰাকীকৈ ক্ৰমে— ডাঃ আকবৰ আলী, ডাঃ ৰেজাউৰ ৰহমান সৰকাৰ, ডাঃ নাছিৰুল হক, অধিবক্তা ৰকিবুল ইছলাম আকন্দ, জ্যেষ্ঠ সাংবাদিক কুঞ্জমোহন ৰয়, আবতাফ হুছেইন, সিদলসতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল ইছলাম আৰু প্ৰাক্তন অধ্যক্ষ হিতেশ বৰ্মন, লেংটিচিঙা ৰাজীৱ গান্ধী কলেজৰ অধ্যাপক ড° ছবুৰ আলী আহমেদ, সমাজসেৱক মইনুল হক চৌধুৰী, প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি